৭ম বৰ্ষ, পঞ্চম সংখ্যা
১-১৫ ছেপ্তেম্বৰ, ২০২৬
বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ



80th Independence Day Celebrations

# ৰাষ্ট্ৰৰ অবিৰত যাত্ৰাৰ এক ঘোষণা

স্বাধীনতাৰ শতবাৰ্ষিকীৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ত্ৰয়োদশ ভাষণত উন্নয়নৰ বাবে সপ্তধাৰাৰ এক ৰূপৰেখা দাঙি ধৰে। তেওঁ অৰ্ধপৰিবাহীৰ পৰা আৰম্ভ কৰি প্ৰতিৰক্ষা খণ্ডত সংঘটিত হোৱা বিপ্লৱলৈকে সকলো ক্ষেত্ৰতে গঢ় লৈ উঠা আত্মনিৰ্ভৰ ভাৰতৰ এক সোণালী আভাসো দাঙি ধৰে

আমাক অনুসৰণ কৰক @NISPIBIndia

# আহক, এখন বিকশিত ভাৰত গঢ়ি
# তোলাৰ বাবে একেলগে আগবাঢ়োঁ



লালকিল্লাত এক অবিস্মৰণীয় স্বাধীনতা দিৱস। আমাৰ স্বাধীনতা সুৰক্ষিত কৰা মহান ব্যক্তিসকলৰ সাহস আৰু ত্যাগৰ কথা এই দিনটোৱে আমাক সোঁৱৰাই দিয়ে। ত্ৰিৰংগাই আমাক প্ৰতিটো প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ, ঐক্যৰ বান্ধোন শক্তিশালী কৰিবলৈ, আৰু ৰাষ্ট্ৰৰ প্ৰতি নিজকে উৎসৰ্গা কৰিবলৈ অনুপ্ৰাণিত কৰে। সময় আমাৰ, সুযোগ আমাৰ, সংকল্প আমাৰ, আহক আমি সকলোৱে একেলগে এখন বিকশিত ভাৰত গঢ়ি তোলোঁ...

*লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰবাসীক দিয়া ভাষণ চাবলৈ কিউ আৰ কোড স্কেন কৰক।*



নিউ ইণ্ডিয়া
# সমাচাৰ
৭ম বৰ্ষ, সংখ্যা ৫, ছেপ্তেম্বৰ ১-১৫, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx
নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...

৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন প্ৰচ্ছদ নিবন্ধ

## ২০৪৭ চনৰ বাবে সংকল্প, সপ্তধাৰাৰ শক্তি

বিগত ১২ বছৰত 'ৰাষ্ট্ৰ প্ৰথম'ৰ মন্ত্ৰৰ দ্বাৰা পৰিচালিত উন্নয়নৰ এক নতুন অধ্যায়ৰ ৰচনা কৰা হৈছে আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ লক্ষ্যৰ মূল ভেটি হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত, ১৫ আগষ্টত লালকিল্লাৰ প্ৰাচীৰৰ পৰা ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে এক নতুন 'সপ্তধাৰা'ৰ আহ্বান জনায়। ইয়াৰ লগে লগে তেওঁৰ ত্ৰয়োদশ ভাষণ হৈ পৰিল ৰাষ্ট্ৰৰ অবিৰত যাত্ৰাৰ এক উৎসৱমুখৰ উদযাপন... |১০-২৯



### বিভাজন বিভীষিকা স্মৃতি দিৱস
ভাৰতৰ ঐক্য, অখণ্ডতা আৰু শান্তি ৰক্ষাৰ এক দৃঢ় সংকল্প

দেশ বিভাজনৰ যন্ত্ৰণা আৰু জনসাধাৰণৰ সংগ্ৰাম আৰু ত্যাগৰ স্মৃতিত বছৰু আগষ্টত পালন কৰা 'বিভাজনবিভীষিকা স্মৃতি দিৱস'এ মানৱ সহানুভূতিকো শক্তিশালী কৰে... |৩০-৩১





### ইউপিআই সেৱাসমূহ মুক্ত হৈ থাকিব...
সাধাৰণ গ্ৰাহক আৰু ব্যক্তিৰ পৰা ব্যক্তিলৈ (পি২পি) লেনদেনৰ বাবে ইউপিআই সেৱা সম্পূৰ্ণ বিনামূলীয়া হৈ থাকিব। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে স্পষ্ট কৰি দিয়ে যে ডিজিটেল লেনদেনৰ ওপৰত মাৰ্চেণ্ট ডিছকাউণ্ট ৰেট (এমডিআৰ) গ্ৰাহকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়, ব্যৱসায়ীৰ ক্ষেত্ৰতহে প্ৰযোজ্য |৩৮


প্ৰচ্ছদ নিবন্ধ |৪-৫

ব্যক্তিত্ব: আশা ভোছলে
তেওঁৰ মোহনীয় কণ্ঠৰে লাখ লাখ মানুহৰ হৃদয় জয় কৰিছিল |৬

অনুকূল পৰিৱেশ তন্ত্ৰৰ দ্বাৰা ইন্ধন যোগোৱা ঔদ্যোগিক বিপ্লৱৰ বাবে এক নতুন উত্তৰণ
প্ৰধানমন্ত্ৰী মোদীয়ে অন্ধ্ৰপ্ৰদেশলৈ উপহাৰ দিলে উন্নয়নমূলক প্ৰকল্প |৩২-৩৪

গুৱাহাটী-তেজপুৰ ঘাইপথ আৰু গোবৰ্ধনৰ বাবে অনুমোদন...
কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তসমূহ |৩৫

'যুৱসমাজ' প্ৰতিটো সিদ্ধান্তৰ ভেটি
প্ৰধানমন্ত্ৰী মোদীয়ে আইআইটি দিল্লীৰ সমাৱৰ্তনত ভাষণ দিয়ে |৩৬-৩৭

বিকশিত ভাৰতৰ বাবে শাৰীৰিক আৰু মানসিক স্বাস্থ্য অতি গুৰুত্বপূৰ্ণ
'বিকশিত ভাৰত সংকল্প অভিযান'ৰ অধীনত 'নিচা মুক্ত যুৱ' অভিযানৰ শুভাৰম্ভণি |৩৯

ভৱিষ্যৎ প্ৰজন্মৰ বাবে প্ৰেৰণাৰ এক মন্ত্ৰ
প্ৰধানমন্ত্ৰী মোদীয়ে কমনৱেলথ গেমছৰ পদক বিজয়ীসকলৰ সৈতে মত-বিনিময় কৰে |৪০-৪১

ভাৰতীয় গণতন্ত্ৰ আৰু সমাজৰ বাবে এক উত্তৰাধিকাৰ
প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ আত্মজীৱনী উন্মোচন |৪২


স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ দেশবাসীক উদ্দেশ্যি ভাষণ



### বিকশিত ভাৰত...
প্ৰকৃত লক্ষ্য হৈছে উন্নয়ন আৰু কল্যাণ
দেশৰ ৮০সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত দেশবাসীক দিয়া ভাষণত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুই নাগৰিকসকলক সংবিধানৰ মূল্যবোধ ৰক্ষা কৰাৰ লগতে মৌলিক কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। |৭-৯


**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail : response-nis@pib.gov.in, RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

## লালকিল্লাৰ পৰা প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান

# ‘সপ্তধাৰা’ আৰু ‘বিকশিত ভাৰত’ত গুৰুত্ব; যুৱসমাজৰ বাবে বিনামূলীয়া প্ৰশিক্ষণ

**বন্দে মাতৰম!**

লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ত্ৰয়োদশ ভাষণে এক ঐতিহাসিক মুহূৰ্তৰ সূচনা কৰে। স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে লালকিল্লা বন্দে মাতৰম’ ধ্বনিৰে প্ৰতিধ্বনিত হ’ল। প্ৰধানমন্ত্ৰীয়ে স্পষ্টভাৱে কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰত এখন উন্নত ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাটো নিশ্চিত; এই লক্ষ্যত উপনীত হ’বলৈ দেশখনে ইতিমধ্যে উৎপাদন, ডিজিটেল লেনদেন আৰু আধুনিক আন্তঃগাঁথনিৰ দৰে খণ্ডত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। হাইড্ৰজেন চালিত প্ৰথমখন ৰে’লৰ শুভাৰম্ভ আৰু পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহ এই অগ্ৰগতিৰ প্ৰমাণস্বৰূপ।

ভাষণটোৰ মূল বাৰ্তা আছিল ‘সপ্তধাৰা’ৰ আহ্বান, য’ত ৰাষ্ট্ৰ নিৰ্মাণৰ সাতটা স্তম্ভৰ ওপৰত আলোকপাত কৰা হৈছিল: উৎপাদন শক্তি, কৃষি আৰু খাদ্য উৎপাদন, প্ৰযুক্তি আৰু উদ্ভাৱন, গতি শক্তি, প্ৰতিৰক্ষা শক্তি, সেউজ আৰু নীল অৰ্থনীতি, আৰু ভাৰতৰ ‘ছফ্‌ট পাৱাৰ’। এই সাতটা শক্তিয়ে একেলগে এখন উন্নত ভাৰত নিৰ্মাণৰ সংকল্পক অধিক ত্বৰান্বিত কৰিব।

যুৱসমাজক এই যাত্ৰাৰ চালিকাশক্তি হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে আগন্তুক এবছৰত এক কোটি যুৱক-যুৱতীক কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ দক্ষতা প্ৰশিক্ষণ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰে আৰু বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে বিনামূলীয়া অনলাইন প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ আহ্বান জনায়। ২০৩০ চনত কমনৱেলথ গেমছ আয়োজন কৰিবলৈ সাজু হোৱা ভাৰতে দেশখনৰ ক্ৰীড়া প্ৰতিপত্তি আৰু যুৱক-যুৱতীসকলৰ অপৰিসীম সম্ভাৱনাৰ প্ৰমাণ হিচাপে কাম কৰে।

ড্ৰাগছমুক্ত ভাৰতৰ বাবে ১০০ সপ্তাহৰ বিশেষ অভিযান, নক্সালবাদৰ মতাদৰ্শগত শিপা বিচ্ছিন্ন কৰাৰ কৌশল, আৰু শক্তিশালী নাগৰিক প্ৰতিৰক্ষা নেটৱৰ্কৰ দৃষ্টিভংগী-এই সকলোবোৰে এখন নিৰাপদ আৰু শৃংখলাবদ্ধ সমাজৰ ভেটি স্থাপন কৰিব। মহিলা সৱলীকৰণৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰি ‘নাৰী শক্তি বন্দন অধিনিয়ম’ শীঘ্ৰে ৰূপায়ণৰ বাবে সকলো ৰাজনৈতিক দলক সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। লোকপিয়লৰ সময়ত সঠিক তথ্য প্ৰদানৰ আহ্বান আৰু পঞ্চ প্ৰাণৰ পুনৰাবৃত্তিয়ে নাগৰিকসকলৰ মাজত কৰ্তব্যবোধ জগাই তুলিছিল। সামগ্ৰিকভাৱে এই ভাষণটো সংকল্প, নিষ্ঠা, আৰু সামূহিক প্ৰচেষ্টাৰ আহ্বান, যিটো এই সংখ্যাৰ প্ৰচ্ছদ নিৱন্ধত পৰিণত হৈছে।

ইয়াৰ উপৰিও ব্যক্তিত্ব শিতানত আশা ভোছলেৰ বিষয়ে পঢ়ক -যিগৰাকীয়ে নিজৰ কণ্ঠৰে লাখ লাখ মানুহৰ মন জয় কৰিছিল -আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পযেকটোৰ ৰাজহুৱা অনুষ্ঠানসমূহৰ লগতে কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহো সামৰি লোৱা হৈছে। ভিতৰৰ পৃষ্ঠাত পাঠকসকলে স্বাধীনতা দিৱসত আনন্দমুখৰ জনসমাগমেৰে লালকিল্লাৰ প্ৰাচীৰৰ মনোমোহা দৃশ্যৰ আভাস লাভ কৰিব। আনহাতে, পিছফালৰ বেটুপাতত ইউনেস্ক’ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ ‘প্ৰাচীন বৌদ্ধ তীৰ্থস্থান সাৰনাথ’ৰ বিষয়ে বিশেষ সমল প্ৰকাশ কৰা হৈছে।

আপোনাৰ পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স






## সহজে বুজিব পৰা, ফটো আৰু তথ্য সন্নিবিষ্ট কৰি কৰা উপস্থাপনৰ বাবে ধন্যবাদ

মই ২০২৬ চনৰ ১-১৫ আগষ্টৰ নিউ ইণ্ডিয়া সমাচাৰৰ সংখ্যাটো, বিশেষকৈ প্ৰচ্ছদ নিৱন্ধটো বৰ উপযোগী বুলি বিবেচনা কৰিলোঁ। লেখাটো তথ্যসমৃদ্ধ, প্ৰেৰণাদায়ক আৰু ভালদৰে উপস্থাপন কৰা হৈছে। ই আন্তঃগাঁথনি, প্ৰযুক্তি, শিক্ষা, স্বাস্থ্যসেৱা, কৃষি, আৰু সমাজ কল্যাণৰ দৰে খণ্ডসমূহৰ মাজেৰে ভাৰতৰ উন্নয়ন যাত্ৰাক ফলপ্ৰসূভাৱে প্ৰদৰ্শন কৰাৰ লগতে 'বিকশিত ভাৰত'ৰ দৃষ্টিভংগীকো শক্তিশালী কৰিতুলিছে। ফটো আৰু তথ্য সন্নিবিষ্ট কৰা উপস্থাপনটোৱে প্ৰবন্ধটোক আকৰ্ষণীয় আৰু সহজে বুজিব পৰা কৰি তুলিছে।

বাদাৰল্লী শ্ৰীধৰ
vsdhar121@gmail.com

## এখন তথ্যসমৃদ্ধ, নিৰ্ভৰযোগ্য আৰু উপযোগী আলোচনী

নিউ ইণ্ডিয়া সমাচাৰ এখন তথ্যসমৃদ্ধ, নিৰ্ভৰযোগ্য, আৰু উপযোগী আলোচনী। মোৰ ইউপিএছচিৰ প্ৰস্তুতিত ই এক বৃহৎ সহায়ক বুলি প্ৰমাণিত হৈছে। ই বিশেষকৈ বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে এক সন্তুলিত দৃষ্টিভংগী আৰু বোধগম্যতা গঢ়ি তোলাৰ ক্ষেত্ৰত সহায়ক। 'নিউ ইণ্ডিয়া সমাচাৰ'ৰ আঁৰত থকা সমগ্ৰ দলটিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰিন্স কুমাৰ সিং
ps0488034@gmail.com

## বিভিন্ন পদক্ষেপ, ৰাজহুৱা নীতি আৰু সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত বিস্তৃত তথ্য

মই নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ নিয়মীয়া পাঠক। মই ইয়াক অতি তথ্যসমৃদ্ধ বুলি বিবেচনা কৰোঁ। ই বিশেষকৈ ভাৰত চৰকাৰৰ বিভিন্ন পদক্ষেপ, ৰাজহুৱা নীতি, আৰু সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত উৎকৃষ্ট অন্তৰ্দৃষ্টি প্ৰদান কৰে।

হৰ্যদ মাকৰানা
harshmak161184@gmail.com

## পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্ভৰযোগ্য তথ্য

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীত প্ৰকাশিত প্ৰবন্ধসমূহে সহজ ভাষাত উপযোগী তথ্য প্ৰদান কৰে। এই আলোচনীখনে ভাৰতৰ উন্নয়নৰ বিভিন্ন দিশ বুজি পোৱাত সহায় কৰে। ই তথ্যসমৃদ্ধ আৰু পঢ়িবলৈ সহজ। তদুপৰি অসামৰিক সেৱা (ইউপিএছচি) আৰু অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে 'নিউ ইণ্ডিয়া সমাচাৰ'এ প্ৰামাণিক তথ্যৰ এক মূল্যৱান উৎস হিচাপে কাম কৰে। মুঠতে আলোচনীখনে পাঠকক দেশৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰাই নহয়, প্ৰতিজন নাগৰিকক এখন উন্নত ভাৰত গঢ়াৰ দিশত অৰিহণা যোগাবলৈও অনুপ্ৰাণিত কৰে।

ashishprabhatmishra@gmail.com

## জ্ঞান আৰু দক্ষতা বিকাশত সহায় কৰে

মই নিয়মীয়াকৈ 'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনীখন পঢ়োঁ। । ইয়াত তথ্যসমৃদ্ধ আৰু চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ সবিশেষ তথ্য দিয়া হৈছে। ই মোৰ ব্যক্তিগত বিকাশৰ লগতে মোৰ জ্ঞান আৰু দক্ষতা বিকাশতো সহায় কৰে। এই আলোচনীখন পঢ়ি আৰুলগতে ইয়াৰ পৰা শিকি ভাল লাগে।

ভাস্কৰ সিং মহৰ
bhaskarmahar65@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003
E-Mail: response-nis@pib.gov.in

# সংক্ষিপ্ত সংবাদ

## চৰকাৰী কাৰ্যালয়লৈ অহা-যোৱা কৰাআৰু দীঘলীয়া শাৰীত থিয় হৈ থকাৰ অসুবিধাৰ পৰা মুক্তি




### উমংগ এপত ২,৫৭৫টা সেৱা; ডিজিলকাৰত ৭২ কোটি ব্যৱহাৰকাৰী

ভাৰত চৰকাৰৰ 'ডিজিটেল ইণ্ডিয়া'ৰ পদক্ষেপ আৰু ডিজিটেল সেৱাৰ সম্প্ৰসাৰণৰ বাবে সাধাৰণ জনতাই চৰকাৰী কাৰ্যালয়লৈ বাৰে বাৰে অহাৰ প্ৰয়োজন নাই। ডিজিটেল সেৱা এতিয়া নিজৰ ঘৰৰ পৰাই সহজলভ্য হৈ পৰিছে। মানুহে আধাৰ, উমংগ, ডিজিলকাৰ, কমন চাৰ্ভিচ চেণ্টাৰ (চিএছচি), ই-সঞ্জীৱনী আদি সেৱা সুবিধাজনকভাৱে গ্ৰহণ কৰি আছে।

ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে ৰাজ্যসভাক প্ৰদান কৰা তথ্য অনুসৰি দেশত ইণ্টাৰনেট গ্ৰাহকৰ সংখ্যাই ১০৯ কোটি অতিক্ৰম কৰাৰ বিপৰীতে ১৪৪ কোটিৰো অধিক আধাৰ নম্বৰ সৃষ্টি হৈছে। এই প্লেটফৰ্মত ৭১.৬৬ কোটিৰো অধিক পঞ্জীয়নভুক্ত ব্যৱহাৰকাৰী আছে, ২,৮২২জন পঞ্জীয়নভুক্ত প্ৰদানকাৰীয়ে ৯৩৬.০৩ কোটিতকৈ অধিক নথিপত্ৰ জাৰি কৰিছে। ইউনিফাইড মোবাইল এপ্লিকেচন ফৰ নিউ-এজ গভৰ্নেন্স (উমংগ) এপৰ জৰিয়তে নাগৰিকসকলক মুঠ ২৫৭৫টা চৰকাৰী সেৱা প্ৰদান কৰা হৈছে।

## পি এম সূৰ্য্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনা

### ৫১ লাখতকৈও অধিক পৰিয়াল উপকৃত হৈছে; ২৮.৪ লাখ কৃষি পাম্প সৌৰশক্তিচালিত কৰা হৈছে

নবীকৰণযোগ্য শক্তিৰ প্ৰসাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে কেইবাটাও আঁচনি আৰম্ভ কৰিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে 'পিএম সূৰ্য্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনা' (২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ হোৱা)ৰ জৰিয়তে ১০ আগষ্টলৈকে ৫১.২৭ লাখৰো অধিক পৰিয়ালক উপকৃত কৰিছে। এই আঁচনিৰ অধীনত ৪১.৭৬ লাখ ছাদত সৌৰ উদ্যোগ স্থাপন কৰা হৈছে। এই পৰিয়ালসমূহে ২৮ হাজাৰ কোটিৰো অধিক ৰাজসাহায্য লাভ কৰিছে। ৭৫ হাজাৰ কোটি টকাৰ বাজেটৰ আঁচনিখনৰ লক্ষ্য হৈছে এক কোটি পৰিয়ালত ছাদৰ ওপৰত সৌৰ উদ্যোগ স্থাপন কৰা। ইয়াৰ উপৰিও, দেশত সৌৰশক্তিৰ প্ৰসাৰৰ বাবে ৰূপায়ণ কৰা 'পিএম-কুছুম' আঁচনিৰ অধীনত-২০২৬ চনৰ ৩১ জুলাইলৈকে ২৮.৪ লাখ জলসিঞ্চন পাম্প সৌৰশক্তিচালিত কৰাৰ কাম সম্পূৰ্ণ কৰা হৈছে।



## অৰুণাচল প্ৰদেশৰ 'গ্ল হ্ৰদ': ভাৰতৰ ১০১ সংখ্যক ৰামছাৰ স্থান

**পৰিৱেশ সংৰক্ষণ, জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, আৰু বহনক্ষম উন্নয়নৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতাৰ ফলস্বৰূপে অৰুণাচল প্ৰদেশৰ**

গ্ল হ্ৰদক ৰাজ্যখনৰ প্ৰথম আৰু ভাৰতৰ ১০১ সংখ্যক ৰামছাৰ স্থান হিচাপে ঘোষণা কৰা হৈছে। ২০১৪ চনত দেশত মাত্ৰ ২৬টা ৰামছাৰ স্থান আছিল যদিও মাত্ৰ ১২ বছৰৰ ভিতৰতে এই সংখ্যা ১০১টালৈ বৃদ্ধি পাইছে। বাঘৰবাবে সংৰক্ষিত কামলাং বনাঞ্চল আৰু বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত অৱস্থিত গ্ল হ্ৰদ পূব হিমালয়ৰ এক প্ৰাচীন মিঠা পানীৰ হ্ৰদ আৰু জৈৱ বৈচিত্ৰ্যৰ এক প্ৰধান কেন্দ্ৰ। বছৰজুৰি প্ৰবাহিত পাহাৰীয়া নৈৰ দ্বাৰা পুষ্ট এই হ্ৰদটোক ঘন গছ-গছনিয়ে আগুৰি আছে। এই জলাশয়ত ১৫০ টাতকৈও অধিক গছৰ প্ৰজাতি আৰু ৪৯টা অৰ্কিডৰ প্ৰজাতি পোৱা যায়।





## চাইবাৰ অপৰাধৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা

### চৰকাৰে বন্ধ কৰিলে ৩,৭০০তকৈও অধিক বিভ্ৰান্তিকৰ আৰু ভুৱা এপ

নাগৰিকসকলৰ সুবিধাৰ বাবে ইণ্ডিয়ান চাইবাৰ ক্ৰাইম কোঅৰ্ডিনেচন চেণ্টাৰ' (I4C)-য়ে 'নেচনেল চাইবাৰ ক্ৰাইম ৰিপ'ৰ্টিং প'ৰ্টেল' (cybercrime.gov.in) মুকলি কৰিছে। তদুপৰি, ২০০০ চনৰ তথ্য প্ৰযুক্তি আইনৰ অধীনত ভুৱা ঋণ প্ৰদানকাৰী এপসহ মুঠ ৩,৭১৮টা প্ৰতাৰণামূলক ম'বাইল এপ বন্ধ কৰা হৈছে। লোকসভাত প্ৰদান কৰা তথ্য অনুসৰি, বিত্তীয় প্ৰতাৰণাৰ কথা তাৎক্ষণিকভাৱে জনাই লুটি নিয়া ধন ৰক্ষা কৰাৰ উদ্দেশ্যৰে ২০২১ চনত 'চিটিজেন ফাইনেঞ্চিয়েল চাইবাৰ ক্ৰাইম ৰিপ'ৰ্টিং এণ্ড মেনেজমেণ্ট চিষ্টেম' মুকলি কৰা হৈছিল। ২০২৬ চনৰ ৩০ জুনলৈকে এই ব্যৱস্থাৰ জৰিয়তে ৩২.৮০ লাখতকৈও অধিক অভিযোগৰ পৰা ১১,১৫৮ কোটি টকাতকৈও অধিক ধন ৰক্ষা কৰা হৈছে।




লগতে, ২০২৬ চনৰ ৩০ জুন পৰ্যন্ত চৰকাৰে ১৫.৭৫ লাখৰো অধিক চিম কাৰ্ড আৰু ৫.৭৭ লাখ আইএমইআই নম্বৰ বন্ধ কৰিবলৈ সক্ষম হৈছে।




## জি আই টেগযুক্ত মিথিলা মখনা অষ্ট্ৰেলিয়ালৈ প্ৰেৰণ

বিহাৰৰ দাৰভাংগা জিলাৰ কৃষকসকলৰ পৰা প্ৰত্যক্ষভাৱে সংগ্ৰহ কৰা জি আই টেগযুক্ত মিথিলা মখনাৰ ১৮ মেট্ৰিক টনৰ প্ৰথমটো ব্যৱসায়িক চালান সাগৰীয় পথেৰে অষ্ট্ৰেলিয়ালৈ প্ৰেৰণ কৰা হৈছে। 'এপেডা'ৰ সহযোগত কৰা ৰপ্তানিয়ে কৃষকসকলক প্ৰচলিত বজাৰ দৰতকৈ প্ৰায় ১৮ শতাংশ অধিক উপাৰ্জন কৰাত সহায় কৰিছে। দাৰভাংগাৰ মখনা উৎপাদকসকলৰ পৰা সংগ্ৰহ কৰা এই সামগ্ৰীয়ে বিহাৰৰ এই গুৰুত্বপূৰ্ণ জি আই টেগযুক্ত সামগ্ৰীবিধৰ আন্তঃৰাষ্ট্ৰীয় পৰিচিতি অধিক শক্তিশালী কৰিব আৰু কৃষকসকলৰ বাবে উন্নত উপাৰ্জনৰ সুযোগ সৃষ্টি কৰিব। ভাৰতৰ মুঠ মখনাৰ প্ৰায় ৮৫ শতাংশই বিহাৰত উৎপাদন হয়। এই খণ্ডটোক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ২০২৫ চনৰ জুলাই মাহৰ পৰা মখনাৰ বাবে এটা সুকীয়া এইচএছ ক'ড কাৰ্যকৰী কৰা হয়। ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰ, মধ্য প্ৰাচ্য আৰু আফ্ৰিকাকে ধৰি ২০ৰো অধিক আন্তঃৰাষ্ট্ৰীয় ঠাইলৈ ৭,০০০ মেট্ৰিক টনোৰ অধিক মখনা আৰু ইয়াৰ সংসাধিত সামগ্ৰী ৰপ্তানি কৰিছে।



## এতিয়াৰে পৰা চণ্ডীগড় আৰু দাদৰা আৰু নগৰ হাভেলীত ই-ৰূপী ভিত্তিক ডি বি টি

প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ (পিএমজিকেএৱাই) অধীনৰ সাহায্য এতিয়াৰে পৰা কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড় আৰু দাদৰা আৰু নগৰ হাভেলীত ই-ৰূপীৰ মাধ্যমেৰে প্ৰদান কৰা হ'ব। ই-ৰূপী হৈছে এবিধ ডিজিটেল ভাউচাৰ, যি ব্যক্তিবিশেষ আৰু নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে প্ৰযোজ্য। পিএমজিকেএৱাই আঁচনিৰ হিতাধিকাৰীসকলে এই সাহায্য পোনে পোনে তেওঁলোকৰ ডিজিটেল টকাৰ ৱালেটত লাভ কৰিব। এই ধন কেৱল তালিকাভুক্ত বিক্ৰেতাসকলৰ পৰা খাদ্যশস্য ক্ৰয় কৰিবলৈহে ব্যৱহাৰ কৰিব পৰা যাব। এই ব্যৱস্থাই নগদ ধনৰ লেনদেন আৰু মধ্যভোগীৰ ভূমিকা ন্যূনতম কৰাৰ লগতে সাহায্য বিতৰণৰ অনিয়মৰ সুযোগো হ্ৰাস কৰিব। তদুপৰি, চৰকাৰে সঠিক সময়ত লেনদেনসমূহ নিৰীক্ষণ কৰিবলৈ সক্ষম হ'ব। এই ব্যৱস্থা ইয়াৰ পূৰ্বে গুজৰাট আৰু পুডুচেৰীত কাৰ্যকৰী কৰা হৈছিল।



# মনোমুগ্ধকৰ কণ্ঠেৰে কোটি কোটি লোকৰ হৃদয় জয় কৰা নাৰীগৰাকী

আশা ভোছলেই তেওঁৰ সুমধুৰ কণ্ঠ আৰু অসাধাৰণ প্ৰতিভাৰে ভাৰতীয় সংগীত জগতখনক সমৃদ্ধ কৰিছিল। সংগীতৰ সকলো শৈলীৰ সৈতে খাপ খুৱাব পৰা তেওঁৰ অনন্য ক্ষমতাই শ্ৰোতাৰ হৃদয় জয় কৰিছিল। হিন্দী, মাৰাঠী, বঙালী, তামিল আৰু গুজৰাটীকে ধৰি বিভিন্ন ভাষাৰ লগতে লোকসংগীতৰ ক্ষেত্ৰখনতো তেওঁ এক অবিস্মৰণীয় চাপ ৰাখি গৈছে। তেওঁৰ অতুলনীয় কণ্ঠ আৰু সংগীতিক অৱদানে মানুহৰ হৃদয়ত চিৰদিন ঝংকাৰ তুলি থাকিব আৰু তেওঁৰ শিল্পকৰ্মই অনাগত প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব।







জন্ম: ৮ ছেপ্টেম্বৰ, ১৯৩৩। মৃত্যু: ১২ এপ্ৰিল, ২০২৬

১৯৩৩ চনৰ ৮ ছেপ্টেম্বৰত মহাৰাষ্ট্ৰৰ ছাংগলী জিলাৰ এটা মাৰাঠী পৰিয়ালত জন্মগ্ৰহণ কৰা আশা ভোছলেৰ কণ্ঠত কেৱল সুৰৰ মূৰ্চ্ছনাই নাছিল, আছিল অনুভূতিৰ জীৱন্ত প্ৰকাশ। তাত সকলো সমৃদ্ধ আছিল-প্ৰেমৰ মধুৰতা, বিৰহৰ বেদনা, উল্লাসৰ উছাহ আৰু বিষাদৰ গভীৰতা। তেওঁৰ গানে ইটোৰ পিছত সিটো প্ৰজন্মক কেৱল শুনিবলৈ নহয়, অনুভৱ কৰিবলৈও শিকালে। তেওঁৰ পিতৃ আছিল সংগীতজ্ঞ দীননাথ মংগেশকাৰ আৰু জ্যেষ্ঠ ভগ্নী আছিল কিংবদন্তি গায়িকা তথা ভাৰতৰত্ন লতা মংগেশকাৰ। এনে এটা পৰিয়ালৰ পৰা অহা বাবে শৈশৱতে তেওঁৰ সংগীতৰ সৈতে এক গভীৰ সম্পৰ্ক গঢ়ি উঠিছিল। ১৯৪৩ চনত মাত্ৰ দহ বছৰ বয়সতে গীত গাবলৈ আৰম্ভ কৰা আশা ভোছলেই নব্বৈ বছৰ বয়সলৈকে এই যাত্ৰা অব্যাহত ৰাখিছিল। এগৰাকী শিল্পী আৰু ব্যক্তি-উভয় ৰূপতে তেওঁ নিজা শৈলীৰে জীৱন অতিবাহিত কৰিছিল।

পপৰ পৰা গজললৈ আৰু ডিস্ক'ৰ পৰা শাস্ত্ৰীয় সংগীতলৈ-আশা ভোছলেই স্পৰ্শ নকৰাকৈ এৰা এনে কোনো সংগীতৰ শৈলী নাছিল। আঠটা দশকৰো অধিক সময়জুৰি বিস্তৃত পেছাদাৰী কেৰিয়াৰত তেওঁ বিভিন্ন ভাৰতীয় ভাষাৰ হাজাৰ হাজাৰ গানত নিজৰ সুমধুৰ কণ্ঠদান কৰি ভাৰতীয় সংগীত জগতত এক অবিস্মৰণীয় চাপ ৰাখি গৈছে। কোৱা হয় যে তেওঁ ১২,০০০তকৈও অধিক গীত গাইছিল। সংগীত জগতলৈ আগবঢ়োৱা অপৰিসীম অৱদানৰ স্বীকৃতিস্বৰূপে তেওঁক পদ্মবিভূষণ, দাদাচাহেব ফাল্কে বঁটা আৰু ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ উপৰি বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিত কৰা হৈছিল। সুদীৰ্ঘ সময় ধৰি তেওঁ ভাৰতীয় কলা-সংস্কৃতিৰ ক্ষেত্ৰখন সমৃদ্ধ কৰাত এক অনন্য ভূমিকা পালন কৰিছিল। তেওঁৰ ব্যৱহাৰত একেই সৰলতা আৰু উষ্মতা প্ৰতিফলিত হৈছিল, যিদৰে ফুটি উঠিছিল তেওঁৰ কণ্ঠৰ মৃদুতা। তদুপৰি, বহুতো ভাষাত গীত গাই তেওঁ ভাৰতীয় সংগীত আৰু চলচ্চিত্ৰক বিশ্বৰ দৰবাৰত এক বিশেষ মৰ্যাদাৰ আসনত অধিষ্ঠিত কৰিছিল।

২০২৬ চনৰ ১২ এপ্ৰিলত ৯২ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ প্ৰয়াণত গভীৰ শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "ভাৰতৰ অন্যতম প্ৰভাৱশালী আৰু বহুমুখী কণ্ঠৰ অধিকাৰী আশা ভোছলে জীৰ মৃত্যুত মই গভীৰভাৱে মৰ্মাহত হৈছোঁ। কেইবা দশকজুৰি বিস্তৃত তেওঁৰ অসাধাৰণ সাংগীতিক যাত্ৰাই আমাৰ সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰাৰ লগতে বিশ্বজুৰি অগণন মানুহৰ হৃদয় স্পৰ্শ কৰিলে। হৃদয়স্পৰ্শী সুৰেই হওক বা প্ৰাণৱন্ত ৰচনাই হওক, তেওঁৰ কণ্ঠত আছিল এক চিৰন্তন দীপ্তি। তেওঁৰ সৈতে হোৱা বাৰ্তালাপৰ স্মৃতিসমূহ মই সদায় মনত ৰাখিম। তেওঁৰ পৰিয়াল, অনুৰাগী আৰু সংগীতপ্ৰেমীসকললৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। তেওঁ ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব আৰু তেওঁৰ গীতসমূহ মানুহৰ জীৱনত চিৰদিন ঝংকাৰিত হৈ থাকিব।"




স্বাধীনতা দিৱস উপলক্ষে দেশবাসীক উদ্দেশ্যি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ ভাষণ

# বিকশিত ভাৰত...

## উন্নয়ন আৰু কল্যাণৰ প্ৰকৃত লক্ষ্য

*৮০সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক্-সন্ধ্যা দেশবাসীক উদ্দেশ্যি আগবঢ়োৱা ভাষণত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰ নিৰ্মাণত প্ৰতিজন নাগৰিকৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্বাধীনতা সংগ্ৰামীসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁ উল্লেখ কৰে যে ২০৪৭ চনৰ ভিতৰত ভাৰত এক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হোৱাৰ লক্ষ্যৰে আগবাঢ়িছে। যুৱ প্ৰজন্ম, মহিলা, কৃষক, বিজ্ঞানী, শ্ৰমিক, ক্ৰীড়াবিদ, নিৰাপত্তা বাহিনী আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ অৱদানক স্বীকাৰ কৰি তেওঁ সংবিধানৰ মূল্যবোধক ৰক্ষা কৰিবলৈ আৰু নিজৰ মৌলিক কৰ্তব্যসমূহ পালন কৰিবলৈ দেশবাসীক আহ্বান জনায়।*

### স্বাধীনতাৰ প্ৰকৃত অৰ্থ

সকলো দেশবাসীয়েই স্বাধীন ভাৰতৰ ভাগ্যৰ নিৰ্মাতা হোৱা উচিত। ‘আমি, ভাৰতীয় জনগণে’ যাতে নিজৰ সপোনসমূহ বাস্তৱায়িত কৰিবলৈ সুযোগ-সুবিধাৰ সঠিক ব্যৱহাৰ কৰিব পাৰোঁ আৰু ভাৰতক শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰেৰণাৰে কাম কৰিব পাৰোঁ, তাতেই স্বাধীনতাৰ প্ৰকৃত অৰ্থ নিহিত হৈ আছে।

### এক উন্নত ভাৰতৰ নিৰ্মাণ

স্বাধীনতাৰ শতবাৰ্ষিকী অৰ্থাৎ ২০৪৭ চনৰ ভিতৰত এখন উন্নত ভাৰত গঢ়ি তোলাৰ দিশত আমি আগুৱাই গৈছোঁ। অন্ত্যোদয়াৰ ভাৱনাৰে অনুপ্ৰাণিত হৈ, উন্নয়নৰ সুফল যাতে প্ৰত্যেকগৰাকী ব্যক্তিৰ ওচৰ পায়গৈ, তাক নিশ্চিত কৰিবলৈ আমি সংকল্পবদ্ধ। আমাৰ চহকী ঐতিহ্য আৰু স্বাধীনতা সংগ্ৰামৰ আদৰ্শক সাৱোগত কৰি, আমি আধুনিক বিকাশৰ পথত অগ্ৰসৰ হৈছোঁ। বৈদিক উক্তি ‘ৱয়ং ৰাষ্ট্ৰে জাগৃয়াম’ -এ আমাক দেশৰ প্ৰতি সদায় সচেষ্ট আৰু উৎসৰ্গিত হৈ থাকিবলৈ অনুপ্ৰাণিত কৰে।

### স্বাধীনতা সংগ্ৰামীসকললৈ শ্ৰদ্ধাঞ্জলি

আমাৰ স্বাধীনতা সংগ্ৰামৰ সৈতে জড়িত ভিন্ন আদৰ্শৰ লোকসকলৰ লক্ষ্য আছিল এক আৰু অভিন্ন: ভাৰতৰ স্বাধীনতা। ‘স্বদেশী আন্দোলন’ৰ সময়ত ‘বন্দে মাতৰম’ আছিল হাজাৰ হাজাৰ মানুহৰ হৃদয়ৰ সুৰ। জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত অসংখ্য নাগৰিকে স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিছিল। বাবাচাহেব ড° ভীমৰাও আম্বেদকাৰে সমাজ সংস্কাৰ আৰু ৰাষ্ট্ৰীয় ভক্তিৰ উচ্চ আদৰ্শ দাঙি ধৰিছিল। মা ভাৰতীৰ যিসকল মহান সন্তানে নিজৰ আদৰ্শেৰে আমাৰ দেশক স্বাধীনতা আৰু প্ৰগতিৰ পথত পৰিচালিত কৰিলে, সেই সকলোৰে প্ৰতি মই গভীৰ শ্ৰদ্ধাৰে প্ৰণাম জনাইছোঁ।

### বিভাজন বিভীষিকা স্মৃতি দিৱস

আমি ১৪ আগষ্ট তাৰিখটো ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’

হিচাপে পালন কৰোঁ। বিভাজনৰ হিংসাত্মক ঘটনাত প্ৰাণ হেৰুওৱা অথবা গৃহহীন হৈ স্থানান্তৰৰ দুখ সহ্য কৰিবলৈ বাধ্য হোৱা আমাৰ লাখ লাখ দেশবাসীক আমি শ্ৰদ্ধাৰে সোঁৱৰোঁ। সাম্প্ৰদায়িক হিংসাৰ বাবে লাখ লাখ মানুহ শৰণাৰ্থী হ'বলৈ আৰু বিভাজনৰ ভয়াবহ যন্ত্ৰণা ভোগ কৰিবলৈ বাধ্য হৈছিল। তথাপিও, তেওঁলোকে নিজৰ অস্তিত্ব আৰু পৰিচয় হেৰুৱাই পেলোৱা নাছিল।

## এক অনুপ্ৰেৰণাদায়ক সাফল্য

আমাৰ সংবিধান 'ভাৰতীয় জনগণ'ৰ দ্বাৰা ৰচিত আৰু ই নাগৰিকৰ অংশগ্ৰহণৰ ভেটিত প্ৰতিষ্ঠিত। গণতন্ত্ৰৰ জননীস্বৰূপ ভাৰতৰ জনসাধাৰণৰ মাজত জনঅংশীদাৰিত্বৰ ভাৱনা প্ৰাচীনকালৰ পৰাই বিৰাজমান। দেশবাসীয়ে এই ভাৱনাক নৱীকৃত শক্তিৰে আগুৱাই লৈ গৈছে। জনঅংশীদাৰিত্বৰ মাধ্যমেৰেই ৰাষ্ট্ৰীয় অভিযানসমূহ সফলতাৰে সম্পাদন কৰা হৈছে।

## নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা

আমাৰ কন্যা সম্প্ৰদায়ে শিক্ষাৰ ক্ষেত্ৰত চমকপ্ৰদ প্ৰদৰ্শন দাঙি ধৰিছে। ইয়াৰ সমান্তৰালভাৱে, কৃষিৰ উৎপাদনশীলতা বৃদ্ধি কৰাত অৰিহণা যোগোৱা 'ড্ৰোন দিদি'ৰ পৰা আৰম্ভ কৰি বিমান বাহিনীত যুঁজাৰু বিমান চালক হিচাপে নেতৃত্ব দিয়া পৰ্যন্ত-বিভিন্ন খণ্ডত নাৰীৰ অংশগ্ৰহণ ক্ৰমাৎ বৃদ্ধি পাইছে। গ্লাছগোত অনুষ্ঠিত কমনৱেলথ গেমছত ভাৰতে লাভ কৰা মুঠ ১৩টা স্বৰ্ণপদকৰ ভিতৰত ৮টা স্বৰ্ণপদক আমাৰ কন্যাসকলে লাভ কৰে। নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা বৰ্তমান উৰ্ধমুখী।

## নাৰী শক্তি বন্দন অধিনিয়ম

নাৰীসকলে বিভিন্ন খণ্ডত নেতৃত্ব প্ৰদান কৰিছে। ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত মহিলাসকলৰ ক্ৰমবৰ্ধমান অংশগ্ৰহণ আমাৰ গণৰাজ্যৰ বাবে এক উল্লেখযোগ্য সফলতা। লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ প্ৰতিনিধিত্ব সংৰক্ষণ কৰাৰ উদ্দেশ্যে ২০২৩ চনত 'নাৰী শক্তি বন্দন অধিনিয়ম' গ্ৰহণ কৰা হৈছিল।

## যুৱ প্ৰজন্ম: আটাইতকৈ মূল্যৱান সম্পদ

দেশৰ মুঠ জনসংখ্যাৰ ৬৫ শতাংশই ৩৫ বছৰৰ তলৰ। এই যুৱ প্ৰজন্মই আমাৰ আটাইতকৈ মূল্যৱান সম্পদ। আমাৰ দেশৰ যুৱক-যুৱতীসকল প্ৰতিভাৱান, সংকল্পবদ্ধ আৰু দক্ষ। তৃণমূল পৰ্যায়ৰ বিভিন্ন সমস্যাৰ সমাধানৰ বাবে যুৱ প্ৰজন্মই উলিওৱা অভিনৱ তথা ব্যৱহাৰিক পথসমূহ দেখিলে সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি তেওঁলোকৰ নিষ্ঠা আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰ স্পষ্ট ছবিখন চকুৰ আগত ভাঁহি উঠে।

## যুৱ প্ৰজন্মৰ বাবে অগণন নতুন সুযোগ

চৰকাৰী পদক্ষেপ আৰু নতুন অৰ্থনৈতিক কাৰ্যসূচীসমূহে যুৱ প্ৰজন্মৰ বাবে বহুল পৰিসৰৰ নতুন সুযোগৰ সৃষ্টি কৰিছে। এই সুযোগসমূহৰ বিষয়ে অৱগত হৈ আমাৰ যুৱক-যুৱতীসকলে সাফল্যৰ নতুন পথ প্ৰস্তুত কৰিব পাৰে। যুৱ সমাজৰ শাৰীৰিক আৰু মানসিক সুস্থতাই ৰাষ্ট্ৰৰ ভৱিষ্যতৰ ভেটি গঢ়ে। আমাৰ যুৱ প্ৰজন্ম যাতে উদ্যমেৰে আগুৱাই যাব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰখা আৰু দায়িত্ব পালন কৰাটো পৰিয়াল তথা সমাজৰো কৰ্তব্য।

## জ্যেষ্ঠ নাগৰিকসকলৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ

জ্যেষ্ঠ নাগৰিকসকলৰ জীৱনযাত্ৰা সুচল আৰু উন্নত কৰিবলৈ চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ৭০ বছৰ বা তাতোধিক বয়সৰ প্ৰায় ৬ কোটি জ্যেষ্ঠ নাগৰিকৰ বাবে বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা উপলব্ধ কৰা হৈছে।

## নক্সাল প্ৰভাৱিত অঞ্চলসমূহত উৎসাহ-উদ্দীপনাময় পৰিৱেশ

ভাৰতক নক্সালমুক্ত কৰাটো এক ডাঙৰ সাফল্য। এসময়ত নক্সালবাদৰ দ্বাৰা প্ৰভাৱিত অঞ্চলসমূহত এতিয়া এক উৎসাহ-উদ্দীপনাময় পৰিৱেশ বিৰাজ কৰিছে আৰু তাৰ মাজেৰে সৰ্বাত্মক উন্নয়নৰ জোৱাৰ বৈছে। 'বাস্তাৰ অলিম্পিক'ত খেলুৱৈসকলে ভাগ লৈছে, 'বাস্তাৰ পাণ্ডুম' উৎসৱত শিল্পীসকলে কলা প্ৰদৰ্শন কৰিছে আৰু এই অনুষ্ঠানসমূহ প্ৰত্যক্ষ কৰিবলৈ বৃহৎ সংখ্যক দৰ্শকৰ সমাগম ঘটিছে।



## ছাত্ৰ-ছাত্ৰী: ভাৰতৰ ভৱিষ্যতৰ নিৰ্মাতা

আমাৰ ছাত্ৰ-ছাত্ৰীসকল ভাৰতৰ ভৱিষ্যতৰ নিৰ্মাতা। ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে চৰকাৰ আৰু সমাজ একগোট হৈ থকাটো যিদৰে অপৰিহাৰ্য, ঠিক তেনেকৈয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৰ্তমান আৰু ভৱিষ্যত সুৰক্ষিত কৰিবলৈও সামূহিক প্ৰচেষ্টাৰ সমানেই প্ৰয়োজন। ৰাজহুৱা পৰীক্ষাসমূহে ছাত্ৰ-ছাত্ৰীৰ বাবে সুযোগৰ দুৱাৰ মুকলি কৰে; গতিকে, চৰকাৰে এই পৰীক্ষাসমূহৰ সংস্কাৰ সাধিবলৈ বিস্তৃত পদক্ষেপ গ্ৰহণ কৰিছে। এই সংস্কাৰসমূহৰ মূল উদ্দেশ্য হ'ল ৰাজহুৱা পৰীক্ষাত অসাধু উপায়ৰ অৱলম্বন সম্পূৰ্ণৰূপে ৰোধ কৰা আৰু পৰীক্ষা ব্যৱস্থাটোক যুৱ প্ৰজন্মৰ বাবে অধিক স্বচ্ছ, সুৰক্ষিত আৰু বিশ্বাসযোগ্য কৰি তোলা।




## চৰ্দাৰ বল্লভভাই পেটেল: আধুনিক ভাৰতৰ ঐক্যৰ নিৰ্মাতা

যেতিয়া আমাৰ দেশে স্বাধীনতা লাভ কৰিছিল, বিভাজনৰ গম্ভীৰ পৰিণামসমূহ চম্ভালাৰ সমান্তৰালভাৱে ৫৫০তকৈও অধিক প্ৰদেশক সদ্য-স্বাধীন ৰাষ্ট্ৰখনৰ সৈতে একত্ৰিত কৰাটো এক অসাধাৰণ প্ৰত্যাহ্বান আছিল। চৰ্দাৰ পেটেলে ৰাজকীয় প্ৰথাৰ বিলোপ ঘটাই সেইবোৰক আমাৰ স্বাধীন গণতন্ত্ৰৰ সৈতে একত্ৰিত কৰিছিল। আধুনিক ভাৰতৰ ঐক্যৰ নিৰ্মাতা, 'লৌহ মানৱ' চৰ্দাৰ বল্লভভাই পেটেলৰ পবিত্ৰ স্মৃতিত এক কৃতাৰ্থ ৰাষ্ট্ৰৰ তৰফৰ পৰা মই গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰোঁ।

## শিক্ষা খণ্ডত নতুন অভিলেখ

আমাৰ দেশবাসীয়ে মহাত্মা জ্যোতিবা ফুলেৰ ২০০সংখ্যক জন্ম বাৰ্ষিকী পালন কৰিছে। মহাত্মা ফুলে আৰু ক্ৰান্তি-জ্যোতি সাৱিত্ৰীবাই ফুলেই সামাজিক ন্যায়, শিক্ষা, নাৰী সবলীকৰণ আৰু সমতাৰ ক্ষেত্ৰখনলৈ ঐতিহাসিক অৱিহণা যোগাইছিল। তেওঁলোকৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ শেহতীয়া বছৰবোৰত সমাজৰ পিছপৰা শ্ৰেণীক আগুৱাই নিয়াটো ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ হিচাপে গ্ৰহণ কৰা হৈছে। নাৰী শিক্ষাৰ ক্ষেত্ৰতো সফলতাৰ নতুন অভিলেখ গঢ়ি উঠিছে।

## 'বসুধৈৱ কুটুম্বকম'ৰ আদৰ্শ আমাৰ বৈদেশিক নীতিৰ মূল স্তম্ভ

আমাৰ বৈদেশিক নীতি ৰাষ্ট্ৰীয় স্বাৰ্থৰ ওপৰত প্ৰতিষ্ঠিত। শান্তি, সহযোগিতা, আলোচনা আৰু বসুধৈৱ কুটুম্বকম (গোটেই বিশ্বখনেই এটা পৰিয়াল)ৰ আদৰ্শসমূহে আমাৰ বৈদেশিক নীতিৰ মূল স্তম্ভ হিচাপে কাম কৰে। অৰ্থনৈতিক সহযোগিতা বৃদ্ধি কৰিবলৈ আৰু ইজনে সিজনৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰিবলৈ আমি বহু দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তি সম্পাদন কৰিছোঁ।

## আমাৰ অদম্য ক্ষমতাৰ প্ৰতীক

যোৱা বছৰ, ৰাষ্ট্ৰীয় স্বাভিমান সুৰক্ষিত কৰাৰ উদ্দেশ্যে নিৰ্মাণ কৰা মাৰাঠা সামৰিক পৰম্পৰাৰ সৈতে জড়িত ১২টা দুৰ্গ ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। এই বছৰ, ভগৱান বুদ্ধই প্ৰথম ধৰ্মোপদেশ দিয়া স্থান 'সাৰনাথ'ক ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত সামৰি লোৱা হৈছে। ভাৰত কেৱল ভগৱান বুদ্ধৰ সৈতে জড়িত আধ্যাত্মিক কীৰ্তিচিহ্নৰে সমৃদ্ধ দেশেই নহয়, বৰঞ্চ নিজৰ আত্মসন্মান আৰু গৌৰৱময় পৰম্পৰা ৰক্ষাৰ্থে যুদ্ধ কৰিব পৰা অদম্য ক্ষমতাৰো প্ৰতীকস্বৰূপ।

## পৰিৱেশ সংৰক্ষণত বিশ্ব পৰ্যায়ত অগ্ৰণী অৱিহণা

আধুনিক বিকাশৰ পথত আগুৱাই যোৱাৰ সমান্তৰালভাৱে ভাৰতে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰতো বিশ্ব পৰ্যায়ত উল্লেখনীয় অৱিহণা যোগাই আহিছে। ২০৩০ চনৰ বাবে ধাৰ্য কৰা কেইবাটাও বহনক্ষম উন্নয়নৰ লক্ষ্য (এছডিজিএছ) আমাৰ দেশে সময়সীমাৰ পূৰ্বেই অৰ্জন কৰিবলৈ সক্ষম হৈছে। শেহতীয়া বছৰবোৰত নবীকৰণযোগ্য শক্তিৰ বিকাশে অভূতপূৰ্ব গতি লাভ কৰিছে।

## নতুন সংস্থাপনৰ সুযোগ সৃষ্টি

আমাৰ দেশত ৰাষ্ট্ৰীয় ঘাইপথ, জলপথ, ৰে'লপথ আৰু বিমান পথৰ দৰে আধুনিক প্ৰকল্পসমূহৰ অভূতপূৰ্ব সম্প্ৰসাৰণ ঘটিছে। ই নতুন উদ্যোগসমূহৰ বাবে পথ মুকলি কৰাৰ লগতে নতুন কৰ্মসংস্থানৰ সুযোগ সৃষ্টি কৰিছে আৰু বিনিয়োগকাৰীসকলৰ আস্থা বৃদ্ধি কৰিছে।

# ২০৪৭ চনৰ সংকল্প

## সপ্তধাৰা'ৰ শক্তি



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ প্ৰদান কৰিলে, তাত বিগত ১২ বছৰৰ ভাৰতৰ উন্নয়নৰ যাত্ৰাক লৈ কেৱল এক স্বাভাৱিক সন্তুষ্টিৰ ভাৱেই প্ৰকাশ পোৱা নাছিল, বৰঞ্চ এখন অপূৰ্ব, আধুনিক ভাৰত গঢ়াৰ এক দৃঢ় সংকল্পও দৃশ্যমান হৈছিল। যেতিয়া কোনো ৰাষ্ট্ৰৰ নেতৃত্ব জনসাধাৰণৰ প্ৰতি সংবেদনশীল হয়, তেতিয়া দেশৰ বিকাশ কেৱল সংখ্যাগত পৰিসংখ্যাত আৱদ্ধ হৈ নাথাকে; বৰঞ্চ দেশক এক নতুন উচ্চতালৈ লৈ যোৱা সামূহিক ইচ্ছাশক্তি আৰু আত্মতৃপ্তিৰ ভাৱে নাগৰিকসকলৰ মাজত নতুন উদ্ভাৱন তথা নৱীকৰণৰ প্ৰেৰণা যোগায়। 'ৰাষ্ট্ৰ প্ৰথম' মন্ত্ৰৰে অনুপ্ৰাণিত হৈ বিগত ১২ বছৰত ভাৰতে উন্নয়নৰ যি নতুন অধ্যায় ৰচনা কৰিলে, সেয়া ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ মূল আধাৰ হৈ পৰিছে। ইয়াৰ পটভূমিতে, চলিত বৰ্ষৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে উন্নয়নৰ এক নতুন 'সপ্তধাৰা'ৰ আহ্বান জনায়। এনেদৰেই, তেওঁৰ এই ত্ৰয়োদশ ভাষণ ৰাষ্ট্ৰৰ ভৱিষ্যতৰ অবিৰাম যাত্ৰাৰ বাবে এক গম্ভীৰ আৰু উদ্দীপনাময় আহ্বান হৈ পৰিল।



বন্দে মাতৰম্।
সুজলাম্ সুফলাম্
মলয়জশীতলাম্,
শস্যশামলাম্ মাতৰম্।
বন্দে মাতৰম্।।

শুভ্ৰজ্যোৎস্না পুলকিতয়ামিনীম্,
ফুল্লকুসুমিত
দ্ৰুমদলশোভিনীম্,
সুহাসিনীম্ সুমধুৰভাষিণীম্,
সুখদাম্ বৰদাম্ মাতৰম্।
বন্দে মাতৰম্।



এই স্বাধীনতা দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সমাৰোহৰ বাবে লালকিল্লাত উপস্থিত হোৱাৰ লগে লগে -'বন্দে মাতৰম'ৰ মনোভাৱ আৰু সামূহিক সংকল্পৰে সজ্জিত- উৎসাহৰ বিকিৰণে চৌপাশে নতুন শক্তিৰ সঞ্চাৰ কৰে। প্ৰথমবাৰৰ বাবে লালকিল্লাৰ প্ৰাচীৰৰ পৰা অনুৰণিত হোৱা এই জাতীয় গীতটোৱে কেৱল আমাৰ গৌৰৱময় ঐতিহ্যক সন্মান জনোৱাৰ অনুষ্ঠান হিচাপে কাম কৰাই নহয়, বৰং ১৪০ কোটি নাগৰিকক একেদৰে অনুপ্ৰাণিত কৰা মুহূৰ্ত হৈ পৰিল, যিদৰে স্বাধীনতা সংগ্ৰামৰ সময়ত দেখা গৈছিল। ১৯ শতিকাৰ শেষৰ ফালে আৰু ২০ শতিকাৰ আৰম্ভণিতে 'বন্দে মাতৰম' ভাৰতীয় পৰিচয় আৰু জাতীয়তাবাদক জাগ্ৰত কৰা গীত হিচাপে আত্মপ্ৰকাশ কৰিছিল। আজি একবিংশ শতিকাৰ ভাৰতে নিজৰ ভৱিষ্যৎ সংকল্প পূৰণৰ দিশে আগবাঢ়িছে, যুৱ শক্তিয়ে নিৰ্ণায়ক নেতৃত্ব প্ৰদান কৰিছে। এই কাৰণেই লালকিল্লাত এইবাৰৰ স্বাধীনতা দিৱস উদযাপনৰ বিষয়বস্তু আছিল 'বন্দে মাতৰমৰ ১৫০ বছৰ' আৰু 'বিকশিত ভাৰত @২০৪৭ৰ দিশৰ যাত্ৰাত 'যুৱ শক্তি'।

যেতিয়া কোনো অনুষ্ঠান যুৱক-যুৱতীসকলৰ বাবে উৎসৰ্গা কৰা হয়, তেতিয়া ইয়াৰ অৰ্থ হ'ল যে এখন 'নতুন ভাৰত' প্ৰগতিৰ নতুন কাহিনীৰ চিত্ৰনাট্য লিখিবলৈ সাজু হৈছে। এই পটভূমিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা এটা স্পষ্ট বাৰ্তা প্ৰদান কৰে যে ভাৰতৰ যুৱক-যুৱতীসকল 'বিকশিত ভাৰত'ৰ দৃষ্টিভংগীক বাস্তৱত পৰিণত কৰিবলৈ সাজু।

## এখন বিকশিত ভাৰতৰ চালক হিচাপে যুৱক-যুৱতীৰ আত্মপ্ৰকাশ

আজি ভাৰতৰ যুৱক-যুৱতীসকলৰ আকাংক্ষা নতুন উচ্চতালৈ উৰি গৈছে। বিশ্বৰ আটাইতকৈ কম বয়সীয়া জনসংখ্যা থকা ৰাষ্ট্ৰ হিচাপে ভাৰত উন্নয়নৰ চালিকা শক্তি হৈ পৰিছে। ভাৰতীয় যুৱক-যুৱতীসকল চাকৰি প্ৰত্যাশীৰ পৰা চাকৰি সৃষ্টিকাৰীলৈ বিকশিত হৈছে। ভাৰতে এতিয়া বিশ্বজুৰি তৃতীয় বৃহত্তম ষ্টাৰ্টআপ ইক'ছিষ্টেম প্ৰতিষ্ঠা কৰিছে। প্ৰকৃত অৰ্থত যুৱক-যুৱতীসকল 'বিকশিত ভাৰত'ৰ চালক হৈ পৰিছে। বিগত ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে যুৱক-যুৱতীসকলৰ বাবে শিক্ষা, দক্ষতা বিকাশ, উদ্যোগীকৰণৰ ক্ষেত্ৰত অসংখ্য সুযোগ সৃষ্টি কৰিছে। এই সময়ছোৱাত ৰোজগাৰ মেলাসমূহৰ জৰিয়তে ১২ লাখতকৈ অধিক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। 'বিকশিত ভাৰত'ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিবলৈ অৰ্ধপৰিবাহী নিৰ্মাণ, কৃত্ৰিম বুদ্ধিমত্তা (AI), আৰু উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিয়া হৈছে, আনহাতে ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰ প্ৰধানমন্ত্ৰী মোদীৰ সুশাসনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। আজি বিজ্ঞান আৰু প্ৰযুক্তি সুশাসনৰ অপৰিহাৰ্য উপাদান।

৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ অনুষ্ঠানটোৱে কেৱল যুৱক-যুৱতীসকলৰ সামৰ্থ্যক স্বীকাৰ কৰাই নহয়, তেওঁলোকক সন্মান জনোৱাৰ এক বিশেষ অনুষ্ঠান হিচাপে কাম কৰিছিল। যিহেতু ভাৰতে-বিশ্বৰ আটাইতকৈ কম বয়সীয়া ৰাষ্ট্ৰখনে-মহান আকাংক্ষাক আশ্ৰয় দিছে, সেয়েহে কেন্দ্ৰীয় চৰকাৰে বিগত ১২ বছৰত অগণন পদক্ষেপৰ জৰিয়তে এই সপোনবোৰক ডেউকা দিছে। এই উদযাপনৰ সময়ত প্ৰথমবাৰৰ বাবে লালকিল্লাত যুৱক-যুৱতীসকলক বিশেষ স্বীকৃতি প্ৰদান কৰা হয়। পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিজ্ঞান, আৰু গণিতৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিয়াড (২০২৬)ত পদক লাভ কৰা ১৯গৰাকী ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব বিজ্ঞানৰ ক্ষেত্ৰখনত যুৱ শক্তিৰ সফলতাৰ প্ৰমাণ হিচাপে থিয় দিছে। এই ছাত্ৰ-ছাত্ৰীসকলক লালকিল্লাৰ প্ৰাচীৰত বিশেষ সন্মানৰ স্থান প্ৰদান কৰা হয়। যুৱক-যুৱতীসকলৰ প্ৰতি দেশৰ শীৰ্ষ নেতৃত্বই প্ৰদৰ্শন কৰা এই বিশেষ সন্মানে ভাৰতক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ অনন্য পদক্ষেপৰ উদাহৰণ দাঙি ধৰে। অনুষ্ঠানত যুৱ উদ্ভাৱক, প্ৰধানমন্ত্ৰীৰ ইণ্টাৰ্ণশ্বিপ আঁচনিৰ পৰা অসাধাৰণ প্ৰশিক্ষাৰ্থী, আদৰ্শ ষ্টাৰ্টআপ, প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনাৰ অধীনত প্ৰশিক্ষণপ্ৰাপ্ত অতিকৈ সফল যুৱক-যুৱতী, 'মাই ভাৰত'ৰ অসাধাৰণ স্বেচ্ছাসেৱক, আৰু বিভিন্ন আঁচনি যেনে NAMASTE, PM-AJAY, আৰু SEEDৰ





হিতাধিকাৰীসকলে। ইয়াৰ দ্বাৰা 'নতুন ভাৰত'-এ যুৱক-যুৱতী আৰু সমাজৰ অন্যান্য শ্ৰেণীৰ আকাংক্ষা কেনেদৰে পূৰণ কৰি আছে সেয়া প্ৰমাণিত হৈছে।

## বন্দে মাতৰম... গৌৰৱময় ঐতিহ্যৰ পৰা এখন বিকশিত ভাৰতলৈ যাত্ৰা

লালকিল্লাৰ প্ৰাংগণত 'বন্দে মাতৰম'ৰ কেৱল গায়ন-বায়ন হোৱানাছিল, বৰং ফুলৰ সজ্জাৰ পৰা আৰম্ভ কৰি প্ৰাচীৰৰ সন্মুখত 'জ্ঞানপথ'ত স্বেচ্ছাসেৱকসকলে সৃষ্টি কৰা-'বন্দে মাতৰম'ৰ চিত্ৰ অংকনে ব্যতিক্ৰম পৰিৱেশ ৰচনা কৰিছিল। ভাৰতীয় বায়ুসেনাৰ এখন এমআই-১৭ হেলিকপ্টাৰে ১৫০ বছৰীয়া 'বন্দে মাতৰম'ৰ স্মৃতিত বিশেষ বেনাৰ লৈ ওপৰেৰে উৰা মাৰিছিল আৰু লালকিল্লাত সমাৰেশৰ ওপৰত পুষ্প বৃষ্টি কৰিছিল। এইটো কেৱল গীতটোৰ ১৫০ বছৰীয়া জয়ন্তীৰ স্মৃতিত নাছিল; ই 'নতুন ভাৰত'ৰ বাবে এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছিল। 'বন্দে মাতৰম' যেনেকৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতীক হৈ পৰিল, এতিয়া ইনতুন চিন্তা আৰু উন্নত ভাৰত গঢ়ি তোলাৰ সংকল্প বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ অনুপ্ৰেৰণা যোগাব। ১৯ শতিকাৰ শেষৰ ফালে বৌদ্ধিক আৰু সাহিত্যিক পৰিৱেশৰ পৰা ওলাই আহি বন্দে মাতৰমে নিজৰ সাহিত্যিক উৎপত্তিক অতিক্ৰম কৰি উপনিৱেশ-বিৰোধী প্ৰতিৰোধ আৰু সামূহিক আকাংক্ষাৰ এক শক্তিশালী প্ৰতীক হিচাপে পৰিগণিত হৈছিল। এই অনুষ্ঠানে বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ দৃষ্টিভংগীৰ প্ৰাসংগিকতাক পুনৰ দৃঢ় কৰাই নহয়, আধুনিক ভাৰতত জাতীয়তাবাদ, ঐক্য, সাংস্কৃতিক আত্মসচেতনতাৰ ভাৱনাক গঢ় দিয়াত গীতটোৰ ভূমিকাৰ বিষয়েও চিন্তা-চৰ্চা কৰিবলৈ প্ৰেৰণা যোগায়।

এই কাৰণেই, এই ৮০সংখ্যক স্বাধীনতা দিৱসত প্ৰধানমন্ত্ৰী মোদীয়ে কেইবাটাও দৃঢ় ঘোষণা কৰিলে, যিয়ে কেৱল ভৱিষ্যতলৈ খোজ দিবলৈ নহয়, এক বৃহৎ উত্থান ঘটাবলৈ সাজু হোৱা এখন ৰাষ্ট্ৰৰ সংকেত দিলে। লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰধানমন্ত্ৰী মোদীয়ে একেৰাহে ত্ৰয়োদশ ভাষণ দিয়াটোও ৰাষ্ট্ৰৰ আস্থাৰ প্ৰমাণ হিচাপে থিয় দিছে- এই আস্থাৰ কাৰণ হৈছে লালকিল্লাৰ প্ৰাচীৰৰ পৰা এতিয়ালৈকে কৰা প্ৰতিটো ঘোষণা বাস্তৱায়িত হৈছে।

## সৰ্বাংগীণ বিকাশ আৰু স্থায়ী সমাধান

এই ১২ বছৰীয়া প্ৰগতিৰ যাত্ৰাৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল যে এসময়ত দুৰ্গম বুলি গণ্য কৰা আৰু দশক দশক ধৰি ভাগ্যৰ ওপৰত এৰি দিয়া বিষয়বোৰে এতিয়া স্থায়ী সমাধান বিচাৰি পাইছে।

কেন্দ্ৰীয় চৰকাৰৰ পথ প্ৰদৰ্শক মন্ত্ৰ - "সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস"ৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা

## দৃঢ় সংকল্প আৰু ইচ্ছাশক্তি প্ৰধানমন্ত্ৰী মোদীৰ

চিনাকি হৈ পৰিছে। জম্মু-কাশ্মীৰত ৩৭০ অনুচ্ছেদ বাতিল কৰাই হওক, ঘৰুৱা শৌচাগাৰৰ ব্যৱস্থা কৰাই হওক, উজ্জ্বলা যোজনাৰ জৰিয়তে বিশুদ্ধ ইন্ধনৰ সুবিধা, 'নল ছে জল' আঁচনি, শ্ৰমিকৰ বাবে সামাজিক সুৰক্ষাৰ গাঁথনি, বা ৬০ কোটিৰো অধিক লোকক ৫ লাখ



টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা প্ৰদান কৰা আয়ুষ্মান ভাৰতেই হওক-ভাৰতে অহৰহ সফলতাৰ নতুন অধ্যায় লিপিবদ্ধ কৰি আছে। কৃষকসকল-খাদ্যৰ যোগানকাৰীসকলে-এখন 'বিকশিত ভাৰত'ৰ মূল শিলাস্তৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। ডজন ডজন আঁচনি, যেনে- পিএম কিষাণ সন্মান নিধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনা, শস্যৰ বাবে ন্যূনতম সহায়ক মূল্য (এমএছপি) বৃদ্ধিয়ে কৃষকৰ কল্যাণ আৰু সৱলীকৰণৰ ভেটি স্থাপন কৰিছে।

এখন উন্নত ভাৰত গঢ়ি তোলাত 'নাৰী শক্তি'ৰ অৱদান অতি গুৰুত্বপূৰ্ণ; ফলস্বৰূপে 'মহিলা নেতৃত্বাধীন উন্নয়ন' এক নতুন আৰ্হি হিচাপে আত্মপ্ৰকাশ কৰিছে। সুকন্যা সমৃদ্ধি যোজনা, 'বেটি বচাও, বেটি পঢ়াও' অভিযান, ২৬ সপ্তাহৰ প্ৰসূতিকালীন ছুটী, কৰ্মসংস্থাপন আৰু স্ব-নিয়োগৰ ক্ষেত্ৰত সম সুযোগৰ দৰে পদক্ষেপৰ জৰিয়তে মহিলাসকল ৰাষ্ট্ৰ নিৰ্মাণৰ সক্ৰিয় অংশীদাৰ হৈ পৰিছে। লোকসভা আৰু ৰাজ্যিক বিধানসভাত মহিলাৰ বাবে ৩৩% সংৰক্ষণৰ ব্যৱস্থা এতিয়া বাস্তৱত পৰিণত হৈছে, আৰু ইয়াক বাস্তৱত অতি সোনকালে কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি লালকিল্লাৰ প্ৰাচীৰৰ পৰা পুনৰবাৰ প্ৰকাশ কৰা হৈছে। দেশ ঘাইপথ, ৰে'লৱে, বিমানবন্দৰ, জলপথৰ অভূতপূৰ্ব সম্প্ৰসাৰণৰ সাক্ষী হৈ পৰিছে। বন্দে ভাৰত এক্সপ্ৰেছে ৰে'ল যাত্ৰাক থলুৱা প্ৰযুক্তি, গতি, আৰু আৰামৰ এক অনন্য মিশ্ৰণলৈ ৰূপান্তৰিত কৰিছে। প্ৰধানমন্ত্ৰী গতি শক্তিয়ে বহু ধৰণৰ সংযোগৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিছে। 'ডিজিটেল ইণ্ডিয়া'ই দূৰৱৰ্তী গাঁওসমূহতো ইণ্টাৰনেটৰ ব্যৱহাৰ নিশ্চিত কৰি প্ৰযুক্তি-চালিত ৰূপান্তৰৰ এক নতুন যুগৰ সূচনা কৰিছে। ডিজিটেল পেমেণ্টৰ ক্ষেত্ৰত ইউপিআইয়ে ভাৰতক বিশ্বৰ আগশাৰীৰ দেশ হিচাপে প্ৰতিষ্ঠা কৰিছে।

## 'সপ্ত-ধাৰা'ৰ জৰিয়তে বিকশিত ভাৰতৰ বাবে নতুন শক্তি

বিগত ১২ বছৰত সংস্কাৰৰ ক্ষেত্ৰত ভাৰতে নতুন গতি লাভ কৰিছে। কিন্তু 'বিকশিত ভাৰত'ৰ সংকল্প বাস্তৱায়িত কৰিবলৈ হ'লে এই প্ৰচেষ্টাসমূহক নিৰন্তৰ, নতুন সংস্কাৰৰ জৰিয়তে পৰৱৰ্তী পৰ্যায়লৈ লৈ যোৱাৰ প্ৰয়োজন আছে। চৰকাৰেই হওক বা সমাজেই হওক, উদ্যোগেই হওক বা উৎপাদকসকলেই হওক, কৃষক হওক বা সাধাৰণ নাগৰিকেই হওক-প্ৰত্যেকেই নিজৰ পৰম্পৰাগত ব্যৱস্থা আৰু মানসিকতাৰ পৰিৱৰ্তন আনিব লাগিব। এই মন্ত্ৰেৰেই প্ৰধানমন্ত্ৰী মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা 'সপ্ত-ধাৰা'ৰ আহ্বান জনায়।

শক্তিৰ প্ৰথম ধাৰাটো হ'ল - উৎপাদন শক্তি।
শক্তিৰ দ্বিতীয় ধাৰাটো হ'ল - কৃষি আৰু খাদ্য উৎপাদন।
শক্তিৰ তৃতীয় ধাৰাটো হ'ল - প্ৰযুক্তি আৰু উদ্ভাৱন।
শক্তিৰ চতুৰ্থ ধাৰাটো হ'ল - গতি শক্তি (সংযোগ আৰু আন্তঃগাঁথনি)।
শক্তিৰ পঞ্চম ধাৰাটো হ'ল - প্ৰতিৰক্ষা শক্তি।
শক্তিৰ ষষ্ঠ ধাৰাটো হ'ল - চেউজ অৰ্থনীতি আৰু নীল অৰ্থনীতি।
শক্তিৰ সপ্তম ধাৰাটো হ'ল — ভাৰতৰ ছফ্ট পাৱাৰ।

এই 'সপ্ত-ধাৰা'ৰ জৰিয়তে ভাৰতে আগন্তুক ৫ৰ পৰা ৭ বছৰৰ ভিতৰত সেইবোৰ কাম সম্পন্ন কৰাৰ সংকল্প লৈছে, যিবোৰ কাম বিগত ৫ৰ পৰা ৭ দশকত সম্পূৰ্ণ নহ'ল। ৮০সংখ্যক স্বাধীনতা দিৱস আৰু প্ৰধানমন্ত্ৰী মোদীয়ে লালকিল্লাৰ পৰা একেৰাহে ত্ৰয়োদশ ভাষণ দিয়াটো যোৱা ১২ বছৰত উন্নত ভাৰতৰ লক্ষ্যৰ দিশত হোৱা অগ্ৰগতিৰ প্ৰমাণ হিচাপে থিয় দিছে; এই ৰূপান্তৰ সাক্ষী হৈ বৰ্তমানে এক সোণালী ইতিহাসৰ পাণ্ডুলিপি লিখিব।

আহক আমি ১৩টা অধ্যায়ত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণৰ সাৰমৰ্ম অন্বেষণ কৰোঁ -এই ভাষণে ৰাষ্ট্ৰক উন্নত ভাৰতৰ দিশে আগবাঢ়ি যোৱাৰ সময়ত এক নতুন দিশ প্ৰদান কৰিছে...

## ১৫০ বছৰ বন্দে মাতৰমৰ

# ৮০সংখ্যক স্বাধীনতা দিৱস

স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে লালকিল্লাৰ পৰা প্ৰতিধ্বনিত হ'ল বন্দে মাতৰম। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াক বন্দে মাতৰমৰ ১৫০ বছৰীয়া ঐতিহাসিক অনুষ্ঠানৰ সৈতে সংযুক্ত কৰিলে...

- আজি আমি ৮০সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছো। আজি প্ৰত্যেকৰ হৃদস্পন্দনত বন্দে মাতৰমৰ ধ্বনি অনুৰণিত হৈছে।
- আজি "হৰ ঘৰ তিৰংগা হে, হৰ মন তিৰংগা হে" আৰু দেশখন উদ্যম আৰু নৱ শক্তিৰে, নতুন সংকল্প লৈ আগবাঢ়িছে।
- আমাৰ দেশৰ স্বাধীনতাৰ বাবে চূড়ান্ত ত্যাগ কৰা সেই মহান পুত্ৰ-কন্যাসকলক আজি ৰাষ্ট্ৰই শ্ৰদ্ধাৰে স্মৰণ কৰে।
- স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে ১৫ আগষ্টত লালকিল্লাৰ পৰা প্ৰতিধ্বনিত হৈছে বন্দে মাতৰম। আৰু আজি আমি বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত ইয়াতকৈ আৰু সুন্দৰ অনুষ্ঠান কি হ'ব পাৰে?
- যোৱা কিছুদিনত দেশৰ কেইবাটাও প্ৰান্তত ভয়াৱহ বানপানী আৰু ভূমিস্খলন হৈছে, যাৰ ফলত বহু পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। তেওঁলোকৰ দুখ-কষ্ট আমি সম্পূৰ্ণৰূপে বুজি পাওঁ আৰু অনুভৱ কৰোঁ। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক আশ্বস্ত কৰিব বিচাৰিছো যে আমি আৰু সমগ্ৰ ৰাষ্ট্ৰ তেওঁলোকৰ সৈতে দৃঢ়তাৰে থিয় দিছো।



স্বাধীনতা দিৱস ২০২৬ৰ ছবি

"আজি আমি সকলোৱে ৮০সংখ্যক স্বাধীনতা দিৱস পালন কৰি আছোঁ। আজি প্ৰত্যেকৰ অন্তৰৰ স্পন্দন 'বন্দে মাতৰম' ধ্বনিৰে অনুৰণিত হৈ আছে। আজি প্ৰত্যেকৰ ঘৰত ত্ৰিৰংগ আছে, প্ৰত্যেকৰ মন ত্ৰিৰংগ আৰু দেশে উৎসাহ আৰু উদ্যমেৰে নতুন সংকল্প লৈ আজি অগ্ৰসৰ হৈছে।"

*(স্বাধীনতা দিৱস ২০২৬ত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ অংশ)*

# বিকশিত ভাৰত @২০৪৭

# বাবে সংকল্প

২০৪৭ চনত ভাৰতে স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ কৰাৰ লগে লগে প্ৰধানমন্ত্ৰী মোদীয়ে উন্নত ভাৰত গঢ়াৰ সংকল্পক ১৪০ কোটি নাগৰিকৰ কঠোৰ পৰিশ্ৰমৰ সৈতে সংযোগ কৰিলে...

- এখন ৰাষ্ট্ৰ মহান হয় আৰু নিজৰ লক্ষ্যত উপনীত হয় যেতিয়া ই নিজৰ সপোন, নিজৰ সংকল্প আৰু নিজৰ সামৰ্থ্যৰ বলত আগবাঢ়ি যায়।
- আমি আৰু সৰু সৰু সপোন লৈ আগবাঢ়িব নোৱাৰোঁ। ডাঙৰ সপোনবোৰে আমাৰ চিন্তাধাৰাক সম্প্ৰসাৰিত কৰে, আৰু আমাৰ দৃষ্টিশক্তিৰ দিগন্তও বহল কৰে। যেতিয়া আমাৰ সংকল্প শক্তিশালী হয়, তেতিয়া অসুবিধাৰ মাজেৰে আৰু আনকি দুৰ্যোগৰ মাজতো বাট বিচাৰি উলিওৱাৰ ক্ষমতা নিজে নিজে ওলাই আহে।
- আমাৰ সংকল্পও উচ্চ হ'ব লাগিব, কাৰণ যেতিয়া আমাৰ সপোন উচ্চ আৰু সংকল্প উচ্চ হয়, তেতিয়া আমাৰ সামৰ্থ্যৰ উচ্চতাও বৃদ্ধি পায়, আৰু তেতিয়াহে আমি আমাৰ সপোনক বাস্তৱত পৰিণত কৰিব পাৰিম।
- বহু সপোন লৈ দেশ স্বাধীন হ'ল, কিন্তু আমি গতি ল'ব পৰা নাছিলোঁ; আমি প্ৰয়োজনীয় গতি লাভ কৰিব পৰা নাছিলোঁ। আমি এটা মনোভাৱত আবদ্ধ হৈ থাকিলোঁ যে "হ'ব, কথাবোৰ আগবাঢ়ি যাব, আমি চাম কি হ'ব।" ২০১৪ চনলৈকে সমগ্ৰ বিশ্বই আমাক ভংগুৰ পাঁচটাৰ মাজত পেলাই দিছিল।
- ২০৪৭ চনত যেতিয়া আমি স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ কৰিম, তেতিয়া আমি এখন বিকশিত ভাৰত গঢ়ি তুলিম, ১৪০ কোটি নাগৰিকৰ প্ৰচেষ্টা আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে।
- বিগত ১২ বছৰত সমাজৰ প্ৰতিটো শ্ৰেণীৰ কোটি কোটি নাগৰিকে দৃঢ়তা আৰু নিষ্ঠাৰে দেশখনক নতুন উচ্চতালৈ লৈ যোৱাৰ বাবে সকলো প্ৰচেষ্টা চলাইছিল। ইমান কম সময়ৰ ভিতৰতে ২৫ কোটি নাগৰিকে দৰিদ্ৰতা অতিক্ৰম কৰি দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে।
- এসময়ত আমাক ভংগুৰ পাঁচটাৰ ভিতৰত গণ্য কৰা হৈছিল, কিন্তু ১২ বছৰৰ ভিতৰত আমি এক গুৰুতৰ অৰ্থনীতি আৰু দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতি হৈ পৰিছো।

"আমি এতিয়া এটা 'নতুন স্বাভাৱিকতা' প্ৰতিষ্ঠা কৰিছোঁ: আমি আৰু সন্ত্ৰাসবাদী আৰু তেওঁলোকক আশ্ৰয় দিয়া, লালন-পালন কৰা বা শক্তিশালী কৰাসকলৰ মাজত পাৰ্থক্য নকৰোঁ।"

*(স্বাধীনতা দিৱস ২০২৬ত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ অংশ)*



*স্বাধীনতা দিৱস ২০২৫ৰ ছবি*

80 সংখ্যক স্বাধীনতা দিৱস উদযাপন
প্ৰচ্ছদ নিবন্ধ

## ১২ বছৰীয়া সৰ্বাংগীণ বিকাশ

# গতি আৰু মাত্ৰা সংজ্ঞায়িত কৰি

প্ৰধানমন্ত্ৰী মোদীয়ে বিগত ১২ বছৰত সাধাৰণ নাগৰিকৰ বাবে উৎপাদন, ডিজিটেল বৃদ্ধি আৰু দৈনন্দিন সুবিধাৰ অগ্ৰগতিৰ পৰিসংখ্যা তালিকাভুক্ত কৰে, যিবোৰ নতুন ভাৰতৰ গতি আৰু অগ্ৰগতিৰ ভিত্তি হৈ পৰিছে...

- যোৱা ১২ বছৰত প্ৰতিৰক্ষা উৎপাদন প্ৰায় চাৰিগুণ বৃদ্ধি পাইছে।
- খাদী আৰু গ্ৰামোদ্যোগ খণ্ডৰ উৎপাদন প্ৰায় পাঁচগুণ বৃদ্ধি পাইছে, ইলেক্ট্ৰনিকছ উৎপাদন প্ৰায় সাতগুণ বৃদ্ধি পাইছে।
- আধুনিক ৰে'লৰে দবাৰ উৎপাদন ২১গুণ বৃদ্ধি পাইছে, মোবাইল ফোন উৎপাদন ৩৫গুণ বৃদ্ধি পাইছে।
- ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা প্ৰায় চাৰিগুণ বৃদ্ধি পাইছে, পেটেণ্ট প্ৰদানৰ সংখ্যা চাৰিগুণ বৃদ্ধি পাইছে, ডিজিটেল লেনদেন ১০০গুণ বৃদ্ধি পাইছে।
- প্ৰতি বছৰে আমি পূৰ্বতকৈ ১৫গুণ বেছি দ্ৰুতগতিত গড় হাৰত টেপ-পানীৰ সংযোগ প্ৰদান কৰিছোঁ।
- প্ৰতি বছৰে গড়ে ছয়গুণ বেছি দ্ৰুত হাৰত গেছ সংযোগৰ ব্যৱস্থা কৰা হৈছে, দৰিদ্ৰ লোকৰ বাবে শৌচাগাৰ নিৰ্মাণৰ কাম বাৰ্ষিক হাৰতকৈ চাৰিগুণ অগ্ৰগতি হৈছে, আৰু দৰিদ্ৰসকলক ঘৰ প্ৰদানৰ গতি প্ৰতি বছৰে তিনিগুণ বৃদ্ধি পাইছে।
- হাজাৰ হাজাৰ অনুসৰণ নাইকিয়া কৰা হৈছে, শ শ পুৰণি আইন বাতিল কৰা হৈছে।
- পূৰ্বৰ শতিকাৰ আইন ব্যৱহাৰ কৰি একবিংশ শতিকাৰ পদযাত্ৰা কৰিব নোৱাৰি।
- আমি আধুনিক আন্তঃগাঁথনিৰ বাবে মেট্ৰ' নেটৱৰ্ক সম্প্ৰসাৰণ কৰিছোঁ আৰু ৰাজহুৱা পৰিবহণ ব্যৱস্থা শক্তিশালী কৰিছোঁ।
- যি গতিবেগেৰে কাম কৰা হৈছে, যি পৰিসৰত কাম হাতত লোৱা হৈছে - এই গতি, এই সম্প্ৰসাৰণ, আৰু এই কৃতিত্বসমূহ স্বাধীনতাৰ পিছত যোৱা দশকত প্ৰথমবাৰৰ বাবে দেশখনে প্ৰত্যক্ষ কৰিলে।



"আমি মাত্ৰ এটা সংকল্প ৰাখিছোঁ: 'ৰাষ্ট্ৰ প্ৰথম'-জাতীয় স্বাৰ্থ সৰ্বোচ্চ। আমি লোৱা প্ৰতিটো পদক্ষেপ মোৰ ভাৰতক সঁচাকৈয়ে মহান কৰি তোলাৰ সংকল্পৰ দ্বাৰা পৰিচালিত হয়।"

*(স্বাধীনতা দিৱস ২০২৬ত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ অংশ)*

*স্বাধীনতা দিৱস ২০২৪ৰ ছবি*

# আত্মনিৰ্ভৰ ভাৰত : ছেমিকণ্ডাক্টৰ আৰু গুৰুত্বপূৰ্ণ খনিজ

*আত্মনিৰ্ভৰশীলতাক এক দৃঢ় সংকল্প হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ছেমিকণ্ডাক্টৰ আৰু গুৰুত্বপূৰ্ণ খনিজৰ ক্ষেত্ৰত ভাৰতৰ নতুন শক্তিৰ বিষয়ে আলোকপাত কৰে...*

- বিশ্বত বহুতো সামগ্ৰী উৎভৈনদী হৈ আছে, যিবোৰ কম মূল্যত আৰু অধিক দ্ৰুতগতিত লাভ কৰিব পাৰি। কিন্তু সেইবোৰৰ ওপৰত নিৰ্ভৰশীলতাই আমাৰ নিজৰ সক্ষমতা গঢ়ি নোতোলে আৰু আমাৰ সক্ষমতাৰ শক্তি পৰীক্ষা কৰাৰ সুযোগো নিদিয়ে। সেয়েহে আমি নিজৰ সক্ষমতা শক্তিশালী কৰিব লাগিব আৰু নিজৰ স্বাৰ্থ সুৰক্ষিত কৰিব লাগিব।
- আমি আত্মনিৰ্ভৰ ভাৰতৰ দৃঢ় সংকল্পৰে আগবাঢ়ি আছোঁ আৰু 'মেক ইন ইণ্ডিয়া', 'স্বদেশী', 'ভ'কেল ফৰ লোকেল'ৰ দৰে পদক্ষেপৰ সৈতে ভাৰতীয়সকলৰ হৃদয় সংযুক্ত হৈ আছে।
- ইলেক্ট্ৰনিক সামগ্ৰী, চিকিৎসা সঁজুলি বা পৰিবহণ ব্যৱস্থা-যিয়েই নহওক কিয়, সকলো ক্ষেত্ৰতে চিপ অপৰিহাৰ্য।
- আজিৰ ডিজিটেল পৃথিৱীত আমি চিপৰ গুৰুত্ব বুজি পাওঁ। বিশ্ব এনে এক পৰ্যায়ত উপনীত হৈছে যে চিপ অবিহনে সমগ্ৰ ব্যৱস্থাটোৱেই স্তব্ধ হৈ পৰিব পাৰে। কিন্তু স্বাধীনতাৰ পিছত আমি এই ক্ষেত্ৰত কোনো বৃহৎ পৰিকল্পনা আগুৱাই নিব পৰা নাছিলোঁ।
- তিনিটা বৃহৎ ছেমিকণ্ডাক্টৰ প্ৰকল্প ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু এই প্ৰকল্পসমূহৰ পৰা উৎপাদিত সামগ্ৰীৰ ৰপ্তানিও ইতিমধ্যে আৰম্ভ হৈছে।
- আগন্তুক সাতৰ পৰা আঠ বছৰৰ ভিতৰত আৰু পাঁচ, সাত বা আৰু আঠটা ছেমিকণ্ডাক্টৰ প্ৰকল্পই কাৰ্য সম্পাদন আৰম্ভ কৰিব বুলি আশা কৰা হৈছে। এই আত্মনিৰ্ভৰ ভাৰতেই আমাক বিকশিত ভাৰতলৈ আগবাঢ়ি যোৱাৰ এক বৃহৎ পথ প্ৰদান কৰিছে।
- আমি ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ খনিজ অভিযান আৰম্ভ কৰিছোঁ আৰু বাজেটত গুৰুত্বপূৰ্ণ খনিজ কৰিড'ৰ ঘোষণা কৰিছোঁ। কেইবাখনো দেশৰ সৈতে চুক্তি স্বাক্ষৰিত হৈছে আৰু বিশ্বৰ বহু দেশেই এতিয়া গুৰুত্বপূৰ্ণ খনিজৰ ক্ষেত্ৰত ভাৰতৰ ওপৰত আস্থা ৰাখিবলৈ আৰম্ভ কৰিছে।

"দাসত্বৰ মানসিকতা পৰিত্যাগ কৰি আৰু 'পঞ্চ প্ৰাণ'ৰ প্ৰতি নিজকে সমৰ্পিত কৰি দেশে আজি নৱ আত্মবিশ্বাসেৰে আগবাঢ়ি গৈছে। এই নতুন সংকল্পসমূহ বাস্তৱায়িত কৰাৰ বাবে দেশে সহৃদয়েৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে।"

*(২০২৩ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰদান কৰা ভাষণৰ একাংশ)*



*২০২৩ চনৰ স্বাধীনতা দিৱসৰ ছবি*

# শক্তি সুৰক্ষা: পাৰমাণৱিক শক্তিৰ পৰা সৌৰ বিপ্লৱলৈ

*শক্তি সুৰক্ষাক সময়ৰ আহ্বান হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে পাৰমাণৱিক, সৌৰ, গেছ আৰু হাইড্ৰ'জেন শক্তিৰ ক্ষেত্ৰত ভাৰতৰ সাফল্য আৰু ভৱিষ্যৎ সংকল্পৰ কথা পুনৰবাৰ উল্লেখ কৰে...*

- আমি ভৱিষ্যতৰ প্ৰযুক্তিৰ দিশে আগবাঢ়ি যোৱাৰ লগে লগে শক্তিৰ গুৰুত্ব ক্ৰমাগতভাৱে বৃদ্ধি পাইছে; শক্তি অবিহনে নতুন পৃথিৱীখন চলোৱা এতিয়া কঠিন হৈ পৰিছে।
- চিপ, এআই বা ডাটা চেণ্টাৰ-যিয়েই নহওক কিয়, আমাক অতি বৃহৎ পৰিমাণত বিদ্যুতৰ প্ৰয়োজন হ'ব। এই দিশত আমি ইতিমধ্যে একাধিক শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছোঁ।
- সংসদত শান্তি আইন গৃহীত কৰি আমি ২০৪৭ চনৰ ভিতৰত ১০০ গিগাৱাট পাৰমাণৱিক শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হোৱাৰ পথ প্ৰশস্ত কৰিছোঁ।
- এই দশকৰ ভিতৰতে পাঁচটা নতুন পাৰমাণৱিক ৰিয়েক্টৰ কাৰ্যক্ষম কৰাৰ লক্ষ্য আমি নিৰ্ধাৰণ কৰিছোঁ। এই বছৰ ভাৰতে ফাষ্ট ব্ৰীডাৰ পাৰমাণৱিক প্ৰযুক্তিত দক্ষতা অৰ্জন কৰিছে।
- আমি এতিয়া 'ন' গো' উপকূলীয় এলেকাক 'গো-এহেড' এলেকা হিচাপে মুকলি কৰি দিছোঁ আৰু কামৰ গতি ত্বৰান্বিত কৰিবলৈ 'সমুদ্ৰ মন্থন'ৰ বাবে ৮৫,০০০ কোটি টকা আবণ্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ।
- ২০১৪ চনৰ পূৰ্বে মাত্ৰ ৭০খন চহৰত পাইপেৰে গেছ যোগানৰ আন্তঃগাঁথনি আছিল। আমি এই সংখ্যা ৭০০খন চহৰলৈ বৃদ্ধি কৰিছোঁ।
- ২০১৪ চনৰ পূৰ্বে মাত্ৰ প্ৰায় ২০-২২ লাখ পৰিয়াললৈ পাইপেৰে গেছ যোগান ধৰা গৈছিল; আজি প্ৰায় ১.৭৫ কোটি পৰিয়াললৈ পাইপেৰে গেছ যোগান ধৰাৰ কাম চলি আছে।
- বাৰ বছৰৰ পূৰ্বে সৌৰ শক্তিৰ ক্ষমতা মাত্ৰ ২ গিগাৱাট আছিল; আজি আমি ১৬০ গিগাৱাট ক্ষমতা অৰ্জন কৰিছোঁ।
- প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ: বিনামূলীয়া বিদ্যুৎ যোজনাৰ অধীনত ৫০ লাখতকৈও অধিক ঘৰ উপকৃত হৈছে; হাজাৰ হাজাৰ পৰিয়ালে এতিয়া শূন্য বিদ্যুৎ বিল লাভ কৰাৰ লগতে অতিৰিক্ত বিদ্যুৎ বিক্ৰী কৰি উপাৰ্জন কৰিছে, প্ৰতিটো পৰিয়ালক ৮০,০০০ টকাৰ সহায় আগবঢ়োৱা হৈছে।
- ৯০ বছৰত ৰে'লপথৰ বৈদ্যুতিকীকৰণৰ পৰিমাণ আছিল ৩০ শতাংশ; আমি মাত্ৰ ১০ বছৰত ৭০ শতাংশ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ কৰি ইয়াক সম্পূৰ্ণ কৰাৰ দিশে আগবাঢ়িছোঁ। প্ৰকৃত কাম এনেকুৱাই হয়।
- দেশে প্ৰথমখন হাইড্ৰ'জেনচালিত ৰে'ল আৰম্ভ কৰিছে, যিখন এই ধৰণৰ ৰে'লৰ ভিতৰত আটাইতকৈ দীঘল আৰু শক্তিশালী আৰু ভাৰতে বিশ্বৰ হাইড্ৰ'জেনচালিত ৰে'লৰ ক্ষেত্ৰতো নিজৰ স্বাক্ষৰ প্ৰদান কৰিছে।



"আমি যি দৃঢ় সংকল্পৰে এই যাত্ৰা আৰম্ভ কৰিছোঁ, বিশ্বই সেই সংকল্প প্ৰত্যক্ষ কৰিছে আৰু আশাৰে আমাৰ ফালে চাই আছে। এই আকাংক্ষাসমূহ পূৰণ কৰাৰ প্ৰকৃত সামৰ্থ্য ক'ত নিহিত হৈ আছে, বিশ্বই সেয়া বুজিবলৈ আৰম্ভ কৰিছে।"

*(২০২২ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰদান কৰা ভাষণৰ একাংশ)*

*২০২২ চনৰ স্বাধীনতা দিৱসৰ ছবি*

## নাগৰিক দেৱঃ ভৱঃ বিশ্বজোৰা

# সংকটৰ মাজতো সক্ষম ভাৰত

*ক'ভিড মহামাৰীৰ পৰা পশ্চিম এছিয়াৰ সংকটলৈকে, প্ৰধানমন্ত্ৰী মোদীয়ে ব্যাখ্যা কৰে যে বিগত ১২ বছৰত ভাৰতে সুপৰিকল্পিতভাৱে গ্ৰহণ কৰা পদক্ষেপসমূহে দেশক কেনেদৰে সক্ষম আৰু আত্মনিৰ্ভৰ কৰি ৰাখিছে...*

- ক'ভিড-১৯ৰ দৰে মহামাৰীয়ে সমগ্ৰ বিশ্বক অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছিল আৰু সকলো ব্যৱস্থা বিশৃংখল হৈ পৰিছিল; কিন্তু আমি ক'ভিডৰ পৰা ওলাই অহাৰ লগে লগে যুদ্ধৰ ভয়াৱহতাই বাতৰিৰ শিৰোনাম দখল কৰিবলৈ আৰম্ভ কৰিলে।
- ইউক্ৰেইনেই হওক বা পশ্চিম এছিয়াই হওক, সকলোতে উত্তেজনাৰ পৰিৱেশ আছিল আৰু তথাকথিত ভৱিষ্যদ্ৰষ্টাসকলে কি কি ভৱিষ্যদ্বাণী কৰিছিল, তাৰ কোনো সীমা নাছিল। কিছুমান লোকে দেশবাসীক ভয় খুওৱাই আৰু আতংকৰ মাজত ৰাখি সন্তুষ্টি লাভ কৰে। টিকাকৰণৰ বাবে ভেকচিন উপলব্ধ নহ'ব, পেট্ৰ'ল, ডিজেল আৰু সাৰ উপলব্ধ নহ'ব-এনেধৰণৰ উৰাবাতৰি বিয়পোৱা হৈছিল।
- দেশবাসীয়ে দেখিছে যে বিগত ১০-১২ বছৰত সুপৰিকল্পিতভাৱে গ্ৰহণ কৰা পদক্ষেপসমূহে এতিয়া ফল দিবলৈ আৰম্ভ কৰিছে; আজি দেশত গেছ, পেট্ৰ'ল আৰু ইউৰিয়াৰ পৰ্যাপ্তি আছে।
- ইমান বৃহৎ সংকটৰ মাজতো 'নাগৰিক দেৱঃ ভৱ'ৰ নীতিৰে পৰিচালিত হৈছে ভাৰত।
- এই সংকটসমূহে আমাকো প্ৰভাৱিত কৰিছে-বিশ্ব বজাৰত ইউৰিয়াৰ মূল্য ৩,০০০ টকালৈ বৃদ্ধি পাইছে; তথাপি আমি আমাৰ কৃষকসকলক মাত্ৰ ৩০০ টকাত ইয়াক যোগান ধৰিছোঁ।
- বিশ্ব বজাৰত ডিএপিৰ মূল্য ৫,০০০ টকালৈ বৃদ্ধি পাইছে; তথাপি আমি ইয়াক ১,৩৫০ টকাত যোগান ধৰি আহিছোঁ।
- কিছুমান লোকে সম্পদক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ খেলত নামি পৰিছে-পেট্ৰ'ল, ডিজেল, সাৰ, ঔষধ, চিপ আনকি ভূখণ্ডকো অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে।
- যদি আমি বিগত এটা দশকত আত্মনিৰ্ভৰশীলতাৰ মন্ত্ৰৰে পৰিচালিত হৈ সঠিক দিশত আগবাঢ়ি নাথাকিলোঁহেঁতেন, তেন্তে এনে প্ৰত্যাহ্বানসমূহৰ আমি কেনেদৰে সন্মুখীন হ'বলগীয়া হ'লহেঁতেন, সেয়া আমি কল্পনা কৰিব পাৰোঁ।
- এটা সময় আছিল, যেতিয়া মই আত্মনিৰ্ভৰশীলতাৰ কথা কৈছিলোঁ আৰু শীতাতপ নিয়ন্ত্ৰিত কোঠাত বহি থকা লোকসকলে প্ৰশ্ন কৰিছিল-তেন্তে বিশ্বায়নৰ কি হ'ব?
- কিন্তু বিশ্বই দেখিছে যে বিগত এটা দশকত এনে লাগিছে যেন বিশ্বই বিশ্বায়নৰ কথা কোৱাই বন্ধ কৰি দিছে-আগতে যিবোৰ ঠাইৰ পৰা বিশ্বায়নৰ কণ্ঠস্বৰ শুনিবলৈ পোৱা গৈছিল, সেই কণ্ঠস্বৰসমূহ এতিয়া বন্ধ হৈ গৈছে, সেইবোৰ আৰু শুনিবলৈ পোৱা নাযায়।

"আমি কাৰোতকৈ পিছপৰা হ'ব নালাগে। এয়া অসংখ্য দেশবাসীৰ সংকল্প। কিন্তু যেতিয়ালৈকে এই সংকল্পৰ সৈতে অক্লান্ত পৰিশ্ৰম আৰু অসাধাৰণ সাহস সংযুক্ত নহয়, তেতিয়ালৈকে কোনো সংকল্পই সম্পূৰ্ণ ৰূপ নাপায়।"

*(২০২১ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰদান কৰা ভাষণৰ একাংশ)*



*২০২১ চনৰ স্বাধীনতা দিৱসৰ ছবি*

# নতুন সপ্তধাৰাই সূচনা কৰিছে
# নতুন গতিৰ

*লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰধানমন্ত্ৰী মোদীয়ে দেশবাসীৰ সন্মুখত শক্তিৰ এক নতুন সপ্তধাৰাৰ আহ্বান জনায়, যিয়ে অহা ৫-৭ বছৰত বিকশিত ৰাষ্ট্ৰৰ লক্ষ্য পূৰণৰ বাবে ভাৰতক শক্তি প্ৰদান কৰিব...*

- শতিকাটোৰ এক চতুৰ্থাংশ পাৰ হৈ গ'ল আৰু পৰৱৰ্তী চতুৰ্থাংশ আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ; আমাৰ গতি থমকি ৰ'ব নোৱাৰে। আমাৰ দিশ নিৰ্ধাৰিত হৈছে আৰু আমি সেই লক্ষ্যত উপনীত হ'ব লাগিব।
- আমি আমাৰ কৰ্মসংস্কৃতি সলনি কৰিব লাগিব, আমাৰ চিন্তাধাৰাও সলনি কৰিব লাগিব, আমাৰ কামৰ গতিও সলনি কৰিব লাগিব।
- যি কাম বিগত ৫-৭ দশকত কৰা হোৱা নাই, সেই কাম আমি আগন্তুক ৫-৭ বছৰত কৰিব লাগিব।
- সংস্কাৰ আমাৰ বাবে কোনো বাধ্যবাধকতা নহয়, কোনো জনপ্ৰিয় শ্লোগান নহয়-এই সংস্কাৰ আমাৰ দৃঢ় বিশ্বাস; আমি 'সংস্কাৰ এক্সপ্ৰেছ'ত যাত্ৰা আৰম্ভ কৰিছোঁ।
- মই সেই যুগটোৰ কথাও স্মৰণ কৰিব বিচাৰোঁ, যেতিয়া ভাৰতৰ সামৰ্থ্য 'সপ্ত সিন্ধু' হিচাপে পৰিচিত আছিল, আৰু ভাৰতক বিকশিত কৰি তুলিবলৈ আমাক 'সপ্তধাৰা'ৰ প্ৰয়োজন।
- সপ্তধাৰাৰ এই সাতটা শক্তি কেৱল কোনো এটা নিৰ্দিষ্ট খণ্ডত প্ৰগতি অৰ্জন কৰাৰ কথা নহয়-এক সামগ্ৰিক দৃষ্টিভংগীৰে আমি দেশৰ লক্ষ্যসমূহৰ পৰিসৰ অতিক্ৰম কৰাৰ বাবে কাম কৰিব লাগিব।
- এখন দেশ কেৱল চৰকাৰক লৈ গঠিত নহয়, এখন দেশ প্ৰতিগৰাকী নাগৰিকক লৈ গঠিত-আগন্তুক দশকৰ ভিতৰত ফৰ্চুন ৫০০ৰ ৫০টা কোম্পানী ভাৰতৰ কিয় হ'ব নোৱাৰে?
- বিশ্বৰ শীৰ্ষ পাঁচটা বেংকৰ ভিতৰত এটা ভাৰতীয় বেংক থাকিব লাগে আৰু বিশ্বৰ শীৰ্ষ পাঁচটা ঔষধ নিৰ্মাণকাৰী কোম্পানীৰ ভিতৰত এটা বা দুটা ভাৰতীয় ঔষধ কোম্পানীৰ নাম প্ৰতিধ্বনিত হ'ব লাগে।
- আইন প্ৰতিষ্ঠান, ৰেটিং এজেঞ্চী, পৰামৰ্শদাতা আৰু হিচাপ-নিকাচ প্ৰতিষ্ঠান, আৰু প্ৰযুক্তি কোম্পানী-ভাৰতে বিশ্বব্যাপী নেতৃত্ব দিব লাগে আৰু আমি এনে ব্ৰেণ্ড গঢ়ি তুলিব লাগে, যিয়ে সমগ্ৰ বিশ্বক আকৰ্ষণ কৰে।




"সপ্তধাৰাৰ এই সাতটা শক্তি কেৱল পৃথক পৃথক খণ্ডত প্ৰগতি অৰ্জন কৰাৰ বিষয় নহয়। এক সামগ্ৰিক দৃষ্টিভংগীৰে আমি দেশৰ বাবে নিৰ্ধাৰণ কৰা লক্ষ্য আৰু আকাংক্ষাৰ পৰিসৰ অতিক্ৰম কৰাৰ দিশত কাম কৰিব লাগিব।"

(২০২০ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰদান কৰা ভাষণৰ একাংশ)

# সপ্তধাৰা



## প্ৰথম শক্তি

উৎপাদন শক্তি: ব্যয়, গুণগত মান আৰু পৰিসৰৰ ক্ষেত্ৰত আমি বিশ্বমান পূৰণ কৰিব লাগিব; আমাৰ মন্ত্ৰ হ'ব লাগে-গুণগত মান, গুণগত মান, গুণগত মান। আমাৰ ত্ৰুটিশূন্য, নিখুঁত উৎপাদনেই আমাৰ পৰিচয় হৈ উঠিব লাগে।

## দ্বিতীয় শক্তি

কৃষি আৰু খাদ্য উৎপাদন: খেতিপথাৰৰ পৰা ৰপ্তানি বজাৰলৈকে আমাৰ বাজৰা, মছলা, ফল-মূল আৰু ফুল বিশ্বায়নিক ব্ৰেণ্ড হৈ উঠিব লাগে।

## তৃতীয় শক্তি

প্ৰযুক্তি আৰু উদ্ভাৱন: আমি উদ্ভাৱনৰ এক কেন্দ্ৰ হৈ উঠিব লাগিব, ভাৰতে পৰৱৰ্তী প্ৰজন্মৰ যোগাযোগ প্ৰযুক্তিৰ ক্ষেত্ৰত নেতৃত্ব দিব লাগিব আৰু ভাৰতত নিৰ্মিত ৬জি দেশৰ প্ৰতিটো প্ৰান্তত উপনীত হ'ব লাগিব।

## চতুৰ্থ শক্তি

গতি শক্তি: দেশৰ ভিতৰত নীৰৱচ্ছিন্ন আৰু দ্ৰুত সংযোগ ব্যৱস্থাৰ ক্ষেত্ৰত আমি গুৰুত্ব দিব লাগিব-উচ্চ গতিৰ ৰে'ল, আধুনিক ঘাইপথ, আভ্যন্তৰীণ জলপথ, বিমানবন্দৰ আৰু বন্দৰ-নেতৃত্বাধীন উন্নয়নৰ জৰিয়তে বিকাশ।

## পঞ্চম শক্তি

ৰক্ষা শক্তি: ভাৰতে এতিয়া অভিজ্ঞতা লাভ কৰিছে আৰু বিশ্বয়ো অভিজ্ঞতা লাভ কৰিছে যে প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ কোনো বিকল্প নাই; ইয়াৰ বাবে আমি পৰৱৰ্তী প্ৰজন্মৰ প্ৰতিৰক্ষা প্ৰযুক্তি, ড্ৰ'ন আৰু ড্ৰ'ন-বিৰোধী ব্যৱস্থা, আৰু হাইপাৰছনিক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত নেতৃত্ব ল'ব লাগিব।

## ষষ্ঠ শক্তি

সেউজ অৰ্থনীতি আৰু নীলা অৰ্থনীতি: সেউজ হাইড্ৰ'জেন, নৱীকৰণযোগ্য শক্তি, মীনপালন আৰু উপকূলীয় পৰ্যটন। আমি বিশ্বজোৰা পৰিসৰত সেউজ হাইড্ৰ'জেন, নৱীকৰণযোগ্য শক্তি, শক্তি সংৰক্ষণ, সেউজ গতিশীলতা আৰু সেউজ উৎপাদনৰ লক্ষ্যত উপনীত হ'ব লাগিব। আমাৰ অতি দীঘল উপকূলৰ প্ৰতি লক্ষ্য ৰাখি নীলা অৰ্থনীতিৰ ক্ষেত্ৰতো অপৰিসীম সুযোগ আছে।

## সপ্তম শক্তি

ভাৰতৰ সৌম্য শক্তি: যোগ, আয়ুৰ্বেদ, হিল ইন ইণ্ডিয়া, চলচ্চিত্ৰ, এনিমেচন, গেমিং, ৰেভছ সন্মিলন। ভাৰতৰ সৌম্য শক্তিৰ সামৰ্থ্য অপৰিসীম; আজি যোগে সমগ্ৰ বিশ্বক ভাৰতৰ সৈতে সংযুক্ত কৰিছে।

## বিশ্ব বাণিজ্য আৰু

# ভাৰতৰ ক্ৰমবৰ্ধমান বিশ্বাসযোগ্যতা

*বিশ্বই এতিয়া ভাৰতৰ সুস্থিৰ চৰকাৰ আৰু উজ্জীৱিত গণতন্ত্ৰক স্বীকৃতি দিছে; মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে এমএছএমই আৰু ৰপ্তানিৰ বাবে নতুন সুযোগৰ দিশত প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্ব আৰোপ কৰিছে...*

- আজি বিশ্বৰ সন্মুখত ভাৰতৰ পৰিচয়ৰ যথেষ্ট শক্তিশালীভাৱে উত্থান ঘটিছে। ভাৰত বিশ্বৰ বাবে এক গ্ৰহণযোগ্য আৰু সন্মানীয় দেশ হিচাপে পৰিগণিত হৈছে।
- ২০১৪ চনৰ পিছত আমি প্ৰায় ৪০খন দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰাৰ দিশত আগবাঢ়িছোঁ, যি এক বৃহৎ সুযোগ।
- এমএছএমইসমূহে এই সুযোগ হেৰুৱাব নালাগে-আমি আমাৰ বস্ত্ৰ, যন্ত্ৰপাতি আৰু ঔষধ লৈ বিশ্বৰ বজাৰত উপনীত হ'ব লাগিব; আমি বিশ্বমান অতিক্ৰম কৰিব লাগিব আৰু বিশ্বত বৰ্তমান উপলব্ধ সামগ্ৰীতকৈ উন্নত মানৰ সামগ্ৰী আগবঢ়াব লাগিব।
- আমাৰ সামুদ্ৰিক খাদ্য সামগ্ৰী বিশ্বৰ বজাৰত উপনীত হোৱাৰ যথেষ্ট সম্ভাৱনা আছে আৰু আমি আগবাঢ়ি যোৱাৰ সময়ত এই পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰাটো মই বিচাৰোঁ।
- ভাৰতৰ প্ৰতিটো সামগ্ৰী বিশ্বৰ বজাৰত উপনীত হ'ব লাগে- আমাৰ বস্ত্ৰই হওক, আমাৰ যন্ত্ৰপাতিয়েই হওক অথবা আমাৰ ঔষধেই হওক, আমি কোনো সুযোগ হেৰুৱাব নালাগে।
- আমি বিশ্বত উপলব্ধ সামগ্ৰীতকৈ উন্নত মানৰ আৰু অধিক সুলভ সামগ্ৰী আগবঢ়াব লাগিব। পঞ্জাবৰ লুধিয়ানাৰ পৰা তামিলনাডুৰ তিৰুপ্পুৰলৈকে আমাৰ বস্ত্ৰ খণ্ডৰ বিশ্বৰ বজাৰত উপনীত হোৱাৰ সামৰ্থ্য আছে।
- কেৰালমৰ পৰা গুজৰাটলৈ আৰু তামিলনাডুৰ পৰা বংগলৈকে আমাৰ মৎস্যজীৱী ভাই-ভনীসকলৰ বাবে এতিয়া এই মুক্ত বাণিজ্য চুক্তিৰ ফলত মিছা মাছ ৰপ্তানি কৰাৰ সম্ভাৱনা বহুগুণে বৃদ্ধি পাইছে।
- ভাৰতৰ এখন সুস্থিৰ চৰকাৰ, এক উজ্জীৱিত গণতন্ত্ৰ আৰু এক শক্তিশালী ন্যায়িক ব্যৱস্থা আছে। ভাৰতৰ সংবিধানে আমাক সকলোকে দিশ-নিৰ্দেশনা দিয়ে আৰু বিশ্বই এতিয়া আমাৰ এই শক্তিক স্বীকৃতি দিবলৈ আৰম্ভ কৰিছে।



"মই গৌৰৱেৰে এই কথা ক'ব পাৰোঁ- আজি প্ৰতিগৰাকী ভাৰতীয়ই 'এক দেশ, এক সংবিধান'ৰ কথা ক'ব পাৰে আৰু আমি চৰ্দাৰ পেটেলৰ 'এক ভাৰত-শ্ৰেষ্ঠ ভাৰত'ৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সমৰ্পিত।"

*(২০১৯ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰদান কৰা ভাষণৰ একাংশ)*

*২০১৯ চনৰ স্বাধীনতা দিৱসৰ ছবি*

# যুৱ শক্তি আৰু ডিজিটেল বিপ্লৱ

‘ষ্টাৰ্টআপ ইণ্ডিয়া’ৰ পৰা ‘এআই স্কিলিঙ’লৈকে প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ যুৱক-যুৱতীসকলক লালকিল্লাৰ প্ৰাচীৰৰ পৰা ‘বিকশিত ভাৰতৰ সৰ্বশ্ৰেষ্ঠ শক্তি আৰু সৰ্বাধিক হিতাধিকাৰী’ বুলি অভিহিত কৰিছে...

- এক বিকশিত ভাৰতৰ দিশে আগবঢ়া যাত্ৰাত যুৱক-যুৱতীসকলৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে; বিকশিত ভাৰতৰ সৰ্বাধিক হিতাধিকাৰীও হ’ব যুৱক-যুৱতীসকল।
- ষ্টাৰ্টআপ ইণ্ডিয়া পদক্ষেপৰ অধীনত এতিয়া সমগ্ৰ দেশতে ২.৫ লাখতকৈয়ো অধিক পঞ্জীয়নভুক্ত ষ্টাৰ্টআপ আছে। চৰকাৰে ইতিমধ্যে এক লাখ কোটি টকাৰ উদ্ভাৱন পুঁজি ঘোষণা কৰিছে।
- ২৮ বছৰ গড় বয়সৰ যুৱক-যুৱতীসকলৰ নেতৃত্বত ভাৰতৰ ব্যক্তিগত ষ্টাৰ্টআপসমূহে নিজৰ উপগ্ৰহ আৰু ৰকেট উৎক্ষেপণ কৰি প্ৰথমটো পৰীক্ষাত সফলতা লাভ কৰিছে।
- অহা এটা বছৰৰ ভিতৰত এক কোটি যুৱক-যুৱতীক এআই দক্ষতাৰ প্ৰশিক্ষণ দিয়া হ’ব, যাৰ জৰিয়তে তেওঁলোকে গোলকীয় এআই যুগত নেতৃত্ব দিব পাৰিব।.
- ২০০৪ চনৰ পৰা ২০১৪ চনলৈকে ৩৫০খনতকৈও কম বিশ্ববিদ্যালয়হে আছিল; আজি ৬৫০খন নতুন বিশ্ববিদ্যালয়ৰ সংযোজন হোৱাৰ লগে লগে আমি ১০০০খনৰ কাষ চাপিছো।
- ২০১৪ চনৰ আগতে চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে মহাবিদ্যালয় আছিল মাত্ৰ ৪০০ খনমান; আজি এই পৰিসংখ্যা প্ৰায় ৮৫০খন হৈছে। বহিঃদেশীয় বিশ্ববিদ্যালয়সমূহো এতিয়া ভাৰতলৈ আহি আছে।
- সৰু ল’ৰা-ছোৱালীহঁতৰ বাবে নিৰ্মাণ কৰা ১০ হাজাৰৰো অধিক ‘অটল টিংকাৰিং লেব’ আমি হস্তান্তৰিত কৰিছো।
- ২০১৪ চনৰ আগতে জৈৱ অৰ্থনীতিৰ ব্যৱসায় আছিল ৬০,০০০ কোটি টকা; আজি এই পৰিমাণ ২০ লাখ কোটি টকা হৈছেগৈ।
- ২০০৯-১০ বিত্তীয়বৰ্ষত মাত্ৰ ১.৫ লাখ বৈদ্যুতিক বাহনহে বিক্ৰী হৈছিল; ২০২৫-২৬ বিত্তীয়বৰ্ষত বিক্ৰী হৈছে ২৫ লাখ বৈদ্যুতিক বাহন।
- আমি মে’ড-ইন-ইণ্ডিয়া বিমান নিৰ্মাণৰ দিশত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত সফলতা লাভ কৰিছো; ইতিমধ্যে মে’ড-ইন-ইণ্ডিয়া প্ৰতিৰক্ষা পৰিবহণ বিমান চি২৯৫-ৰ সফল উৰণ সম্পূৰ্ণ হৈছে।
- ড্ৰ’নৰ জৰিয়তে স্বামিত্ব (SVAMITVA) আঁচনিখন গাঁৱে-ভূঞে সফলতাৰে ৰূপায়ণ কৰা হৈছে; ইয়াৰ দ্বাৰা প্ৰায় ৩.২৫ কোটি পৰিয়াল উপকৃত হৈছে।
- মধ্যবিত্ত পৰিয়ালৰ বোজা লাঘৱ কৰিবলৈ আমি বিভিন্ন পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা যুৱক-যুৱতীসকলৰ বাবে বিনামূলীয়া অনলাইন কোচিং প্ৰদান কৰাৰ সিদ্ধান্ত লৈছোঁ।

“এটা সময় আছিল যেতিয়া পৃথিৱীয়ে ভাৰতৰ অৰ্থনীতিক অতিকে বিপদাশংকাযুক্ত বুলি গণ্য কৰিছিল। আজি সেই একেখিনি মানুহ আৰু প্ৰতিষ্ঠানেই অতি আত্মবিশ্বাসেৰে কয় যে সংস্কাৰৰ গতিবেগে আমাৰ অৰ্থনৈতিক মৌলিক দিশবোৰ শক্তিশালী কৰি তুলিছে।”

*(২০১৮ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ কিয়দংশ)*





*২০১৮ চনৰ স্বাধীনতা দিৱসৰ ছবি*

# ক্ৰীড়াক্ষেত্ৰত এখন বিকশিত ভাৰত

# এখন ড্ৰাগছমুক্ত ভাৰত

প্ৰধানমন্ত্ৰী মোদীয়ে ২০৩৬ চনৰ অলিম্পিক আৰু ২০৩০ চনৰ কমনৱেলথ গে'মছ-ৰ বাবে প্ৰস্তুতি চলোৱাৰ লগতে যুৱক-যুৱতীসকলক ড্ৰাগছৰ আসক্তিৰ পৰা আঁতৰাই ৰখাৰ আহ্বান জনায়...

- যিয়ে খেলে, তেওঁৱেই ফুলে -ক্ৰীড়াৰ মঞ্চসমূহত এতিয়া ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত গুঞ্জৰিত হোৱা শুনা গৈছে, আৰু ত্ৰিৰংগাই গৌৰৱেৰে লহৰ তুলিবলৈ লৈছে।
- 'টপছ আঁচনি', 'খেলো ইণ্ডিয়া গে'মছ', 'ইউনিভাৰ্চিটি গে'মছ', 'শীতকালীন ক্ৰীড়া সমাৰোহ', 'বিচ গে'মছ', ক্ৰীড়া আন্তঃগাঁথনি, ক্ৰীড়া প্ৰশিক্ষণ, ক্ৰীড়া চিকিৎসা আৰু ক্ৰীড়া পুষ্টি - ভাৰতে এই সকলোবোৰ ক্ষেত্ৰত উৎকৃষ্টতা অৰ্জনৰ দিশত আগবাঢ়িছে।
- আমি ২০৩৬ চনৰ অলিম্পিক আয়োজনৰ বাবে শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে আগবাঢ়িছোঁ, আৰু ভাৰতে ২০৩০ চনত কমনৱেলথ গে'মছ-ও অনুষ্ঠিত কৰিবলৈ ওলাইছে।
- অলিম্পিকৰ ৩২৫-৩৫০টা ইভেণ্টৰ প্ৰায় দুই তৃতীয়াংশতে ভাৰতে অংশগ্ৰহণেই নকৰে; ভাৰতে এই ক্ষেত্ৰসমূহত গুৰুত্ব দিব লাগিব, আৰু ইয়াৰ বাবে আমিও প্ৰতিভা-সন্ধান অভিযান আৰম্ভ কৰিব বিচাৰিছোঁ।
- ২০৩৬ চনৰ বাবে আমাক প্ৰয়োজন হোৱা খেলুৱৈৰ বাবে ৫১ পৰা ১৫ বছৰ বয়সৰ শিশুসকলৰ মাজত ক্ৰীড়া প্ৰতিভা চিনাক্ত কৰিবলৈ সমগ্ৰ দেশৰ গাঁও, চহৰ আৰু বিদ্যালয়সমূহত প্ৰতিভা-সন্ধান অভিযান চলোৱা হ'ব।
- ড্ৰাগছৰ প্ৰতি আসক্তি এক বৃহৎ সংকটত পৰিণত হৈছে; এখন নিচামুক্ত ভাৰত গঢ়ি তোলাটো আমাৰ সকলোৰে বাবে এক সামূহিক দায়িত্ব হ'ব লাগিব।
- দেশৰ সামাজিক আৰু সাংস্কৃতিক সংগঠন আৰু আধ্যাত্মিক নেতাসকলে একত্ৰিত হৈ ড্ৰাগছ মুক্ত ভাৰতৰ বাবে ১০০ সপ্তাহৰ এক কাৰ্যসূচী আৰম্ভ কৰিছে। মই বিচাৰো প্ৰতিটো পৰিয়ালেই এই অভিযানৰ অংশীদাৰ হওক।



"কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত যেতিয়া অৰ্জুনে যুদ্ধক্ষেত্ৰত শ্ৰীকৃষ্ণক অসংখ্য প্ৰশ্ন কৰিছিল, তেতিয়া কৃষ্ণই তেওঁক কৈছিল যে কোনো কৰ্মৰ পৰিণতি সংশ্লিষ্টজনৰ মনৰ অৱস্থাৰ সৈতে সংগতিপূৰ্ণ হয়।"

*(২০১৫ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ কিয়দাংশ)*

*২০১৭ চনৰ স্বাধীনতা দিৱসৰ ছবি*

# নক্সালবাদৰ অন্ত, 'মানসিক নক্সাল'ৰ নতুন প্ৰত্যাহ্বান

প্ৰধানমন্ত্ৰী মোদীয়ে চাৰি দশকজোৰা নক্সালবাদৰ অন্ত পেলোৱাৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ কথা কয়, একে সময়তে 'মানসিক নক্সাল'সকলক চিনাক্ত কৰি এঘৰীয়া কৰাৰ আহ্বান জনায়...

- নক্সালবাদ আৰু মাওবাদে লাখ লাখ যুৱক-যুৱতীৰ ভৱিষ্যত ধ্বংস কৰি পেলাইছে; চাৰি দশক ধৰি সাধাৰণ নাগৰিকক সুৰক্ষা দিবলৈ গৈ ৩৫০০ৰো অধিক আৰক্ষী আৰু নিৰাপত্তাৰক্ষী শ্বহীদ হৈছিল।

- ২০১৪ চনত সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাৰ দিনাই আমি সংকল্প লৈছিলো যে দেশখনক নক্সালবাদৰ পৰা মুক্ত কৰা হ'ব, আৰু আজি নক্সালবাদী-মাওবাদী হিংসাৰ অন্তিম উশাহ ল'ব পৰাকৈয়ো শক্তি নোহোৱা হৈছে।

- যিবোৰ অঞ্চলত এসময়ত নক্সালবাদীৰ বন্দুকৰ গুলীবৰ্ষণ হৈছিল, যিবোৰ অঞ্চলৰ মাটি এসময়ত তেজৰ দাগেৰে সিক্ত হৈছিল, সেইবোৰ অতি নক্সাল প্ৰভাৱিত অঞ্চলতে আজি উন্নয়ন, বিশ্বাস আৰু প্ৰয়াসৰ ত্ৰিৰংগ পতাকাই উচ্চ শিৰে লহৰ তুলিবলৈ লৈছে, কাৰণ সেইবোৰ অঞ্চল এতিয়া নক্সালবাদৰ পৰা মুক্ত হৈছে।

- আমি অৰণ্যৰ পৰা অস্ত্ৰধাৰী নক্সালসকলক নিৰ্মূল কৰি দেশক সেই বিপদৰ পৰা মুক্ত কৰাত সফল হৈছোঁ। অৱশ্যে সশস্ত্ৰ নক্সাল নোহোৱাৰ সময়তো কিন্তু মানসিক নক্সালসকল ৰৈ গৈছে, আৰু তেওঁলোকে এটা সুযোগৰ সন্ধানত আছে।

- সমাজখনক ভুল পথলৈ টানি নিবলৈ বিভিন্ন কৌশলৰ আশ্ৰয় লৈ হিংসা আৰু অৰাজকতাৰ পথ বিচাৰিছে। আমি এই মানসিক নক্সালসকলক চিনাক্ত কৰি এঘৰীয়া কৰিব পাৰিব লাগিব। এখন উন্নত ৰাষ্ট্ৰ গঢ়াৰ মূলসুঁতিৰ প্ৰয়াসৰ সৈতে দেশৰ যুৱক-যুৱতীসকলক সংযুক্ত কৰিব লাগিব।

- আমি এই প্ৰত্যাহ্বানক তুচ্ছজ্ঞান কৰিব নালাগিব; আমি আৰু অধিক সতৰ্ক হোৱাৰ প্ৰয়োজন আছে। বহু বছৰ ধৰি মাওবাদী মতাদৰ্শৰ ব্যক্তিসকলে ক্ষমতাৰ আলিয়ে-গলিয়ে নিজৰ বাবে ঠাই উলিয়াই লৈছিল, আনকি নীতি-নিয়ম প্ৰণয়নতো প্ৰভাৱিত কৰিছিল।



"এইটো সঁচা যে দেশখনে বহু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, কিন্তু আমি পাহৰি যাব নালাগিব যে এই প্ৰত্যাহ্বানসমূহৰ সমান্তৰালভাৱে ৰাষ্ট্ৰৰ অপৰিসীম সামৰ্থ্যও আছে। যেতিয়া আমি সেই সামৰ্থ্যক ব্যৱহাৰ কৰো তেতিয়া আমি সমাধানৰ পথ বিচাৰি পাওঁ।"

*(২০১৬ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ কিয়দংশ)*

*২০১৬ চনৰ স্বাধীনতা দিৱসৰ ছবি*

# এখন নিৰাপদ, সামৰ্থ্যবান ভাৰতৰ প্ৰতিৰক্ষা বিপ্লৱ

যুদ্ধৰ পৰিৱৰ্তিত প্ৰকৃতিৰ মাজতে প্ৰধানমন্ত্ৰী মোদীয়ে 'মিছন সুদৰ্শন চক্ৰ' আৰু প্ৰতিৰক্ষা ৰপ্তানিৰ ক্ষেত্ৰত অগ্ৰগতিৰ সমান্তৰালভাৱে নাগৰিক প্ৰতিৰক্ষাৰ আধুনিকীকৰণৰ কথা ঘোষণা কৰে...

- আজি যুদ্ধৰ স্বৰূপ সলনি হৈছে; সংঘাত যে সীমান্ততে সীমাবদ্ধ থাকিব তাৰ নিশ্চয়তা আৰু নোহোৱা হৈছে। আধুনিক যুদ্ধই শোধনাগাৰ, বেংকিং খণ্ড বা ডাটা চেণ্টাৰকো লক্ষ্য কৰি ল'ব পাৰে - আন্তঃগাঁথনি আৰু কাৰখানাসমূহকো ধ্বংস কৰা হৈছে।
- মই আজি লালকিল্লাৰ পৰা ঘোষণা কৰিছো যে, অনাগত দিনত আমি নাগৰিক প্ৰতিৰক্ষাৰ এক প্ৰাণোচ্ছল নেটৱৰ্ক গঢ়ি তুলিম, আৰু আমি নাগৰিকসকলক আধুনিক ব্যৱস্থাৰ সৈতে পৰিচিত কৰাম।
- আমি নাগৰিকসকলক আধুনিক সংকটৰ পৰা ৰক্ষা কৰিবলৈ আৰু আধুনিক প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিবলৈ অসামৰিক প্ৰতিৰক্ষাৰ এক বিশাল স্বেচ্ছাসেৱক বাহিনী গঠন কৰিবলৈ ওলাইছোঁ।
- প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বিকল্প নাই; আমি পৰৱৰ্তী প্ৰজন্মৰ প্ৰতিৰক্ষা প্ৰযুক্তি বিকশিত কৰিব লাগিব আৰু বিশ্বজোৰা যোগানকাৰী হৈ উঠিব লাগিব।
- আমি ড্ৰ'ন আৰু কাউণ্টাৰ ড্ৰ'ন ব্যৱস্থা বিকশিত কৰিব লাগিব, আৰু হাইপাৰছ'নিক প্ৰতিৰক্ষা প্ৰযুক্তিৰ ক্ষেত্ৰত নেতৃত্ব ল'ব লাগিব। চাইবাৰ সুৰক্ষাও আজি প্ৰতিখন ঘৰৰ বাবে চিন্তাৰ বিষয় হৈ উঠিছে, আৰু আমি ইয়াতো আমাৰ যুৱক-যুৱতীসকলৰ সামৰ্থ্যক ব্যৱহাৰ কৰিব পাৰিব লাগিব।
- আমি কিছু বছৰৰ আগতে 'মিছন সুদৰ্শন চক্ৰ'ৰ কথা ঘোষণা কৰিছিলো, আৰু ইয়াৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। আমাৰ প্ৰতিৰক্ষা ৰপ্তানি প্ৰায় ৫০ গুণ বৃদ্ধি পাইছে, আৰু আমাৰ অস্ত্ৰ-শস্ত্ৰ প্ৰায় ১০০খন দেশত উপনীত হৈছেগৈ। বিশ্বৰ মঞ্চত ভাৰতৰ প্ৰতিপত্তি ক্ৰমশঃ বৃদ্ধি পাইছে।



"গণতন্ত্ৰত জনসাধাৰণৰ অংশগ্ৰহণ হৈছে সৰ্বাধিক সম্পদ। যদি আমি দেশৰ ১২৫ কোটি নাগৰিকক জড়িত কৰি ৰাষ্ট্ৰখনক পৰিচালিত কৰোঁ, তেন্তে প্ৰতি মুহূৰ্ততে দেশে ১২৫ কোটি খোজ আগুৱাব পাৰিব; সেইবাবেই 'টীম ইণ্ডিয়া'ৰ ধাৰণাটোৰ জৰিয়তে জনসাধাৰণৰ অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰা হৈছে।"

*(২০১৫ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ কিয়দংশ)*

*২০১৫ চনৰ স্বাধীনতা দিৱসৰ ছবি*

# নাৰী শক্তি, সামাজিক সুৰক্ষা আৰু লোকপিয়লত অংশগ্ৰহণৰ আহ্বান

কন্যাসকলৰ কৃতিত্বৰ পৰা আৰম্ভ কৰি লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ সংৰক্ষণ আৰু লোকপিয়লত অংশগ্ৰহণলৈকে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰ নিৰ্মাণত প্ৰতিগৰাকী নাগৰিকৰ ভূমিকাৰ প্ৰতি আহ্বান জনায়...

- যুঁজাৰু বিমানতেই হওক বা অসামৰিক বিমান পৰিবহণতেই হওক, STEM শিক্ষাই হওক বা সশস্ত্ৰ বাহিনীতেই হওক, আমাৰ ছোৱালীসকল আগৰণুৱা।
- শেহতীয়াকৈ মই সানন্দৰ এটা অৰ্ধপৰিবাহী প্ৰকল্পলৈ গৈছিলোঁ, য'ত দেশৰ বিভিন্ন কোণৰ পৰা অহা জনজাতীয় ছোৱালীসকলে কাম কৰি আছিল।
- তেওঁলোক এনে গাঁৱৰ পৰা আহিছিল য'ত মানুহে পাছপ'ৰ্ট কি তাকো নাজানিছিল; সেইবোৰ ছোৱালীয়েই বিদেশলৈ গৈছিল, প্ৰশিক্ষণ লৈছিল, আৰু আজি চিপ নিৰ্মাণৰ কাম কৰি আছে।
- আমি ৩ কোটি ভগ্নীক লাখপতি দিদি হিচাপে গঢ়ি তোলাৰ লক্ষ্য গ্ৰহণ কৰিছিলোঁ আৰু ইতিমধ্যে সেই লক্ষ্য অতিক্ৰম কৰিছোঁ; এতিয়া আমি ৬ কোটিৰ দিশে আগবাঢ়িছোঁ।
- আমি সংসদত 'নাৰী শক্তি বন্দন অধিনিয়ম' গৃহীত কৰিলোঁ; বিধানসভা আৰু লোকসভাত আমাৰ মাতৃ-ভগ্নীসকলক ৩৩% প্ৰতিনিধিত্ব নিশ্চিত কৰিবলৈ আহ্বান জনালোঁ।
- ২০১৪ চনৰ আগতে মাত্ৰ ২৫ কোটি লোককহে সামাজিক সুৰক্ষা কৰচে সামৰি লৈছিল; এটা দশকৰ ভিতৰতে আমি ১০০ কোটি দেশবাসীক সামাজিক সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিছোঁ।
- 'আয়ুষ্মান ভাৰত'ৰ অধীনত ৭০ বছৰৰ ওপৰৰ বৃদ্ধসকলেও ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাসেৱা লাভ কৰি আছে; ইয়াৰ সুবাদতে পৰিয়ালসমূহৰ ২ লাখ কোটি টকা ৰাহি হৈছে।
- মই লালকিল্লাৰ পৰা 'পঞ্চ প্ৰাণ'ৰ কথা কৈছিলোঁ। এই পাঁচটা প্ৰতিশ্ৰুতিয়ে ৰাষ্ট্ৰখনক আত্মগৌৰৱ আৰু লক্ষ্য অতিক্ৰম কৰাৰ সামৰ্থ্যৰে আগবাঢ়ি যাবলৈ অপৰিসীম শক্তি প্ৰদান কৰিছে। আমি প্ৰতি মুহূৰ্ততে দাসত্বৰ মানসিকতাক নিৰ্মূল কৰি থাকিব লাগিব।
- আমাৰ স্বাৰ্থৰ আগত ৰাষ্ট্ৰৰ স্বাৰ্থ আহিব লাগিব, আৰু কৰ্তব্যই আমাৰ পৰিচয় নিৰ্ধাৰণ কৰিব লাগিব।

"মোৰ সতীৰ্থবাসী, মোৰ কথাত বিশ্বাস কৰক; মই আপোনালোকক নিশ্চয়তা প্ৰদান কৰিছোঁ। অতীতৰ পাপ আৰু তাৰ লগত জড়িত পথবোৰ পৰিত্যাগ কৰোঁ আহক; সদিচ্ছা আৰু ভাতৃত্ববোধৰ পথ আঁকোৱালি লওঁ, ৰাষ্ট্ৰখনক আগুৱাই নিয়াৰ সংকল্প লওঁ। মই নিশ্চিত যে আমি এইখিনি সম্ভৱ কৰিব পাৰিমেই।"

*(২০১৪ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণৰ কিয়দংশ)*



*২০১৪ চনৰ স্বাধীনতা দিৱসৰ ছবি*

‘বিভাজন বিভীষিকা স্মৃতি দিৱস’

# ভাৰতৰ ঐক্য, অখণ্ডতা আৰু শান্তি ৰক্ষাৰ এক সুদৃঢ় সংকল্প

দেশ বিভাজনৰ যন্ত্ৰণা কেতিয়াও পাহৰিব নোৱাৰি। ঘৃণা আৰু হিংসাৰ দ্বাৰা পৰিচালিত হৈ লাখ লাখ লোক স্থানচ্যুত হৈছিল আৰু আনকি প্ৰাণো হেৰুৱাইছিল। সেইসকল ব্যক্তিৰ সংগ্ৰাম আৰু ত্যাগক সন্মান জনাই ১৪ আগষ্টক ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’ হিচাপে পালন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এইটো দিনে আমাক বৈষম্য, শত্ৰুতা, আৰু অসদ-ইচ্ছাৰ বিষ নিৰ্মূল কৰিবলৈ অনুপ্ৰাণিত কৰে, একে সময়তে মানৱীয় দয়াৰ মনোভাৱক শক্তিশালী কৰে...



## দেশে সহ্য কৰিবলগীয়া হৈছিল বিভাজনৰ আঘাত

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে ব্ৰিটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল। প্ৰতি বছৰে ১৫ আগষ্টত পালন কৰা স্বাধীনতা দিৱস যিকোনো নাগৰিকৰ বাবেই হৈছে আনন্দ আৰু গৌৰৱৰ অনুষ্ঠান। কিন্তু স্বাধীনতাৰ মধুৰতাৰ সমান্তৰালকৈ দেশে বিভাজনৰ আঘাতো সহ্য কৰিবলগীয়া হৈছিল। ন-কৈ স্বাধীনতা লাভ কৰা ভাৰতে বিভাজনৰ হিংসাত্মক যন্ত্ৰণা সহ্য কৰিবলগীয়া হৈছিল, যিয়ে লাখ লাখ ভাৰতীয়ৰ মনত দুখৰ স্থায়ী দাগ পেলাইছিল। বিভাজন মানৱ ইতিহাসৰ অন্যতম বৃহৎ স্থানান্তৰণ হিচাপে পৰিগণিত হৈছিল, যিয়ে প্ৰায় ২ কোটি লোকক প্ৰভাৱিত কৰিছিল। লাখ লাখ পৰিয়ালে নিজৰ পূৰ্বপুৰুষৰ গাঁও, নগৰ বা চহৰ এৰি শৰণাৰ্থী হিচাপে নতুন



## সকলো সতীৰ্থ নাগৰিকলৈ আন্তৰিক প্ৰণিপাত: প্ৰধানমন্ত্ৰী মোদী

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে আমি ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’ পালন কৰিছোঁ। বিভাজনৰ দ্বাৰা প্ৰভাৱিত সকলোৰে সাহসক আমি সন্মান জনাইছোঁ। ইতিহাসৰ সেই মুহূৰ্তটোৱে অগণন জীৱনক ছিন্নভিন্ন কৰি পেলালে- পৰিয়ালবোৰক উৎখাত কৰি পেলোৱা হ’ল, আপোনজনক হেৰুৱাব লগা হ’ল আৰু মানুহে অসহ্যকৰ দুখ-কষ্ট সহ্য কৰিবলগীয়া হ’ল। তথাপি এই সকলোবোৰ অতিক্ৰম কৰিও মানুহে নিজৰ জীৱনটোক শূন্যৰ পৰাই পুনৰ নিৰ্মাণ কৰিলে, প্ৰতিকূলতাক সফলতালৈ ৰূপান্তৰ কৰিলে আৰু দেশৰ প্ৰগতিত অমূল্য অৱদান আগবঢ়ালে। তেওঁলোকৰ যাত্ৰাই আমাক মানুহৰ আত্মাৰ অধ্যৱসায়ৰ শক্তিৰ কথা মনত পেলাই দিয়ে। আশা কৰা হৈছে যে এই দিৱসটোৱে আমাৰ দেশত সম্প্ৰীতি আৰু ভাতৃত্ববোধ বৰ্তাই ৰখাৰ সংকল্প আৰু অধিক শক্তিশালী কৰিব। আমি সকলোৱে মিলি এখন উন্নত ভাৰত গঢ়াৰ দিশত কাম কৰিম। ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’ত সেই ভয়ংকৰ সময়ছোৱাৰ পৰা ওলাই অহা আৰু দেশৰ প্ৰগতিত অপৰিসীম অৰিহণা যোগোৱা সেই সকলো সতীৰ্থ নাগৰিকক মই আন্তৰিক অভিনন্দন জনাইছোঁ। প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈও তেওঁলোকৰ সংকল্প কেনেকৈ বাস্তৱায়িত কৰিব পাৰি সাহস আৰু সহনশীলতাৰ জৰিয়তে তেওঁলোকে সেয়া প্ৰদৰ্শন কৰিলে। আহক আমি ৰাষ্ট্ৰীয় সম্প্ৰীতি আৰু ঐক্যৰ মনোভাৱক আৰু অধিক শক্তিশালী কৰোঁ।



জীৱন আৰম্ভ কৰিবলৈ বাধ্য হৈছিল।

## ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ আমাৰ চূড়ান্ত লক্ষ্য হ’ব লাগিব: অমিত শ্বাহ

কেন্দ্ৰীয় গৃহ আৰু সমবায় দপ্তৰৰ মন্ত্ৰী অমিত শ্বাহে কয় যে ১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখটোৱে ইতিহাসৰ অন্যতম নিষ্ঠুৰ অধ্যায়ৰ সাক্ষ্য বহন কৰে, য’ত অমানৱীয় দুখ-কষ্ট সহ্য কৰি লাখ লাখ লোকে প্ৰাণ হেৰুৱাইছিল। কোটি কোটি লোকে ঘৰ-বাৰী, সা-সম্পত্তি, আপোনজনক এৰি আহিবলৈ বাধ্য হৈছিল, স্থানচ্যুত হৈছিল। দেশ বিভাজনৰ ফলত সৃষ্টি হোৱা যন্ত্ৰণা ইতিহাসে কেতিয়াও পাহৰিব নোৱাৰে। এই শোকাৱহ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা সকলোকৰ লগতে অত্যাচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰা সকলোক শ্ৰদ্ধাৰে সুঁৱৰিছো। ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’ পালনৰ জৰিয়তে মোদী চৰকাৰে এই শোকাৱহ ঘটনাৰ স্মৃতি নৱপ্ৰজন্মৰ মাজলৈ লৈ গৈছে, দেশখনক পুনৰ ছিন্নভিন্ন কৰিব বিচৰা শক্তিসমূহ যাতে কেতিয়াও সফল নহয়, আৰু ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ আমাৰ সৰ্বোচ্চ উদ্দেশ্য হৈ থকাটো নিশ্চিত কৰিছে।



## এক শক্তিশালী, সৌহাৰ্দ্যপূৰ্ণ আৰু সংবেদনশীল ভাৰত গঢ়ি তোলাটো আমাৰ দায়িত্ব: ৰাজনাথ সিং

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’-এ আমাক ভাৰতৰ বিভাজনৰ কৰুণগাথাৰ কথা মনত পেলাই দিয়ে, যিয়ে লাখ লাখ পৰিয়ালৰ জীৱন গভীৰ দুখ, স্থানান্তৰ আৰু অনিশ্চয়তাৰ মাজত ডুবাই পেলাইছিল। ই কেৱল ইতিহাসৰ এক যন্ত্ৰণাদায়ক অধ্যায়েই নহয় বৰঞ্চ অগণন ব্যক্তিৰ সংগ্ৰাম, সাহস, ত্যাগ আৰু সহণশীলতাৰো প্ৰমাণ যিয়ে নিজৰ ঘৰ-দুৱাৰ, পৰিয়াল, সা-সম্পত্তি আৰু আপোনজনক হেৰুৱায়ো নিজৰ জীৱনটো পুনৰ নিৰ্মাণ কৰাৰ সংকল্প লৈছিল। এই দিনটোৱে আমাক মনত পেলাই দিয়ে যে কেৱল ঐতিহাসিক দুখ-কষ্টৰ স্মৃতিবোৰক স্মৰণ কৰাটোৱেই যথেষ্ট নহয়; সেইবোৰৰ পৰা শিকি এনে এখন শক্তিশালী, সৌহাৰ্দ্যপূৰ্ণ আৰু সংবেদনশীল ভাৰত গঢ়ি তোলাটো আমাৰ দায়িত্ব হ’ব য’ত কোনো সমাজে আৰু কেতিয়াও বিভাজনৰ যন্ত্ৰণা সহ্য কৰিব নালাগিব। বিভাজনৰ ভয়াৱহতাৰ সময়ত নিজৰ প্ৰাণ আহুতি দিয়া সকলো চিনাকি আৰু অচিনাকি ব্যক্তিলৈ, আৰু নিজৰ জন্মভূমিৰ পৰা স্থানচ্যুত হোৱা অগণন পৰিয়াললৈ মোৰ বিনম্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।






# ঔদ্যোগিক বিপ্লৱৰ ক্ষেত্ৰত এক নতুন অগ্ৰগতি

## অনুকূল পৰিবেশৰ দ্বাৰা চালিত

উন্নয়নৰ বাবে কেৱল আন্তঃগাঁথনিয়েই নহয়, বৰঞ্চ এক ব্যাপক ঔদ্যোগিক বাতাবৰণ আৰু অনুকূল পৰিবেশ প্ৰয়োজনীয়। অন্ধ্ৰপ্ৰদেশত এনে এটি পৰিবেশৰ কৰ্ষণ কৰা হৈছে। এনে প্ৰেক্ষাপটত একাধিক বৃহৎ গোলকীয় কোম্পানী ৰাজ্যখনত বিনিয়োগ কৰিবলৈ আগ্ৰহী হৈ উঠিছে। উন্নয়নৰ এই গতিক ত্বৰান্বিতকৰণেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰ প্ৰদেশত ১৭,৯০০ কোটি টকাৰো অধিক মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰাজিৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে...



*প্ৰধানমন্ত্ৰী মোদীৰ আল্লুৰী সীতাৰাম ৰাজু বিমানবন্দৰ উদ্বোধনৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

অন্ধ্ৰ প্ৰদেশৰ ঔদ্যোগিক খণ্ডত এক ব্যাপক ৰূপান্তৰ সাধনৰ পৰিকল্পনা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে চফ্টৱেৰ খণ্ডত প্ৰতিষ্ঠিত পৰিচয়ৰ সমান্তৰালভাৱে ৰাজ্যখনক এটি ব্যাপক উৎপাদন কেন্দ্ৰলৈ বিকশিত কৰা হ'ব। ইয়াৰ ফলত ভৱিষ্যতে নিয়োগ আৰু প্ৰযুক্তি-চালিত উদ্যোগসমূহৰ বাবে এক নতুন পৰিবেশ সৃষ্টি হ'ব। 'সোণালী অন্ধ্ৰ প্ৰদেশ'ৰ দৃষ্টিভংগীক আগুৱাই নি প্ৰধানমন্ত্ৰীয়ে ১ আগষ্টত বিজয়নগৰম জিলাৰ ভোগপুৰমত ১৭,৯০০ কোটিৰো অধিক টকা মূল্যৰ ভিন্ন উন্নয়নমূলক প্ৰকল্পৰাজি উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

কিংবদন্তি জনজাতীয় নেতা আল্লুৰী সীতাৰাম ৰাজুলৈ শ্ৰদ্ধাঞ্জলি জনাই প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই পবিত্ৰ ভূমিত শুভাৰম্ভ কৰা নতুন বিমানবন্দৰে আঞ্চলিক উন্নয়নৰ বাবে এক গুৰুত্বপূৰ্ণ ৰাণৱে' আৰু যুৱ প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যতৰ বাবে এক শক্তিশালী লঞ্চপেড হিচাপে কাম কৰিছে। প্ৰধানমন্ত্ৰীয়ে মহান স্বাধীনতা সংগ্ৰামী আল্লুৰী সীতাৰাম ৰাজুৰ নামেৰে নতুন বিমানবন্দৰটোক নামকৰণৰ চৰকাৰী সিদ্ধান্তৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। তেওঁ এনে স্মৰণীয় শ্ৰদ্ধাঞ্জলিয়ে বিমানবন্দৰলৈ অহা-যোৱা কৰা প্ৰতিজন যাত্ৰীৰ মনতে দেশপ্ৰেমৰ গভীৰ ভাৱ জগাই তুলিব বুলি আত্মবিশ্বাস ব্যক্ত কৰে।

## অন্ধ্ৰ প্ৰদেশৰ উন্নয়ন সাধনৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ গুৰুত্ব আৰোপৰ উল্লেখযোগ্য দিশ

- প্ৰায় ১ লাখ কোটি টকা মূল্যৰ ৰেলৱে প্ৰকল্পৰ কাম বৰ্তমান অব্যাহত আছে।
- সমগ্ৰ ৰেল নেটৱৰ্কৰ বৈদ্যুতিকীকৰণ সম্পন্ন হৈছে আৰু ৭০ৰো অধিক ৰেল ষ্টেচনৰ আধুনিকীকৰণ কৰা হৈছে।
- তেওঁ ৰাজ্যখনৰ যুৱক-যুৱতীসকলে চফ্টৱেৰ আৰু প্ৰযুক্তি খণ্ডত বিশ্বব্যাপী স্বীকৃতি লাভ কৰা কাৰ্যক প্ৰশংসা কৰে।
- দেশৰ ভিতৰতে যুৱ প্ৰতিভাক সুযোগ প্ৰদান কৰি তেওঁলোকৰ অনুকূল ব্যৱহাৰ সুনিশ্চিত কৰিব লাগিব।
- চৰকাৰে এতিয়া মূলতঃ অৰ্ধপৰিবাহীৰ দৰে ভৱিষ্যৎ-মুখী, প্ৰযুক্তি-চালিত উদ্যোগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।
- গুগলৰ ১৫ বিলিয়ন মাৰ্কিন ডলাৰৰ বিশাল কেম্পাছৰ ঘোষণাৰ উদ্ধৃতি দি তেওঁ উল্লেখ কৰে যে এই ঘোষণাই ৰাজ্যখনৰ প্ৰতি বিশ্বৰ বিনিয়োগকাৰীসকলৰ মাজত ক্ৰমাৎ বৃদ্ধি পোৱা আগ্ৰহৰ স্পষ্ট ইংগিত বহন কৰিছে।
- আন একাধিক গোলকীয় কোম্পানীয়ে ইয়াত নতুন সম্ভাৱনা দেখিছে। এই সম্ভাৱনাই ৰাজ্যখন আৰু দেশৰ যুৱক-যুৱতীসকলক যথেষ্ট উপকৃত কৰিব।
- কেন্দ্ৰীয় চৰকাৰে নক্কাপল্লীত এখন বৃহৎ ফাৰ্মা পাৰ্ক স্থাপনৰ বাবে সমৰ্থন আগবঢ়াইছে।
- ৰায়লসীমা অঞ্চলৰ নবীকৰণযোগ্য শক্তি খণ্ডলৈ ৫ লাখ কোটিৰো অধিক টকাৰ বিনিয়োগৰ সঞ্চাৰ ঘটিছে।
- প্ৰধানমন্ত্ৰী মোদীৰ কেৱল শেহতীয়া তিনিবাৰ ভ্ৰমণতে ৰাজ্যখনত ২ লাখ কোটি টকা মূল্যৰ প্ৰকল্পৰ শুভাৰম্ভ কৰা হৈছে।

**শেহতীয়াকৈ ২৯,০০০ কোটি টকাৰ বৃহৎ বিনিয়োগেৰে 'উড়ান' আঁচনিৰ দ্বিতীয় পৰ্য্যায়ৰ কাম-কাজৰ শুভাৰম্ভ কৰা হৈছে।**

### কাৰ্যক্ষম বিমানবন্দৰ






"আজি দেশখনে অবিৰতভাৱে নীল অৰ্থনীতিক শক্তিশালী কৰি আছে। আমাৰ দৃষ্টিভংগী হৈছে সমগ্ৰ অঞ্চলটোক উপকূলীয় অৰ্থনৈতিক কৰিডৰ হিচাপে গঢ়ি তোলা। এই লক্ষ্যৰে বিশাখাপট্টনমৰ পৰা কৃষ্ণপট্টনমলৈকে আমাৰ বৰ্তমানৰ বন্দৰসমূহৰ আধুনিকীকৰণ কৰা হৈছে। ইয়াৰ উপৰিও আমি মোলাপেটা আৰু ৰামায়পট্টনমত নতুন বন্দৰ নিৰ্মাণ কৰি আছো।"

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



# ভাৰতীয় যুৱ সমাজে বিশ্বৰ প্ৰগতিক চালিত কৰিছে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্ণাটকৰ মহীশূৰত ‘স্বামী বিবেকানন্দ সাংস্কৃতিক যুৱ কেন্দ্ৰ - বিবেক স্মাৰক’ উদ্বোধন কৰে। স্বামী বিবেকানন্দক ভাৰতৰ চেতনাৰ বাহক বুলি অভিহিত কৰি তেওঁ এই উপলক্ষত কয় যে দেশৰ যুৱক-যুৱতীসকলে আজি বিশ্বৰ উন্নয়নক নতুন গতি প্ৰদান কৰিছে। স্বামী বিবেকানন্দৰ সপোনৰ ভাৰতখন গঢ়ি তোলাটো হৈছে বৰ্তমান প্ৰজন্মৰ এটা মূল দায়িত্ব...

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰামকৃষ্ণ মিছনৰ শিক্ষাৰ সৈতে গভীৰ আধ্যাত্মিক শিপাৰ কথা উল্লেখেৰে তেওঁৰ ব্যক্তিগত যাত্ৰাত- প্ৰথম দিনটোৰ পৰাই বৰ্তমানৰ দায়িত্বলৈকে সংগঠনটোৱে যি গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে, সেই কথা স্মৰণ কৰে। নৱনিৰ্মিত স্বামী বিবেকানন্দ সাংস্কৃতিক যুৱ কেন্দ্ৰ-‘বিবেক স্মাৰক’-ৰ উত্তৰাধিকাৰক উদযাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কুভেম্পুৰ দৰে মহান সন্ত, স্থানীয় পণ্ডিত আৰু চহৰখনৰ বৌদ্ধিক ঐতিহ্যক সংযোগ কৰা গভীৰ ঐতিহাসিক সংযোগলৈ শ্ৰদ্ধাঞ্জলি জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে কেনেকৈ ১৩০ বছৰৰো অধিক সময় পূৰ্বে মহীশূৰৰ তেতিয়াৰ মহাৰাজে এগৰাকী যুৱক, বিচৰণকাৰী সন্ন্যাসীক চিনি পাইছিল আৰু সহায় কৰিছিল সেই কথা স্মৰণ কৰে। এয়া আছিল এক গভীৰ সমৰ্থন জনোৱা কাৰ্য্য। স্বামী বিবেকানন্দই পিছলৈ আমেৰিকাৰ পৰা গভীৰ কৃতজ্ঞতাৰে এই কথা স্বীকাৰ কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, “সঁচা অৰ্থত যিয়ে আনৰ বাবে জীয়াই থাকে, তেওঁ অকলেই জীয়াই থাকে। এই মন্ত্ৰৰেই পৰিচালিত হৈ আশ্ৰমে এটি গৌৰৱময় শতিকা সম্পূৰ্ণ কৰিলে।”

স্বামী বিবেকানন্দৰ যুগত ভাৰতীয় যুৱক-যুৱতীসকলৰ বশীভূত অৱস্থাক তেওঁলোকৰ আজিৰ বিশ্বজনীন প্ৰভাৱৰ সৈতে তুলনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে বিবেকানন্দই কেনেকৈ যুৱ শিক্ষাক ৰাষ্ট্ৰ-নিৰ্মাণৰ মূল স্তম্ভ হিচাপে গণ্য কৰিছিল সেই সম্পৰ্কে আলোকপাত কৰে। এসময়ত দাসত্বৰ শিকলিৰে বান্ধ খাই থকা ভাৰতীয় যুৱক-যুৱতীসকলে এতিয়া অভুতপূৰ্ব গতিৰে বিশ্বৰ উন্নয়নক আগুৱাই নিছে।

দেশখনক বিশ্বৰ দ্ৰুত-বৰ্ধমান অৰ্থনীতি, তৃতীয়-সৰ্ববৃহৎ ষ্টাৰ্টআপ বাতাবৰণ আৰু দ্বিতীয়-সৰ্ববৃহৎ ম’বাইল উৎপাদন কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ কৃতিত্ব যুৱক-যুৱতীসকলৰ। আজি যুৱক-যুৱতীসকলৰ অসীম সম্ভাৱনাৰ দ্বাৰা পৰিচালিত হৈ ভাৰতে এআই, ডিপ টেক, মহাকাশ প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত সফলতাৰ নতুন, সোণালী অধ্যায় ৰচনা কৰিছে। ‘আত্মনিৰ্ভৰ ভাৰত’ অভিযানেই হওক বা ‘মেক ইন ইণ্ডিয়া’ই হওক, এই সমূহৰ চূড়ান্ত সফলতাৰ আঁৰৰ প্ৰকৃত চালিকা শক্তি হৈছে ভাৰতৰ যুৱক-যুৱতীসকলৰ শক্তি।

> স্বামী বিবেকানন্দই সপোন দেখা ভাৰতখনিৰ দৃষ্টিভংগী বাস্তৱায়িতকৰণৰ দায়িত্ব বৰ্তমান প্ৰজন্মৰ ওপৰত ন্যস্ত হৈছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

**যুৱক-যুৱতীসকলৰ বাবে পদক্ষেপঃ প্ৰধানমন্ত্ৰী মোদীৰ আলোকপাত...**

- ১৪,০০০-ৰো অধিক পিএম শ্ৰী বিদ্যালয়
- ১০,০০০-ৰো অধিক অটল টিংকাৰিং লেব
- আইআইএম আৰু আইআইটি-ৰ সংখ্যা বৃদ্ধি
- এমবিবিএছ-ৰ আসন প্ৰায় ১.৪০ লাখ হৈছেহি



কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত

# গুৱাহাটী-তেজপুৰ ঘাইপথ আৰু গোবৰধন আঁচনিত অনুমোদন

উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাৰ বৰ্ধন আৰু দেশৰ আন্তঃগাঁথনিক সুদৃঢ়কৰণৰ বাবে কেন্দ্ৰীয় কেবিনেটে অসমৰ ১৩৫.৮৭ কিমি দৈৰ্ঘ্যৰ চাৰি-লেনযুক্ত গুৱাহাটী- তেজপুৰ কৰিড'ৰৰ উন্নয়ন সাধনত অনুমোদন জনাইছে। লগতে ভাৰতৰ শক্তি খণ্ডক শক্তিশালীকৰণ তথা জৈৱ গেছৰ উৎপাদন বৃদ্ধিৰ বাবে 'গোবৰধন' আঁচনিত অনুমোদন জনোৱা হৈছে। এই দুটা সিদ্ধান্তই উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাক ত্বৰান্বিত কৰাই নহয়, বৰঞ্চ কৃষকসকলৰ আয় বৃদ্ধি কৰাৰ লগতে শক্তি সুৰক্ষাকো সুদৃঢ় কৰিব।

**সিদ্ধান্তঃ** ২৩,৭৩১ কোটি টকা ব্যয় সাপেক্ষে সংকুচিত জৈৱ গেছৰ বাবে এখন ৰাষ্ট্ৰীয় সংহত আঁচনি গোবৰধনত অনুমোদন।

**প্ৰভাৱঃ** দেশৰ জৈৱিক সম্পদক স্বচ্ছ শক্তি, গ্ৰাম্য সমৃদ্ধি আৰু অৰ্থনৈতিক বিকাশলৈ ৰূপান্তৰিতকৰণৰ অৰ্থে এখন ঐতিহাসিক ৰাষ্ট্ৰীয় আঁচনি। ২০২৬-২৭ ৰ পৰা ২০৩৫-৩৬ বিত্তীয় বৰ্ষলৈ আঁচনিখন ৰূপায়ণ কৰা হ'ব।

- নিশ্চিত ক্ৰয়, সুস্থিৰ মূল্য নিৰ্ধাৰণ, মূলধনী সমৰ্থন আৰু পাইপলাইন সংযোগৰ জৰিয়তে সংকুচিত জৈৱ গেছৰ উৎপাদনক ত্বৰান্বিত কৰাৰ বাবে এটি সংহত কাঠামো।
- ঘৰুৱা সংকুচিত জৈৱ গেছৰ উৎপাদন প্ৰায় দহগুণ বৃদ্ধি পাব আৰু দেশৰ শক্তি সুৰক্ষাক সুদৃঢ় কৰিব।
- কৃষক, গ্ৰাম্য উদ্যোগী, ব্যক্তিগত বিনিয়োগ, 'আৱৰ্জনাৰ পৰা সম্পদ' পদক্ষেপ আৰু 'আত্মনিৰ্ভৰ ভাৰত'ৰ বাবে এক ব্যাপক উদ্দীপনা।

**সিদ্ধান্তঃ** কেবিনেটে ১৫.১১ কিমি দৈৰ্ঘ্যৰ মঙলদৈ বাইপাছ এৰি ৰাষ্ট্ৰীয় ঘাইপথ-১৫ৰ বাইহাটা চাৰিআলিৰ (অসমৰ গুৱাহাটীৰ সমীপস্থ) পৰা তেজপুৰলৈ ৪-লেনযুক্ত ঘাইপথ নিৰ্মাণত অনুমোদন জনায়।

**প্ৰভাৱঃ** প্ৰকল্পটোৱে গড় ভ্ৰমণৰ গতি প্ৰায় দুগুণ বৃদ্ধি কৰিব, ভ্ৰমণৰ সময় আধালৈ হ্ৰাস কৰিব আৰু সামগ্ৰিক পথ সুৰক্ষা উন্নত কৰিব। ইয়াৰ ফলত ইন্ধনৰ ব্যৱহাৰ আৰু বাহন চালনাৰ ব্যয় হ্ৰাস পাব, একে সময়তে আঞ্চলিক ম'বিলিটি আৰু আৰ্থ-সামাজিক উন্নয়নৰ বৰ্ধন ঘটিব।

- এই প্ৰকল্পত ১৫খন বৃহৎ দলং, ৩০খন সৰু দলং, ১৯খন উৰণীয়া সেতু আৰু তেজপুৰ বাইপাছত এটি এলিফেন্ট আণ্ডাৰপাছ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে।
- ৮,৯৭০.২০ কোটি টকা ব্যয় সাপেক্ষে ১৩৫.৮৭ কিমি দৈৰ্ঘ্যৰ এটা ঘাইপথ নিৰ্মাণ কৰা হ'ব।
- তেজপুৰ বাইপাছত ৪.৯ কিমি দৈৰ্ঘ্যৰ এটি জৰুৰীকালীন অৱতৰণ সুবিধা গঢ়ি তোলা হ'ব।
- ই অসম আৰু অৰুণাচল প্ৰদেশৰ মূল অৰ্থনৈতিক, সামাজিক আৰু লজিষ্টিক কেন্দ্ৰ সমূহক নীৰৱচ্ছিন্নভাৱে সংযোগ কৰিব।

*কেবিনেটৰ সিদ্ধান্তৰাজি সন্দৰ্ভত প্ৰেছ ব্ৰিফিং চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*




# ‘যুৱ সমাজ’ তেওঁলোকৰ স্বাৰ্থত প্ৰতিটো সিদ্ধান্ত গ্ৰহণ

আজি ৰাষ্ট্ৰ আৰু বিশ্বই সন্মুখীন হোৱা নানা প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি আমি গ্ৰহণ কৰা সংকল্পও গভীৰ হৈছে। জীৱনৰ আগন্তুক ৩০-৩৫ বছৰত যুৱক-যুৱতীসকলৰ কৰ্মৰাজিয়ে এখন বিকশিত ভাৰতৰ অভিমুখে যাত্ৰাক সমৃদ্ধ কৰিব। এনে প্ৰেক্ষাপটত আইআইটি-দিল্লীৰ সমাৱৰ্তন অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে গ্ৰহণ কৰা প্ৰতিটো সিদ্ধান্তই যাতে ৰাষ্ট্ৰখনক উপকৃত কৰে, সেয়া নিশ্চিত কৰিবলৈ আহ্বান জনায়। আজি ভাৰতে অৰ্থনৈতিক, প্ৰযুক্তিগত আৰু ঔদ্যোগিক আত্ম-নিৰ্ভৰতাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছে। এনে শক্তিশালী ভেটিতেই এখন বিশাল আৰু বিকশিত ভাৰত গঢ়ি তুলিব লাগিব।

এখন বিকশিত ভাৰতৰ অভিমুখে এনে যাত্ৰাত যুৱক-যুৱতীসকলে পালন কৰিবলগীয়া গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে ৰাষ্ট্ৰখনৰ শক্তি ইয়াৰ যুৱক-যুৱতীসকলৰ সৱলীকৰণৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্কীয়। এনে দৃষ্টিভংগীৰেই চৰকাৰে পূৰ্বে যুৱক-যুৱতীসকলৰ বাবে দুৰ্গম একাধিক খণ্ড মুকলি কৰি দিছে। চৰকাৰে গ্ৰহণ কৰা প্ৰগতিশীল নীতিৰাজিৰ ফলত সমগ্ৰ দেশৰ যুৱক-যুৱতীসকলৰ বাবে নতুন-নতুন পথৰ উন্মেষ ঘটিছে। আইআইটি-দিল্লীৰ ৫৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিষ্ঠানটোৰ আটাইতকৈ সন্মানীয় সন্মানসমূহ আগবঢ়ায়। ইয়াৰ উপৰিও তেওঁ আইআইটি-দিল্লীৰ ছোণিপট চৌহদত স্থাপন কৰা এআই-চালিত, উচ্চ-কাৰ্য্যক্ষম ছুপাৰ কম্পিউটিং সুবিধা ‘পৰম প্ৰজ্ঞা’ উদ্বোধন কৰে।

## প্ৰধানমন্ত্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰিক জীৱনৰ কেতবোৰ পৰামৰ্শ আগবঢ়ায়...

- কেম্পাছৰ জীৱন আৰু কেম্পাছৰ বাহিৰৰ জীৱনৰ মাজত বৃহৎ পাৰ্থক্য আছে। আইআইটি-ৰ পৰীক্ষাসমূহৰ এক নিৰ্দিষ্ট পাঠ্যক্ৰম থাকে, কিন্তু জীৱনৰ পৰীক্ষাত সকলো ‘পাঠ্যক্ৰমৰ বাহিৰৰ’।
- মনত পেলাওকচোন কেনেকৈ কেম্পাছৰ জীৱনৰ সকলো ধাৰণা স্পষ্ট আছিল আৰু সকলোবোৰ পূৰ্ব-নিৰ্ধাৰিত আছিল। কিন্তু জীৱনৰ কোনো নিৰ্দিষ্ট গতিপথ নাই, একেদৰে নিৰ্ধাৰিত প্ৰশ্নকাকতো নাথাকে। সততে আচল প্ৰশ্নটো নো কি সেই কথাও কোনেও কোৱা নাই; প্ৰশ্নটো নিজেই চিনাক্ত কৰিব লাগিব।
- প্ৰতিটো প্ৰজন্ম নিজ-নিজ সময়ৰ বাবে নিৰ্দিষ্ট প্ৰত্যাহ্বানৰাজিৰ সন্মুখীন হ’বলগীয়া হয়। প্ৰতিটো প্ৰজন্মৰে নিজস্ব ৰাষ্ট্ৰীয় দায়িত্বও আছে। আমাৰ দেশখন দাসত্বৰ যুগৰ সাক্ষী হৈছিল, তেতিয়া সেই প্ৰজন্মৰ সন্মুখত একমাত্ৰ লক্ষ্য আছিল ভাৰতৰ স্বাধীনতা।
- আমি বৃহৎ লক্ষ্যত উপনীত হ’বলৈ অগ্ৰসৰ হোৱা মাত্ৰকে গুৰুতৰ বিক্ষিপ্ততাৰ সন্মুখীন হওঁ। সেয়া হৈছে নিজকে আনৰ সৈতে তুলনা কৰাৰ প্ৰৱণতা। আজিৰ ছ’চিয়েল মিডিয়াৰ যুগত এই তুলনাৰ কেতিয়াও অন্ত নপৰে।
- মনত ৰাখিব, জীৱনটো কোনো লিডাৰব’ৰ্ড নহয়; আপোনালোকৰ প্ৰকৃত প্ৰতিদ্বন্দ্বিতা আনৰ বিৰুদ্ধে নহয়, বৰঞ্চ নিজৰ বিৰুদ্ধেহে। আমি অতীতৰ তুলনাত ভাল হ’বলৈ চেষ্টা কৰিব লাগে।
- আজি বিশ্বৰ কৌশলগত সমীকৰণসমূহ ক্ষিপ্ৰতাৰে সলনি হৈছে। এক মুহূৰ্তৰ ভিতৰতে বিশ্বায়নিক শক্তিৰ ভাৰসাম্য সলনি হৈছে। ইয়াৰ চালিকা শক্তি হৈছে প্ৰযুক্তিৰ গতি।

*যিসকলে শিকিব তেওঁলোক জয়ী হ’ব। যিসকলৰ নতুন প্ৰত্যাহ্বানৰ নতুন সমাধান বিচাৰি উলিওৱাৰ সাহস আছে... সেই প্ৰত্যাহ্বানসমূহ আপোনা-আপুনি সুযোগলৈ ৰূপান্তৰিত হ’ব।*




> আপোনালোকৰ জীৱনৰ স্বকীয় কৌতূহল অক্ষুণ্ণ ৰাখক; শিকাৰ প্ৰবৃত্তিক সজীৱ কৰি ৰাখক। যিসমূহ সিদ্ধান্ত চিন্তা নকৰাকৈয়ে গ্ৰহণ কৰা হয় সেইসমূহ সিদ্ধান্ত ভালদৰে পৰীক্ষা কৰক। নিজকে প্ৰশ্ন কৰক। কিন্তু কেৱল প্ৰশ্ন কৰাতে ক্ষান্ত নাথাকিব; ইয়াৰ সমাধান বিচাৰিবলৈয়ো সাহস কৰক। এনে মানসিকতাই আপোনালোকক এক অনন্য পৰিচয় প্ৰদান কৰিব।
>
> *নৰেন্দ্ৰ মোদী*
> *প্ৰধানমন্ত্ৰী*

এই সুবিধাই কৃত্ৰিম বুদ্ধিমত্তা, তথ্য বিজ্ঞান, উন্নত কম্পিউটিং আৰু আন্তঃশাখা গৱেষণাৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ সামৰ্থ্য যথেষ্ট বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে আইআইটি-দিল্লীৰ পূৰ্বৰ সমাৱৰ্তন অনুষ্ঠানত ভাৰ্চুৱেল ভাষণ প্ৰদানেৰে মহাকাশ খণ্ডৰ সংস্কাৰ সাধন সম্পৰ্কে আলোচনা কৰাৰ কথা স্মৰণেৰে কয় যে এসময়ত খণ্ডটো প্ৰায় সম্পূৰ্ণৰূপে চৰকাৰীভাৱে পৰিচালিত আছিল। আজি অৱশ্যে একেটা মহাকাশ খণ্ড হাজাৰ-হাজাৰ যুৱক-যুৱতীৰ বাবে নতুন সুযোগৰ ক্ষেত্ৰত পৰিণত হৈছে। আমাৰ যুৱক-যুৱতীসকলে এতিয়া নিজাকৈ উৎক্ষেপণ যান নিৰ্মাণ কৰি ৰকেট উৎক্ষেপণেৰে এনে মাইলৰ খুঁটি স্থাপন কৰিছে যিসমূহ মাইলৰ খুঁটি বিশ্বজুৰি মাত্ৰ কেইখনমান ৰাষ্ট্ৰইহে স্থাপন কৰিবলৈ সক্ষম হৈছে।

*প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক’ডটো স্কেন কৰক।*



# ইউপিআই সেৱাসমূহ বিনামূলীয়া হৈ থাকিব...

ভাৰত চৰকাৰে ডিজিটেল পেমেণ্টক অধিক ব্যাপক আৰু স্বচ্ছ কৰি তুলিবলৈ একাধিক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। কৰ আৰু অন্যান্য আইন (সংশোধনী) বিধেয়ক, ২০২৬ গৃহীত হোৱাৰ লগে-লগে ইউপিআই মাচুল সম্পৰ্কীয় কাঠামোটো স্পষ্ট হৈ পৰিছে। সাধাৰণ উপভোক্তা আৰু ব্যক্তিৰ-পৰা-ব্যক্তিলৈ লেনদেনৰ ক্ষেত্ৰত ইউপিআই সেৱা সম্পূৰ্ণৰূপে বিনামূলীয়া হৈ থাকিব। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে স্পষ্ট কৰি দিয়ে যে ডিজিটেল লেনদেনৰ ক্ষেত্ৰত মাৰ্চেণ্ট ডিছকাউণ্ট ৰেট গ্ৰাহকৰ ক্ষেত্ৰত নহয়, ব্যৱসায়ীৰ ক্ষেত্ৰতহে প্ৰযোজ্য। এমডিআৰ চাৰ্জে বেংক আৰু ফিনটেক কোম্পানীসমূহক আন্তঃগাঁথনি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত অধিক বিনিয়োগ কৰাত সহায় কৰিব...

সংসদে কৰ আৰু অন্যান্য আইন (সংশোধনী) বিধেয়ক, ২০২৬ গৃহীত কৰিছে। সংসদত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে স্পষ্ট কৰি দিয়ে যে আইনখনে ইউপিআই-ৰ ওপৰত কোনো ধৰণৰ কৰ আৰোপ কৰা নাই আৰু সেয়ে ডিজিটেল পেমেণ্ট ব্যৱস্থা উপভোক্তাসকলৰ বাবে বিনামূলীয়া হৈ থাকিব। তেওঁ আৰু কয় যে ইউপিআই সম্পৰ্কীয় এনে সংশোধনী কেৱল এটা প্ৰয়োজনীয় ব্যৱস্থা আৰু এই সংশোধনীয়ে ইউজাৰসকলৰ ওপৰত কোনো কৰ বা লেনদেন চাৰ্জ আৰোপ কৰা নাই। চৰকাৰে স্পষ্ট কৰি দিছে যে ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ ওপৰত এমডিআৰ আৰোপ কৰাৰ কোনো লক্ষ্য নিৰ্ধাৰণ কৰা হোৱা নাই, কিয়নো ইউপিআই-ৰ সৰ্বাংগীণ বিকাশৰ বাবে তেওঁলোক অপৰিহাৰ্য।

## ইউপিআই সম্পৰ্কে মূল তথ্যৰাজি...

- ২০১৬-১৭ত শুভাৰম্ভ কৰাৰ পিছৰে পৰা ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচে ভাৰতৰ ডিজিটেল অৰ্থনীতিক বিশ্বৰ অন্যতম সমাৱেশী আৰু গতিশীল পেমেণ্ট ব্যৱস্থালৈ ৰূপান্তৰিত কৰিছে।
- ইউপিআই হৈছে বিশ্বৰ দ্ৰুত-বৰ্ধমান পেমেণ্ট ব্যৱস্থা; কেৱল ২০২৬-ৰ জুলাইতে ২৯.৯ লাখ কোটি টকা মূল্যৰ ২,৩৬৬ কোটি লেনদেনৰ অভিলেখ ৰচনা হয়।
- এতিয়া ১২খন দেশ ইউপিআই-ৰ সৈতে সংযুক্ত আৰু ইয়াক গ্ৰহণ কৰিছে। চৰকাৰে অবিৰতভাৱে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত ইউপিআই-ক প্ৰসাৰিত কৰি আহিছে।




## ভাৰত চৰকাৰে স্পষ্টভাৱে ঘোষণা কৰিছে যে...

- ইউজাৰৰ বাবে বিনামূলীয়াঃ উপভোক্তা সকলৰ পৰা লেনদেনৰ বাবদ কোনো ধৰণৰ মাচুল গ্ৰহণ কৰা নহয়।
- বিনামূলীয়া পিটুপি লেনদেনঃ ব্যক্তিৰ-পৰা-ব্যক্তিলৈ সকলো লেনদেন বিনামূলীয়া হৈ থাকিব।
- ব্যৱসায়ীসকলৰ বাবে ন্যূনতম এমডিআৰঃ যদিও এমডিআৰ (মাৰ্চেণ্ট ডিছকাউণ্ট ৰেট) চাৰ্জ প্ৰয়োগ কৰা হৈছে, তথাপিও ইয়াৰ হাৰ ন্যূনতম হ'ব-ডেবিট বা ক্ৰেডিট কাৰ্ডৰ তুলনাত যথেষ্ট কম-আৰু কেৱল এটা নিৰ্দিষ্ট সীমা (threshold) অতিক্ৰম কৰা সীমিত সংখ্যক মাৰ্চেণ্ট লেনদেনৰ ক্ষেত্ৰতহে এয়া প্ৰযোজ্য হ'ব।
- ইউপিআই-ৰ জৰিয়তে সম্পন্ন কৰা বেছিভাগ মাৰ্চেণ্ট লেনদেন বিনামূলীয়া হৈ থাকিব। ক্ষুদ্ৰ দোকানী আৰু গেলামালৰ দোকানে ইউপিআই পেমেণ্ট গ্ৰহণ কৰাৰ বাবদ এমডিআৰ পৰিশোধ কৰিব নালাগে।
- সংসদে গৃহীত কৰা কৰ আৰু অন্যান্য আইন (সংশোধনী) বিধেয়ক, ২০২৬ ত পেমেণ্ট আৰু নিষ্পত্তি ব্যৱস্থা আইন, ২০০৭-ৰ ধাৰা ১০এ-ৰ (Section 10A) সংশোধনীৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। এনপিচিআই-ৰ অধ্যক্ষাধীন "ইউপিআই আৰু সেৱা পৰিচালনা কমিটী"য়ে এমডিআৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিব (প্ৰযোজ্যতা সাপেক্ষে)।

# বিকশিত ভাৰতৰ দৃষ্টিভংগী

## সুস্থ শাৰীৰিক আৰু মানসিক স্বাস্থ্য

এখন বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ শাৰীৰিকভাৱে সুস্থ, মানসিকভাৱে শক্তিশালী আৰু আত্মবিশ্বাসেৰে ভৰা এক নৱপ্ৰজন্ম থকাটো অপৰিহাৰ্য। সেইবাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ আগষ্টত 'বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱসমাজ সংকল্প অভিযান' মুকলি কৰে...

"যদি কোনো যুৱক-যুৱতী অজানিতে নিচাযুক্ত দ্ৰব্যৰ কবলত পৰে, তেন্তে ইয়াৰ অৰ্থ এইটো নহয় যে তেওঁলোকৰ বাবে সকলো পথ বন্ধ হৈ গৈছে। যদি পৰিয়ালৰ কোনো সন্তান নিচাৰ বলি হৈছে... তেন্তে সামাজিক মৰ্যাদাৰ দোহাই দি ইয়াক লুকুৱাই নাৰাখিব। প্ৰয়োজনীয় সহায় গ্ৰহণ কৰক। চিকিৎসা সেৱাৰ সহায় লৈ আপোনাৰ সন্তানক নিচাৰ পৰা মুক্ত কৰিবলৈ প্ৰয়াস কৰক। আমি পৰিয়ালৰ ভিতৰত ল'ৰা-ছোৱালীৰ সৈতে মুকলি আলোচনাৰ এক পৰিৱেশ গঢ়ি তুলিব লাগিব... যাতে তেওঁলোক এনে পৰিস্থিতিত পৰাৰ আগতেই আপুনি তেওঁলোকৰ হাত ধৰিব পাৰে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ (QR) ক'ড স্কেন কৰক।

এই অভিযান কেৱল ব্যক্তিগত স্বাস্থ্যতে সীমাবদ্ধ নহয়; ই পৰিয়াল, সমাজ আৰু সমগ্ৰ দেশৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষা কৰে। সেইবাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অভিযানক এক গুৰুত্বপূৰ্ণ সংকল্প বুলি অভিহিত কৰি সমগ্ৰ দেশৰ ২৮,০০০-ৰো অধিক স্থানৰ পৰা সংযুক্ত ১ কোটিৰো অধিক যুৱক-যুৱতীক সম্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে যিহেতু দেশে 'বিকশিত ভাৰত'ৰ লক্ষ্যৰ প্ৰতি দৃষ্টি নিবদ্ধ কৰিছে, সেয়েহে দেশৰ যুৱপ্ৰজন্ম শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হৈ থকাটো অতিকৈ প্ৰয়োজনীয়।

যুৱপ্ৰজন্ম আত্মবিশ্বাসেৰে ভৰপূৰ হ'ব লাগিব আৰু নিচাসক্তিৰ দৰে ধ্বংসাত্মক অভ্যাসৰ পৰা আঁতৰি থাকিব লাগিব। প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে, "'কাশী ঘোষণাপত্ৰ'ৰ অধীনত ১২৫ টাতকৈয়ো অধিক আধ্যাত্মিক সংগঠন আৰু বহুতো বেচৰকাৰী সংস্থাৰসহযোগত কল্যাণকামী এই পদক্ষেপটো এতিয়া সফলতাৰে এক ৰাষ্ট্ৰীয় প্ৰকল্পলৈ পৰিণত হৈছে।" এই অভিযানৰ ১০০ সপ্তাহৰ অভিলাষী ৰূপৰেখা দাঙি ধৰি প্ৰধানমন্ত্ৰীয়ে কয়, "আগন্তুক ১০০টা দেওবাৰ নিচামুক্ত ভাৰতৰ দিশত ৰজ্জুৱাটা সুদৃঢ় পদক্ষেপ হিচাপে প্ৰমাণিত হ'ব। দেশৰ ভৱিষ্যত আৰু নিজৰ জীৱনৰ বাবে নিচামুক্ত হৈ থকাটো অতি গুৰুত্বপূৰ্ণ।"

### প্ৰধানমন্ত্ৰী মোদীৰ ভাষণৰ প্ৰধান দিশবোৰ...

- নিচাযুক্ত দ্ৰব্যৰ পৰা লাভ কৰা ক্ষণস্থায়ী আনন্দই অৱশেষত নিজৰ কৰ্মজীৱন আৰু পাৰিবাৰিক জীৱন ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে।
- নিচাযুক্ত দ্ৰব্যৰ সেৱনে কোনো পৰিস্থিতিতেই সামাজিক স্বীকৃতি লাভ কৰিব নালাগে।
- নিচাসক্তিৰ পৰা মুক্ত হোৱাৰ ক্ষেত্ৰত সামাজিক সমৰ্থন, যোগ, ধ্যান আৰু আধুনিক পুনৰ্বাসন কেন্দ্ৰসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- সহজতে প্ৰভাৱিত হ'ব পৰা শিশুসকলক এই ফান্দত পৰাৰ পৰা ৰক্ষা কৰিবলৈ পৰিয়ালৰ ভিতৰত মুকলি আলোচনাৰ এক পৰিৱেশ গঢ়ি তোলক।
- শিক্ষাবিদসকলে নিয়মীয়া পাঠ্যক্ৰমত নিচাযুক্ত দ্ৰব্য সেৱনৰ ভয়াৱহতা সম্পৰ্কীয় আলোচনাসমূহ অন্তৰ্ভুক্ত কৰা উচিত।
- নিচাসক্তিৰ পৰা মুক্ত হোৱা যুৱক-যুৱতীসকল দুৰ্বল নহয়; তেওঁলোক প্ৰকৃত যোদ্ধা।

**কমনৱেলথ গেমছৰ পদক বিজয়ীসকলৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ মত-বিনিময়**

# ভৱিষ্যত প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ এক মন্ত্ৰ...

স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত কমনৱেলথ গেমছত এক উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰি ভাৰতে ১৩টা সোণ, ১৭টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদককে ধৰি মুঠ ৩৯টা পদক অৰ্জন কৰে। ১০ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কমনৱেলথ গেমছৰ চেম্পিয়নসকলৰ সৈতে মতবিনিময় কৰে আৰু দেশলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে তেওঁলোকক অভিনন্দন জনায়। এই মতবিনিময়ৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় ক্ৰীড়াক্ষেত্ৰৰ পৰিৱৰ্তন, খেলুৱৈসকলৰ সাফল্য, তৃণমূল পৰ্যায়ত ক্ৰীড়া প্ৰতিভাৰ বিকাশ আৰু দেশত এক ব্যাপক ক্ৰীড়া সংস্কৃতিৰ বিকাশ সন্দৰ্ভত বিতং আলোচনা কৰে।



## খেলুৱৈসকলক আতিথ্য প্ৰদান: এক নিয়মীয়া পৰম্পৰা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰায় ১২ বছৰীয়া কাৰ্যকালত তেওঁৰ চৰকাৰী বাসভৱনত ৰাষ্ট্ৰীয় খেলুৱৈসকলক আতিথ্য প্ৰদান কৰাটো এক নিয়মীয়া আৰু আদৰৰ পৰম্পৰা হৈ আহিছে। খেলুৱৈসকলৰ সৈতে মতবিনিময় কৰাৰ সময়ত তেওঁ মন্তব্য কৰে যে দেশৰ বাবে বিজয় সাব্যস্ত কৰাৰ ক্ষেত্ৰত ভাৰতীয় খেলুৱৈসকলৰ নিষ্ঠাপূৰ্ণ প্ৰচেষ্টা আৰু ধাৰাবাহিক সাফল্যই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুপ্ৰেৰণাৰ এক অধিক ফলপ্ৰসূ উৎস হিচাপে কাম কৰে।

## দেশৰ বীৰ পুত্ৰসকললৈ শ্ৰদ্ধাঞ্জলি

কাৰ্গিল বিজয় দিৱসৰ দিনা পাকিস্তানৰ প্ৰতিদ্বন্দ্বীক ৫-০ ব্যৱধানত পৰাস্ত কৰা ভাৰতীয় সেনাৰ খেলুৱৈসকলৰ দেশপ্ৰেমক প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰশংসা কৰে। খেলুৱৈসকলে তেওঁলোকৰ এই বিজয় ভাৰতীয় সেনাৰ বীৰসকলৰ নামত উৎসৰ্গা কৰে আৰু কয় যে এনে অতুলনীয় ৰাষ্ট্ৰীয় গৌৰৱে ক্ৰীড়াৰ বিজয়লৈ এক অসাধাৰণ মাত্ৰা কঢ়িয়াই আনে। তেওঁ লগতে এগৰাকী খেলুৱৈৰ সৈতে এক আনন্দমুখৰ মুহূৰ্ত পাৰ কৰে, য'ত তেওঁ সেনাবাহিনীৰ প্ৰশিক্ষক নৰেন্দ্ৰ ৰাণা আৰু তেওঁলোকৰ নাম 'নৰেন্দ্ৰ'ৰ বিষয়ে এটা ধেমেলীয়া কাহিনী কয়। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "আপোনালোকে কেৱল



## যেতিয়া মীৰাবাঈ চানুৰ দুচকুত চকুলো বিৰিঙি উঠিছিল

প'ডিয়ামত থিয় হৈ, ৰাষ্ট্ৰীয় সংগীত শুনি আৰু তাৰ পিছত আনন্দৰ চকুলো নিগৰোৱা- স্বৰ্ণ পদক বিজয়ী মীৰাবাঈ চানুৱে কমনৱেলথ গেমছৰ সেই আৱেগিক মুহূৰ্তটোৰ কথা বৰ্ণনা কৰোঁতে তেওঁ নিজৰ চকুলো ধৰি ৰাখিব পৰা নাছিল। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁক কয়, "আপুনি দেশলৈ অপাৰ গৌৰৱ কঢ়িয়াই আনিছে। নিগৰি অহা চকুলো দেখি এনে লাগিছিল যেন প্ৰতিটো টোপালৰ পৰাই একোটা সোণৰ পদক সৰি পৰিছে।"

পদকৰ সংখ্যাই বৃদ্ধি কৰা নাই; আপোনালোকে এটা সমগ্ৰ প্ৰজন্মক সাজু কৰি তুলিছে।"

## যিয়ে খেলিব, সিয়ে জিলিকিব

খেলুৱৈসকলৰ সৈতে হোৱা বাৰ্তালাপত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ক্ৰীড়া ব্যৱস্থাটো এটা কথা, কিন্তু দেশৰ খেলুৱৈসকলে তেতিয়াহে পদক জিকিব পাৰে যেতিয়া দেশত এক ক্ৰীড়া সংস্কৃতি গঢ়ি উঠে। তেওঁ কয়, "বন্ধুসকল, আপোনালোকে এক অতি ভাল কাম কৰিছে। আপোনালোকে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। মই আপোনালোকক অভিনন্দন জনাইছো। বিশ্বাস ৰাখক, আপোনালোক এনেদৰেই বিজয়ী হৈ থাকিব আৰু আমি পুনৰ ইয়াত লগ পাম।"

## আপুনি মোদীক লগ পাইছেনে?

এগৰাকী খেলুৱৈয়ে এটা সাক্ষাৎকাৰত কৈছিল যে যেতিয়া আমি আমাৰ বন্ধু-বান্ধৱৰ মাজত এই বিষয়ে আলোচনা কৰিছিলো, তেতিয়া মই কৈছিলো, 'এইটো তোমালোকৰ নিজৰ ভালৰ বাবেই; তোমালোকে এইটো কৰা উচিত। 'তেতিয়া আমাৰ বন্ধুসকলে সুধিছিল, 'তুমি মোদীক লগ পাইছা নেকি, আমি তোমাৰ কথা কিয় শুনিব লাগে? 'খেলুৱৈগৰাকীয়ে উত্তৰ দিলে, 'ছাৰ, মই আজি আপোনাক লগ পালোঁ। এতিয়া মই তেওঁলোকক ক'ব পাৰিম, 'হয়, মই মোদীক লগ পাইছোঁ।'



### পদক তালিকা



স্বৰ্ণ ১৩



ৰূপ ১৭



ব্ৰঞ্জ ৯

মুঠ ৩৯



> ৭, লোক কল্যাণ মাৰ্গত আমাৰ ২০২৬ চনৰ কমনৱেলথ গেমছৰ চমৎকাৰ পদক বিজয়ীসকলক আতিথ্য প্ৰদান কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। মই প্ৰতিযোগিতাৰ সময়ৰ তেওঁলোকৰ অভিজ্ঞতাসমূহ শুনিলোঁ। তেওঁলোক সকলোৱে নিজৰ উৎকৃষ্ট প্ৰদৰ্শনেৰে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁলোকৰ সফলতাই বহু যুৱক-যুৱতীক অনুপ্ৰাণিত কৰিব।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

*প্ৰধানমন্ত্ৰী মোদীৰ কমনৱেলথ গেমছৰ বিজয়ীসকলৰ সৈতে মত-বিনিময়ৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

# ভাৰতীয় গণতন্ত্ৰ আৰু সমাজৰ বাবে এক উত্তৰাধিকাৰ

## প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ আত্মজীৱনী




প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।

যেতিয়া কোনো ব্যক্তি উদাৰ অন্তৰৰ অধিকাৰী হয় আৰু ভাৰতীয় মূল্যবোধৰ সৈতে গভীৰভাৱে সংযুক্ত হৈ থাকে, তেতিয়া তেওঁ সমাজৰ দোষ-ত্ৰুটি বিচৰাত সময় নষ্ট নকৰে; বৰঞ্চ তেওঁ ইয়াৰ ইতিবাচক দিশবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু সমাজক নিজৰ সফলতাৰ এক সম-অংশীদাৰ হিচাপে গণ্য কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দ এই মনোভাৱৰেই এক মূৰ্ত প্ৰতীক। সেইবাবেই, তেওঁৰ আত্মজীৱনীৰ উন্মোচনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই গ্ৰন্থখনক ভাৰতীয় গণতন্ত্ৰ আৰু সমাজৰ বাবে এক উত্তৰাধিকাৰ বুলি অভিহিত কৰিছিল।

এবাৰ গ্ৰীষ্মকালৰ কথা, প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ ঘৰত জুই লাগিছিল। তেওঁৰ মাতৃয়ে নিজৰ নিৰাপত্তাৰ কথা আওকাণ কৰি ঘৰৰ সামগ্ৰীসমূহ বচাবলৈ চেষ্টা কৰিছিল; আৰু সেই প্ৰয়াসতেই তেওঁ জুইৰ মাজত আৱদ্ধ হৈ নিজৰ প্ৰাণ হেৰুৱাইছিল। ইমান সৰু বয়সতে এনেদৰে মাতৃক হেৰুওৱাটো নিশ্চয়কৈ অতি বেদনাদায়ক আছিল। এনে এটা ঘটনাই যিকোনো ব্যক্তিক ভাঙি পেলাব পাৰিলেহেঁতেন যদিও, এই পৰিস্থিতিয়ে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক অধিক শক্তিশালীহে কৰি তুলিছিল। চুবুৰীৰে এগৰাকী মাতৃয়ে তেওঁক ডাঙৰ-দীঘল কৰাত সহায় কৰিছিল। এই অভিজ্ঞতাৰ জৰিয়তে তেওঁ সামাজিক একতা আৰু সম্প্ৰীতিৰ শক্তিক উপলব্ধি কৰিব পাৰিছিল। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দৰ বিষয়ে এই কাহিনীটো বৰ্ণনা কৰিছিল। তেওঁ দেশৰ নৱপ্ৰজন্মক প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ লেখনি আৰু অভিজ্ঞতাসমূহৰ সৈতে জড়িত হ'বলৈ তেওঁৰ নিজৰ কথাৰে বৰ্ণিত জীৱন পৰিক্ৰমা পঢ়িবলৈ আহ্বান জনাইছিল।

প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে যে গ্ৰন্থখনক এক অতি উপযুক্ত নাম দিয়া হৈছে- "ভাৰতীয় গণৰাজ্যৰ বিজয়: মোৰ জীৱন, মোৰ সংগ্ৰাম" ইয়াৰ অন্তৰ্নিহিত ভাৱটো হ'ল যে তেওঁ যাপন কৰা জীৱন আৰু সন-মুখীন হোৱা সংগ্ৰামসমূহ তেওঁৰ ব্যক্তিগত আছিল যদিও, সেই সংগ্ৰামৰ ফলত অহা বিজয় ভাৰতীয় গণৰাজ্যৰ। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "মই কোবিন্দজীক বহুত আগৰ পৰাই চিনি পাওঁ আৰু তেওঁক ওচৰৰ পৰা জনাৰ সুযোগ পাইছোঁ। ৰাষ্ট্ৰপতি হিচাপে তেওঁৰ মাৰ্গদৰ্শনৰ লগতে মোৰ প্ৰতি থকা তেওঁৰ বিশেষ স্নেহ আৰু আন্তৰিকতা মোৰ বাবে এক অমূল্য সম্পদ হৈ আহিছে। তেওঁৰ জীৱনক বুজি উঠি আৰু তেওঁৰ সামৰ্থ্যসমূহ উপলব্ধি কৰি মই সম্পূৰ্ণ বিশ্বাসেৰে ক'ব পাৰো যে ৰাম নাথ কোবিন্দজীৰ আত্মজীৱনীখন ভাৰতীয় গণতন্ত্ৰ আৰু সমাজৰ বাবে নিজেই এক উত্তৰাধিকাৰ হিচাপে পৰিগণিত হ'ব।"

প্ৰধানমন্ত্ৰী মোদীয়ে নৱপ্ৰজন্মক আহ্বান জনাই... উল্লেখ কৰে যে এয়া হৈছে 'ৰিলছ' (Reels) আৰু ছচিয়েল মিডিয়া ইনফ্লুৱেন্সাৰৰ যুগ, যিসকলে প্ৰায়ে মানুহক বিভিন্ন দিশলৈ টানি নিয়ে। তেওঁ এই কথাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে যে চৰ্টকাটৰ এই যুগতো এটা গুৰুত্বপূৰ্ণ শিক্ষা মনত ৰখাটো প্ৰয়োজন: যিদৰে ৰে'লৰে ষ্টেচনত কিছুমান মানুহে ফুটব্ৰীজ ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে অভ্যাসবশতঃ ৰে'ললাইনৰ ওপৰেৰে পাৰ হয়- য'ত সতৰ্কবাণী লিখা থাকে যে "চৰ্টকাটে আপোনাৰ জীৱন চুটি কৰিব পাৰে"..ঠিক তেনেদৰে যুৱপ্ৰজন্ময়ো নিজৰ পথ বাছনি কৰাৰ ক্ষেত্ৰত সচেতন হোৱা উচিত। তেওঁ যুৱপ্ৰজন্মক তেওঁলোকে শ্ৰদ্ধা কৰা ব্যক্তিসকলৰ আত্মজীৱনী পঢ়িবলৈ উৎসাহিত কৰি কয় যে এনে গ্ৰন্থসমূহে সেই নিৰ্দিষ্ট যুগৰ ঐতিহাসিক ঘটনাসমূহৰ ওপৰত এক অনন্য দৃষ্টিকোণ প্ৰদান কৰে।



**PMO India**
@PMOIndia

आज जब देश ने विकसित भारत का लक्ष्य तय किया है... तो इसके लिए आवश्यक है... देश का युवा, तन से स्वस्थ हो, मन स्वस्थ हो, आत्मविश्वास से भरपूर हो और ड्रग्स जैसी घातक आदत से हमेशा दूर हो: PM @narendramodi



**Rajnath Singh**
@rajnathsingh

भारत अब रक्षा उपकरणों का दुनिया के लिए निर्माता और निर्यातक बन रहा है। रक्षा उत्पादन और निर्यात में अभूतपूर्व वृद्धि, भारत की बढ़ती आत्मनिर्भरता, सामर्थ्य और वैश्विक पहचान का प्रमाण है।



**Amit Shah**
@AmitShah

सहकारिता के माध्यम से ग्रामीण अर्थव्यवस्था को मजबूत करने की दिशा में आज अलवर में ₹200 करोड़ की लागत से प्रतिदिन 3 लाख लीटर दूध के प्रसंस्करण की क्षमता से युक्त 'अलवर सरस डेयरी' के नवीन प्लांट का ई-शिलान्यास किया। साथ ही, ₹274 करोड़ की लागत से सरस डेयरी से सम्बंधित चार अन्य परियोजनाओं का ई-लोकार्पण भी किया।

आधुनिक तकनीक से युक्त इन संयंत्रों से उत्पादन प्रक्रिया अधिक वैज्ञानिक, पारदर्शी और कम ऊर्जा की खपत वाली बनेगी। इससे क्षेत्र के दुग्ध उत्पादकों को उनके दूध का बेहतर दाम मिलेगा, ग्रामीण क्षेत्रों में रोजगार के नए अवसर सृजित होंगे व प्रदेश में 'सहकार से समृद्धि' का संकल्प और मजबूत होगा।



**Nitin Gadkari**
@nitin_gadkari

📢 उत्तराखंड 🛣️

सीआरआईएफ के तहत उत्तराखंड में कुल 235.42 किलोमीटर लंबाई की 9 सड़कों के चौड़ीकरण और मज़बूती काम के लिए 297.37 करोड़ रुपए की लागत के साथ स्वीकृती दी गई है।

#PragatiKaHighway #GatiShakti



**Shivraj Singh Chouhan**
@ChouhanShivraj

आज लाल किले की प्राचीर से मैं देश के सामने शक्ति की सप्तधारा का आह्वान करता हूं।

1. Manufacturing Power
2. कृषि और Food Processing
3. Technology और Innovation
4. Gati Shakti
5. रक्षा शक्ति
6. Green और Blue Economy
7. भारत का Soft Power

- आदरणीय प्रधानमंत्री श्री @narendramodi जी



**Arjun Ram Meghwal**
@arjunrammeghwal

देश के नौजवानों के लिए बड़ी घोषणा!

- आने वाले एक वर्ष में 1 करोड़ युवाओं को AI स्किल्स की ट्रेनिंग

- युवाओं के उज्ज्वल भविष्य के लिए विभिन्न परीक्षाओं की निःशुल्क ऑनलाइन कोचिंग

#IndiaIndependenceDay

PUSHES FOR SELF-RELIANCE, ENERGY SECURITY, TECH PROWESS; BONANZA FOR YOUTH

# PM offers 7-step plan for Viksit Bharat

FE BUREAU
New Delhi, August 15

PRIME MINISTER NARENDRA Modi on Saturday unveiled a trove of promises for India's youth, offered more support for the unorganised sector and startups and reaffirmed the government's commitment to making India a developed country by 2047. Addressing the nation from Red Fort on the 80th Independence Day, Modi elaborated on his government's accomplishments, while promising faster economic reforms to strengthen the manufacturing sector, achieve scale and foster greater self-reliance on multiple fronts. He laid emphasis on energy security, especially in light of recent threats from external factors.

Acknowledging that coaching for competitive exams has become "a huge burden for middle-class families", he said the government will provide free online coaching for various examinations to the youth. "We have digital public infrastructure, highly talented teachers and educators. By bringing these resources together, we will provide free coaching to the country's young people and build an entire network for this purpose," he said.

He also announced a new scheme to train 10 million young people in artificial intelligence skills to equip them with the skills necessary to "lead in the world of AI".

Modi highlighted that semiconductors, AI, quantum technology, space, robotics and data centres would drive the economy in the future, adding that India should not become merely a market for new technologies but an 'innovation hub'. While three semiconductor manufacturing units are operational in the country, he said another 5-8 semiconductor plants are expected to be set up in the next 7-8 years.

Modi's 13th straight I-Day speech included a decisive response to the disaffection among the country's youth against the backdrop of ongoing protests over exam paper leaks, and the flashpoint in the national capital which led to the education minister's resignation. The PM mentioned the word 'youth' 21 times in his 75-minute speech and referred to the 'young' 23 times.

Continued on Page 2




PM Narendra Modi addresses the nation from Red Fort on 80th Independence Day on Saturday

## PM's PROMISES

- Five-eight more semiconductor plants
- **100 GW** nuclear power capacity by 2047
- Lakhpati Didi target to double to **60 million**
- AI training for **10 million** youth
- Free online coaching for competitive exams
- Talent hunt to identify promising sportspersons

## Sapta Dhara framework

- **Manufacturing:** Enable value chain for small components and large products, from design to manufacturing
- **Agri & food processing:** Farmer access to global markets aided by FTAs, with cuisine, millets, etc
- **Defence:** Emerge as global supplier of next-gen defence tech like drones, hypersonic tech
- **Tech & innovation:** Create hub for emerging tech such as AI, quantum tech, space
- **Green & blue economy:** Global scale in renewable energy, green hydrogen; fisheries, ocean tech
- **Gati Shakti:** High-speed inter-city connectivity via high speed rail; ports to be engines of growth
- **Soft power:** Tap yoga, ayurveda, handicrafts, culture, films, digital content, tourism

# Land, business reforms key to next phase of India's growth: Economists

KRITY AMBEY
New Delhi, 16 August

Resolving domestic policy bottlenecks and creating a more predictable investment environment through land reforms and an improved ease of doing business will be critical to Prime Minister Narendra Modi's push for next-generation reforms, economists said.



PM NARENDRA MODI IN HIS I-DAY SPEECH IDENTIFIED SEVEN STREAMS OF STRENGTH TO DRIVE INDIA'S NEXT ECONOMIC CHANGE

In his Independence Day address on Saturday, Modi identified '*Sapta Dhara*', or seven streams of strength — ranging from manufacturing, agriculture and infrastructure to soft power and global influence — that would drive the country's economic transformation. "We are going to move aggressively towards the next-level reform in the coming days," Modi said.

The *Sapta Dhara* spans near-, medium- and long-term reform priorities for India's Viksit Bharat vision for 2047, said Madras School of Economics Director and economist N R Bhanumurthy.

"The road ahead needs more micro reforms than macro reforms, and one such area is easing land acquisition by addressing the gap in land records," Bhanumurthy said. "That is the reason why a few states, particularly in the west and the south, are doing better in the manufacturing sector compared to those in the north and east," he added.

Land reforms assume greater significance amid the government's aim of increasing manufacturing's share of gross domestic product (GDP) to 25 per cent by 2035 from around 16-17 per cent currently.

"India would be better served by looking inward and addressing long-standing policy bottlenecks such as land acquisition and ease of doing business, especially amid external uncertainties," said Crisil Chief Economist DK Joshi.

The government has initiated work to address gaps in land reforms. Finance Minister Nirmala Sitharaman, in the FY25 Budget, announced fiscal support to states for three years for land-related reforms, including land administration, planning and management, urban planning, land usage and building bylaws. However, land reforms remain a state subject, and state governments would also need to ramp up their efforts.

"Once the domestic business environment becomes more predictable, a stable and predictable foreign direct investment (FDI) policy could help meet India's growing capital requirements," Joshi said.

A predictable FDI policy assumes greater significance in the context of India's termination of around 60 bilateral investment treaties (BITs) in 2016. Net FDI inflows into India have also slowed sharply over the past four years, falling from an annual average of around $40 billion between FY20 and FY22 to $7.65 billion in FY26, according to Reserve Bank of India data.

The government has initiated work towards a more predictable FDI policy and is likely to introduce an updated model BIT soon. Sitharaman had announced a review of India's model BIT in the FY26 Budget.

Having addressed structural gaps, the government also needs to continue streamlining existing reforms, economists said.

"While reforms were announced last year in the goods and services tax (GST), streamlining must continue there: the government is yet to bring petroleum products under GST," Joshi said. "The reform process should also focus on reducing compliance burdens and making implementation more uniform across states," he added.

On labour reforms, the government should wait and assess the impact of the four labour codes before embarking on another round of changes, Bhanumurthy said.



## President, PM, Top BJP Leaders Pay Tributes to Vajpayee on his Death Anniv

PHOTO JUNCTION

**NEW DELHI:** President Droupadi Murmu, Prime Minister Narendra Modi and senior BJP leaders paid tributes to former prime minister Atal Bihari Vajpayee on his death anniversary, emphasising his unparalleled role in India's progress. The leaders visited Vajpayee's memorial, 'Sadaiv Atal', located on the banks of the Yamuna in the national capital, to pay their floral tributes. Union home minister Amit Shah unveiled a statue of Vajpayee in the Chittorgarh district of Rajasthan. The Delhi government launched 25 new 'Atal Canteens' to provide hygienic, subsidised meals to low-income families. Vajpayee, the first BJP leader to become prime minister, was born on December 25, 1924, in Gwalior and died on August 16, 2018, in New Delhi. Modi described Vajpayee as an extraordinary statesman with remarkable vision who dedicated his life to serving the nation. "Remembering Atalji on his 'punya tithi'. An extraordinary statesman blessed with remarkable vision, he dedicated his life to the service of our nation," Modi said. He added that Vajpayee's words and efforts inspired generations and that his leadership significantly strengthened the country. "His focus on good governance and public welfare will always continue to guide us," he said. – PTI

# President calls youth valuable asset, bats for exam reforms

RAJESH KUMAR THAKUR @New Delhi

PRESIDENT Droupadi Murmu, in her address to the nation on Friday on the eve of the 80th Independence Day, reiterated the government's commitment to examination reforms. She said 65% of the country's total population is under 35. "This population is our most valuable asset. A team with an average age of just 28 years has successfully launched a rocket, beginning a new phase in space exploration."

Murmu said examination reforms had been undertaken as students are architects of India's future. "Collective efforts from all are necessary for students' present and future security," she asserted.

"Public examinations open the doors of opportunities for students," she said, adding that reforms aim to "completely curb the use of unfair means" and make exams "more transparent, secure and reliable for the youth."

The President said youth are talented, committed and skilled, citing innovative solutions by people at the grassroots level. Government initiatives are creating opportunities. "By gaining information about these opportunities, our people can choose new paths to success. Youth well-being forms the foundation of India's future." Families and society must ensure youth move forward with enthusiasm.

Murmu said the number of senior citizens is steadily rising. "Free healthcare facilities worth ₹5 lakh per year are available to approximately 6 crore senior citizens aged 70 years and above." Society must remain sensitive towards them and uphold self respect.



The President hailed the bravery of the armed forces, heritage development. "We take pride in the Indian tradition of triumphing over adversity."

Talking about the Indus Water Treaty, she said that suspending the treaty, originally signed with a nation that harbours terrorism, was a decisive step taken in the interest of the country and particularly for the welfare of farmers.

Speaking about the responsibilities of public representatives, she said, "Giving voice to the aspirations of the people is the duty of their representatives in the legislature. The Executive is responsible for implementing policies that serve the interest of the nation and its people. It is the duty of every person associated with the judicial system to ensure that no one is deprived of justice due to lack of resources".

Murmu also spoke about India's economic growth, saying the country is projected to grow at more than twice the average global growth rate despite global warfare and instability.

She hailed parts of the country becoming Naxal free, women's contribution to nation-building and India accounting for more than half of the world's real-time digital transactions. Stating that India is moving towards Viksit Bharat by 2047 with everyone's contribution, she said, "In today's India, each person can dream of big and can achieve it also."

On foreign policy, she said, "Our foreign policy is rooted in the national interest. Peace, cooperation, dialogue, and the ideal of VasudhaivaKutumbkam (the world is one family) are the pillars of our foreign policy." India has entered Free Trade Agreements with countries. "We are playing a leading role among the nations of the Global South and our stature on the global stage has risen."

The President said India believes in a rules-based international order and seeks representation in multilateral organisations, including the United Nations. "This effort of ours is receiving strong support from many countries," she asserted.

# “সাৰনাথৰ প্ৰাচীন বৌদ্ধ ক্ষেত্ৰ”

## এতিয়া এখন ইউনেস্কো বিশ্ব ঐতিহ্য ক্ষেত্ৰ

দক্ষিণ কোৰিয়াৰ বুছানত অনুষ্ঠিত বিশ্ব ঐতিহ্য সমিতিৰ ৪৮ সংখ্যক অধিৱেশনত ভাৰতৰ “সাৰনাথৰ প্ৰাচীন বৌদ্ধ ক্ষেত্ৰ”ক ২০২৫-২৬ বৰ্ষৰ বাবে ইউনেস্কোৰ বিশ্ব ঐতিহ্য তালিকাত অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ লগতে বিশ্ব ঐতিহ্য তালিকাত অন্তৰ্ভুক্ত হোৱা এইটো ভাৰতৰ ৪৫ সংখ্যক স্থান হিচাপে পৰিগণিত হৈছে। এই বিশ্বস্তৰীয় সন্মানে ভাৰতৰ সাংস্কৃতিক ঐতিহ্য, স্থাপত্যৰ উৎকৰ্ষ, আঞ্চলিক পৰিচয় আৰু ঐতিহাসিক ধাৰাবাহিকতাৰ বৈচিত্ৰ্যময় পৰম্পৰাক দাঙি ধৰে...

- এই তালিকাত ৪৫খন স্থানেৰে সৰ্বাধিক সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ ক্ষেত্ৰত ভাৰতে বিশ্বৰ ভিতৰত ষষ্ঠ আৰু এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছে।

“প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ মুহূৰ্ত। উত্তৰ প্ৰদেশৰ সাৰনাথক ইউনেস্কোৰ বিশ্ব ঐতিহ্য তালিকাত অন্তৰ্ভুক্ত কৰাটো অতিশয় আনন্দৰ বিষয়। সাৰনাথৰ ভগৱান বুদ্ধৰ সৈতে এক গভীৰ সম্পৰ্ক আছে, যাৰ প্ৰজ্ঞা, কৰুণা আৰু সম্প্ৰীতিৰ চিৰন্তন বাৰ্তাই সমগ্ৰ বিশ্বকে অনুপ্ৰাণিত কৰে। এই সন্মানে ভাৰতৰ গভীৰ সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যক উদযাপন কৰে। ই সমগ্ৰ বিশ্বৰ আৰু অধিক লোকক সাৰনাথ ভ্ৰমণ কৰিবলৈ আৰু ভগৱান বুদ্ধৰ আদৰ্শৰ সৈতে সংযুক্ত হ’বলৈ অনুপ্ৰাণিত কৰিব।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*




নিউ ইণ্ডিয়া **সমাচাৰ** পষেকীয়া

আৰ এন আই, **DELHIN/2020/78811**, ১-১৫ ছেপ্তেম্বৰ, ২০২৬

RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date:20 August, 2026, Pages-46)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHER:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003